# Assam Legislative Assembly Debates

सत्यमेव जयते

## OFFICIAL REPORT

THIRD SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE NINTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## BUDGET SESSION, 1992

## NO. 12

The 26th March, 1992

Price, Rs. 32.00

CONTENTS

BUDGET SESSION, 1992

No. 12

Dated, the 26th March, 1992


| | | Page |
|---|---|---|
| 1. | Questions and Answers | 164 |
| 2. | Point of Order | 65—68 |
| 3. | Voting on Demands for Grants | 69 – 151 |
| 4. | Adjournment | 152 |
| 5. | Annexures - I, II, III, IV, V, VI and VII | 153 - 168 |

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

THURSDAY, the 26th March, 1992.

**The House met at 9 A.M. of the Clock in the Assembly Chamber at Dispur with Shri Jiba Kanta Gogoi, Speaker in the Chair.**

## STARRED

## QUESTIONS & ANSWERS

( To which oral replies were given )

Mr. Speaker : Starred Question No. 201.

**বিষয়ঃ বানপানীত খেতি নষ্ট ।**

শ্ৰীযতীন মালীয়ে সুধিছে ।

★ ২০১। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ১৯৯১ চনৰ অক্টোবৰ মাহৰ বানপানীৰ ফলত পলাশবাৰী সমষ্টিৰ কিমান কৃষকৰ খেতি বাতি নষ্ট হৈছিল, আৰু তাৰ মূল্য কিমান পৰিমাণৰ ?

(খ) চৰকাৰৰ তৰফৰ পৰা কৃষক সকলক কিবা সাহাৰ্য্য দিয়া হৈছিল নে ?

(গ) বান পীড়িত লোক সকলক এই বছৰ খাজানা আদায় দিয়াৰ পৰা ৰেহাই দিয়াৰ কথা ভাবিছেনে ?

শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমুৰ ( মন্ত্ৰী কৃষি ) য়ে উত্তৰ দিছে :

(ক) পলাশবাৰী সমষ্টিৰ ১১,৮৯৯ জন কৃষক পৰিয়ালৰ কম বেচি পৰিমাণে খেতি বাতি নষ্ট হৈছিল । নষ্ট হোৱা খেতিৰ মূল্য প্ৰায় ২ ( দুই ) কোটি টকা আছিল ।

---

★ Speech not Corrected

(খ) হয়। পলাশবাৰী সমষ্টিৰ বানপীড়িত কৃষকৰ মাজত ২,৬৩,৫৫০.০০ টকা মূল্যৰ ঘেহুঁ, বীজ, মটৰ মাহৰ বীজ আৰু বড়োধানৰ বীজ বিতৰণ কৰা হৈছিল। ইয়াৰোপৰি ৫৮৫ বিঘা মাটি বিনা মূলীয়াকৈ হাল বাই দিবলৈ দুখন ট্ৰেক্টৰ উক্ত অঞ্চলত যোগান ধৰা হৈছিল।

(গ) খাজানা ৰেহাই দিয়াৰ বিষয়টো ৰাজহ বিভাগৰ এক্তিয়াৰত পৰে।

★ শ্ৰীযতীন মালী : মাননীয় মন্ত্ৰী মহোদয়ে জনাবনে যে ২ কোটি টকাৰ খেতি-বাতি নষ্ট হৈছে আৰু সাহাৰ্য্য দিছে ঘেহুঁ, বীজ আদিৰ বাবদ ২ লাখ ৬৩ হাজাৰ ৫৫০ টকাৰ, এইটো কি ভিত্তিত কৰিছিল আৰু কিয় কৰিছিল ?

★ শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমূৰ ( কৃষি মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, গোটেই অসমৰ বানপানীৰ কাৰণে ৪ কোটি টকা বিচাৰিছিলো, তাৰ আধাহে টকা পালো। সেই কাৰণে যিমানখিনি পৰা হৈছে সেই অনুপাতে গোটেই জিলাবিলাকত ভগাই দিয়া হৈছে আৰু ৰাজহ বিভাগৰ মতে প্ৰত্যেকজন খেতিয়ক হিচাপে ৭২ টকাকৈ দিব লাগে। মানুহৰ সংখ্যা বেছি হোৱা বাবে ৫১ টকাকৈ ভাগ কৰি দিয়া হৈছে।

★ শ্ৰীযতীন মালী : মাননীয় অধ্যক্ষ মহোদয়, পলাশবাৰী ৰাজহ চক্ৰৰ অধীনৰ চৰ এলেকাত খেতি-বাতি নষ্ট হোৱা বাবদ ঘেহু, মটৰ মাহৰ বীজ বিতৰণ কৰা হৈছিল, এই ক্ষেত্ৰত প্ৰকৃতভাৱে বিতৰণ কৰা হৈছে নে নাই আৰু হিতাধীকাৰীয়ে পাইছে নে নাই তদন্ত কৰি চলিত অধিবেশনত এটা প্ৰতিবেদন দিবনে ?

★ শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমূৰ ( কৃষি মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, বিতৰণৰ ক্ষেত্ৰত হিতাধিকাৰী নিৰ্ণয় ৰাজহ বিভাগ, কৃষি বিভাগ আৰু স্থানীয় গাও পঞ্চায়তক লৈ কৰা হয়। উপায়ুক্তইও এই বিষয়ে নিজে চায় আৰু সেই মতে দিয়া হয়। এই বিষয়ত যদি কিবা আসোৱাহ আছে তেন্তে জনাম। সোনকালে আনিব পৰা হয় নে নহয় চাব লাগিব।

★ Speech not Corrected

★ শ্ৰীযতীন মালী : মাননীয় অধ্যক্ষ মহোদয়, বিতৰণ প্ৰক্ৰিয়া কেনেকৈ কৰিছে তাক সোধা নাই। পাবলগীয়া সকলে পোৱা নাই। গতিকে নোপোৱাৰ কথাটো তদন্ত কৰি চলিত অধিবেশনত এটা প্ৰতিবেদন দিয়াৰ ব্যৱস্থা কৰিবনে ?

★ শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমূৰ (কৃষি মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, তেনে ধৰণৰ আপত্তি অহা নাই। আপুনি কোৱাখিনি চলিত অধিবেশনত দিব পাৰো নে নোৱাৰো চাম।

★ শ্ৰীযতীন মালী : মাননীয় অধ্যক্ষ মহোদয়, পলাশবাৰী বিধান সভা সমষ্টিৰ বানপীড়িত খেতিয়ক সকলক ৰাজহ দিয়াৰ বিষয়টো বিবেচনা কৰা সম্পৰ্কত মন্ত্ৰী মহোদয়ে যিটো কৈছে মই পুনৰ অনুৰোধ জনাইছো ১৯৯১ চনৰ বানপীড়িত খেতিয়ক সকলক বিশেষকৈ এই বছৰটোত খাজনা ৰেহাই দিয়া কথাটো ৰাজহবিভাগৰ লগত আলোচনা কৰি কৰিবনে ?

★ শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমূৰ (কৃষি মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, ৰাজহ বিভাগৰ লগত আলোচনা কৰিছিলো। পলিচিৰ সিদ্ধান্ত এইবাৰ কোনো ঠাইত বিবেচনা কৰা নাই। আমাৰ ফালৰ পৰা চেষ্টা কৰিছো।

★ শ্ৰীদিলীপ কুমাৰ শইকীয়া : মাননীয় অধ্যক্ষ মহোদয়, বৰ্তমানৰ প্ৰতিকূল অৱস্থাৰ বাবে অৰ্থাৎ বৰষুণ হৈ থকা বাবে আহু খেতি কৰিব নোৱাৰিলে। গতিকে বড়ো ধানৰ কঠিয়া বিতৰণ কৰাৰ ব্যৱস্থা কৰিবনে ?

★ শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমূৰ (কৃষি মন্ত্ৰী) : এই বিষয়টো পৰীক্ষা কৰি চাম।

★ শ্ৰীদিলীপ কুমাৰ শইকীয়া : আজিলৈকে বৰষুণ হৈ আছে। যি সবিয়হ খেতি কৰিছিল সিও শিল বৰষুণৰ বাবে নষ্ট হল। ডিচেম্বৰৰ পৰা আজিলৈকে চাৰিমাহে বৰষুণ হৈ থকাৰ ফলত আহু খেতি কৰিব

---

★ Speech not Corrected

নোৱাৰিলে। গতিকে বড়ো ধানৰ কঠিয়া দিয়াৰ ব্যৱস্থা কৰিলে বান ক্ষতিগ্ৰস্ত খেতিয়ক সকল উপকৃত হয়।

★ শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমূৰ (কৃষি মন্ত্ৰী): বিনামূলীয়াকৈ দিব লাগে নে ?

★ শ্ৰীদিলীপ কুমাৰ শইকীয়া : বানপীড়িত ৰাইজৰ অৱস্থা বেয়া। গতিকে বিনামূলীয়াকৈ দিব লাগে।

★ শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমূৰ (কৃষি মন্ত্ৰী): ৰাজহ বিভাগৰ পৰা বিচাৰিম। যদি দিয়ে তেন্তে দিম।

Mr. Speaker : Starred Question No. 202.

**বিষয় : বীজৰ সংৰক্ষণ।**

শ্ৰীশশকমল সন্দিকৈয়ে সুধিছে :

★ ২০২। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) অসম বীজ নিগমৰ গোৱালপাৰা জিলা শাখাই ভাৰতীয় পন্যাগাৰ নিগমৰ দুই নম্বৰ গোদামত ৭৫ কুইণ্টল ঘেঁহুৰ বিধান ৪ বছৰৰ আগত সংৰক্ষন কৰিছিল এই কথা সত্য নে ?

(খ) যদি সত্য এই ঘেঁহুৰ বৰ্ত্তমান বজাৰ মূল্য কিমান ?

(গ) চাৰি বছৰৰ বাবে এই গুদামৰ ভাড়াৰ ৰাবদ নিগমে কিমান টকা দিব লগা হৈছে ?

(ঘ) বৰ্ত্তমানে উক্ত ঘেঁহু সমূহ কি অৱস্থাত আছে ?

শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমূৰ (মন্ত্ৰী কৃষি) য়ে উত্তৰ দিছে :

(ক) অসম বীজ নিগমৰ গোৱালপাৰা জিলা শাখাই ভাৰতীয় পন্যাগাৰ নিগমত ঘেঁহু ৰখা নাছিল, অসম ৰাজ্যিক পন্যাগাৰ নিগমতহে ৰাখিছিল আৰু ৭৫ কুইণ্টল নহয় ৭৪ কুইণ্টল আছিল। এই

★ Speech not Corrected

বীজখিনি ৪ বছৰৰ আগৰ নহয়. ১৯৮৯/৯০ চনৰ বিক্ৰী নোহোৱাকৈ ৰৈ যোৱা বীজ।

(খ) বীজ হিচাবে এই ঘেঁহুৰ বৰ্ত্তমান বজাৰ মূল্য নাই। বীজখিনি বিষাক্ত ঔষধেৰে সংশোধিত কৰা বাবে উদ্যোগীক অনুষ্ঠানৰ বাহিৰে খাদ্যদ্ৰব্য হিচাবে বিক্ৰী কৰাৰ স্থল নাই।

(গ) গুদাম ভাড়া বাবদ এই বীজখিনিৰ বাবে নিগমে ৩২৭২ টকা ৬৫ পইচা দিব লগা হয়। বীজখিনি ২৮ মাহ পন্যাগাৰত আছিল।

(ঘ) বৰ্ত্তমান এই ঘেঁহুখিনি বিক্ৰী হৈছে আৰু ৪০৫৯ টকা ৯০ পইচা আদায় পোৱা হৈছে।

★ শ্ৰীনিজামুদ্দিন খান : অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে উত্তৰত কলে যে এই বীজখিনি ১৯৯০ চনৰ পৰা ৰৈ যোৱা বীজ। কি কাৰণত এই বীজখিনি বিক্ৰী হোৱা নাছিল জনাৰনে ?

★ শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমুৰ (কৃষি মন্ত্ৰী) : অধ্যক্ষ মহোদয়, বীজখিনি বেয়া হোৱা নাছিল। যিমান খিনি বীজ লাগে তাতকৈ বেছি পঠাইছিল বাবে বিক্ৰী হোৱা নাছিল।

★ শ্ৰীনিজামুদ্দিন খান : এই বীজ কি দামত কিনা হৈছিল ?

★ শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমুৰ (কৃষি মন্ত্ৰী) : অধ্যক্ষ মহোদয়, প্ৰতি কুইণ্টলত ৪৫৫ টকাত কিনা হৈছিল।

★ শ্ৰীনিজামুদ্দিন খান : অধ্যক্ষ মহোদয়, ১৯৯০ চনত কিনা বীজ বিক্ৰি নকৰিলে। ২৮ মাহ পন্যাগৰাত থাকিব লগা হল। পৰৱৰ্ত্তী বছৰত কিয় বিক্ৰি কৰা নহল, উত্তৰত কৈছে এই বীজখিনি অতিৰিক্ত ভাৱে কিনাৰ কাৰণে বিক্ৰী হোৱা নাছিল। পৰৱৰ্তী বছৰত বিক্ৰী কৰিব পাৰিলেহেতেন। সেই বছৰত বিক্ৰী নকৰাকৈ আৰু অধিক বীজ ৰখা হৈছিল নেকি যাৰ কাৰণে বিক্ৰী নহল ?

---

★ Speech not Corrected

★ শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমূৰ (কৃষি মন্ত্ৰী) : অধ্যক্ষ মহোদয়, তিনিবাৰ নিবিদা লৈছিল। বতৰ পাৰ হোৱা কাৰণে মানুহ বিলাকে লোৱা নাই।

★ শ্ৰীবদন বৰুৱা : অধ্যক্ষ মহোদয়, এই যে বীজ বিতৰণ কৰা হৈছে তাত কি কি ধৰণৰ বীজ আৰু কি কি ভেৰাইটিৰ বীজ আছিল জানিব পাৰোনে? তদুপৰি এই বীজখিনি পলম কৰি আহিছেনেকি? এই বীজখিনি নবেম্বৰ মাহত আহিব লাগিছিল কিন্তু জানুৱাৰী মাহত আহিছেনেকি?

★ শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমূৰ (মন্ত্ৰী কৃষি) : অধ্যক্ষ মহোদয়, এইটো বহুত পুৰণা কথা কেতিয়া আহি পালে মই নাজানো।

★ শ্ৰীবদন বৰুৱা : অধ্যক্ষ মহোদয়, ২৮ মাহৰ ঘৰ ভাড়াৰ বাবদ ৩২৭২ টকা নিগমে দিছে আৰু বৰ্ত্তমান বীজ বিক্ৰি কৰি ৪০৫৯ টকা ৯০ পইচা পাইছে। এই বীজ বিক্ৰিৰ ধন খিনিৰ পৰা ৭৭৭.৯০ পইচা ঘৰ ভাড়াৰ বাবদ দিলে। কিন্তু কাৰ হেমাহীৰ কাৰণে এই টকাখিনি নিগমে ভৰিবলগীয়া হল?

★ শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমূৰ (মন্ত্ৰী কৃষি) : অধ্যক্ষ মহোদয়, এইটো হেমাহী বুলি কব নোৱাৰি। সেই বীজখিনি বিক্ৰি কৰি দিলে কাৰণ বীজখিনি মানুহে খাব নোৱাৰে। সেইখিনিৰ সময় পাৰ হৈ যোৱাৰ পিচত এনে বীজ উদ্যোগ অনুস্থানতহে বিক্ৰী কৰিব পাৰি। তেওঁলোকে ইয়াৰ পৰা আটা আদি তৈয়াৰ কৰিব। তাৰ বাবে ৩ বাৰ নিবিদা কৰা হৈছে।

★ শ্ৰীবদন বৰুৱা : অধ্যক্ষ মহোদয়, মই নিজে খেতি কৰা মানুহ মোৰ অভিজ্ঞতা আছে। এই বীজখিনি লেট ভেৰাইটিৰ হব লাগিছিল কাৰণ আমাৰ ইয়াত লেট ভেৰাইটিৰ বীজ লাগে। সেনালিকা আৰ্লি ভেৰাইটি

★ Speech not Corrected

দিলে জাৰমিনেচন নহয়। সেয়ে ফল ভাল হোৱা নাই। গতিকে আমাৰ ইয়াত প্ৰযোজ্য হোৱা বীজ আনিব বুলি মন্ত্ৰী মহোদয়ে আশ্বাস দিবনে ?

★ শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমূৰ ( মন্ত্ৰী কৃষি ) : অধ্যক্ষ মহোদয়, ইয়াৰ বাবে যথেষ্ট যত্ন লৈছো যাতে ভাল বীজ আহে।

★ দেৱান জয়নাল আবেদিন : অধ্যক্ষ মহোদয়, যি ৰবিশস্যৰ বীজ বিতৰণ কৰা হৈছে, ইয়াত যথেষ্ট দুৰ্নীতিৰ অভিযোগ আহিছে। বিশেষকৈ ধুবুৰী জিলাত যিবিলাক বীজ যি অঞ্চলত দিব লাগে সেই অঞ্চলত সিমান বীজ দিয়া হোৱা নাই। এই সম্পৰ্কত কিবা এটা গোচৰ ইতিমধ্যে ৰজু কৰা হৈছে বুলি মন্ত্ৰী মহোদয়ে জানেনে ?

★ শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমূৰ ( মন্ত্ৰী কৃষি ) : অধ্যক্ষ মহোদয়, বিষয়টো এতিয়াও আমাৰ দৃষ্টিগোচৰ হোৱা নাই।

Mr. Speaker : How Starred Question No. 203.

**Re : F. P. Shops.**

Shri Dipendra Rongpi asked :

★ 203. Will the Minister of Food & Civil Supplies be pleased to State :

(a) The number of F. P. Shop dealers in Karbi-Anglong and N. C. Hills.

(b) Are there mobile shops under P. D. S. in the State and if so the number of mobile shops in Karbi-Anglong and N. C. Hills ?

Dr. Ardhendu Kumar Day ( Minister ) replied :

---

★ Speech not Corrected

(a) The No. of F. P. Shops dealer in Karbi-Anglong and N. C. Hills as follows :

1. Karbi-Anglong District .. 568 Nos.
2. N. C. Hills District .. 185 Nos.

(b) NIL.

★ Shri Dipendra Rongpi : Mr. Speaker Sir, Does the Minister think that the numbers of F. P. shops as mentioned by him are enough to serve the villagers in the district ?

★ Dr. Ardhendu Kumar Dey ( Minister ) : No, Sir.

★ Shri Dipendra Rongpi : Sir, as to the reply to (b) the Minister said 'Nil'. But so far I know 3 businessmen in Diphu and Howraghat constituencies have been allotted the F. P. shops by Food & C. S. Deptt. Whether Minister concerned is aware of it ?

★ Dr. Ardhendu Kumar Dey ( Minister ) : Sir, actually there are 180 distribution centres and 4 wholesellers have been appointed by the District administration to make distribution through these centres.

★ শ্ৰীমনসিং ৰংপি : অধ্যক্ষ মহোদয়, দেখা গৈছে যে, মোবাইল চপ বিলাকত যদি ২ কুইণ্টল আটা নিয়ে তাৰে ১ কুইণ্টল বিক্ৰী কৰে আৰু বাকী ১ কুইণ্টল বেলেগ ধৰণে বিক্ৰী কৰে। কেৰাচিন, চাউল আদিৰ একে ধৰণে বিক্ৰী হয়। মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি এই বিষয়টো তদন্ত কৰি সদনত ইয়াৰ পৰিণতি কি হৈছে জনাবনে ?

★ Speech not Corrected

★ ডা: অৰ্দ্ধেন্দু কুমাৰ দে (মন্ত্রী) : অধ্যক্ষ মহোদয়, মাননীয় সদস্যই যেনেধৰণে প্ৰশ্ন কৰিছে আচলতে তেনেধৰণৰ নহয়। আমাৰ কিছুমান নৰ্মচ আছে। একোজন এদাল্ট মানুহক ৪ কেজি চাউল আৰু মাইনৰক ২ কেজি চাউল দিয়া হয়। সেইদৰে এদাল্টক আটা ২ কেজি মাইনৰক ১ কেজি আৰু চেনি প্ৰতি মাহে ৪২৫ গ্ৰাম আৰু কেৰাচিন তেল ২ লিটাৰ কৰি দিব লাগে। কিন্তু আমি দিব পৰা নাই কাৰণ যি পৰিমাণৰ বস্তু আমি কেন্দ্ৰৰ পৰা পাব লাগে সেই পৰিমাণে পোৱা নাই। সেই কাৰণে এদাল্টক ২ কেজি চাউল আৰু মাইনৰক ১ কেজি কৰি চাউল দিবলগীয়া হৈছে।

★ শ্ৰীদীপেন্দ্ৰ ৰংপি : অধ্যক্ষ মহোদয়, আমাৰ যিটো প্ৰশ্ন আছিল সেইটো তেনে ধৰণৰ নাছিল। যিবিলাক মোবাইল চপ আছে সেইবিলাকে ১০ কুইণ্টল বিক্ৰী কৰিব লাগে যদি ৫ কুইণ্টলহে বিক্ৰী কৰে বাকী সামগ্ৰী কি ধৰণে বিক্ৰী কৰা হয় জনাবনে?

★ ডা: অৰ্দ্ধেন্দু কুমাৰ দে (মন্ত্রী) : অধ্যক্ষ মহোদয়, যদি তেনেধৰণৰ কিবা অভিযোগ আছে মাননীয় সদস্যজনে লিখিত ভাবে কিবা দিব পাৰে তেনেহলে মই সদনত কথা দিছো যে তদন্ত কৰি যথোপযুক্ত ব্যৱস্থা লোৱা হব।

★ শ্ৰীআলাউদ্দিন সৰকাৰ : অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে যিখন তালিকা দিছে, তাত নিত্য প্ৰয়োজনীয় সামগ্ৰী কমাই দিয়া হৈছে। পৰ্য্যাপ্ত পৰিমাণে দিবপৰা নাই। কেৰাচিন তেলো দিব পৰা নাই। কিমান দিন এই চৰটেজ চলি থাকিব?

★ ডা: অৰ্দ্ধেন্দু কুমাৰ দে (মন্ত্রী) : অধ্যক্ষ মহোদয়, মাননীয় সদস্যগৰাকীয়ে যিটো প্ৰশ্ন তুলিছে এই প্ৰশ্নটো যদি সচা হয় তেনেহলে খুব গুৰুত্বপূৰ্ণ। আমি প্ৰতি মাহে ৬ লিটাৰ কৰি কেৰাচিন তেল দিব লাগে কিন্তু ৫ লিটাৰ কৰিহে দিছো। কেৰাচিনতো পৰ্য্যাপ্ত পৰিমাণৰ নোহোৱা বাবে দিব পৰা নাই। তাৰোপৰি খৰিও পোৱা নাযায়। লো'দ চেদিঙো হৈছে। এতিয়া আমি প্ৰতি পৰিয়ালক ১০ লিটাৰ কৰি তেল

দিব লাগে কিন্তু আমি কেন্দ্ৰৰ পৰা ২৫ হাজাৰ মেট্ৰিকটন পাব লাগে কিন্তু তাৰ ঠাইত আমি ২০ হাজাৰ মেট্ৰিকটনহে পাইছো। ফলত নাটনি হৈছে।

★ শ্ৰীআলাউদ্দিন সৰকাৰ : অধ্যক্ষ মহোদয়, কেৰাচিন তেল দিয়াৰ ক্ষেত্ৰত মই কব বিচাৰো যে, গাওঁ অঞ্চল আৰু আৰবান এৰিয়াৰ মাজত ব্যৱধান আছে। এতিয়া ৫ লিটাৰ কৰি দিছে। নিত্য প্ৰযোজনীয় সামগ্ৰীসমূহৰ পাবলিক দিষ্ট্ৰিবিউচন হোৱা নাই প্ৰাইভেট দিষ্ট্ৰিবিউচন হৈছে। উক্ত বিষয়টোৰ যাতে এটা সু সমাধান কৰে তাৰ বাবে মন্ত্ৰী মহোদয়ৰ দৃষ্টি গোচৰ কৰিলো।

★ ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে ( মন্ত্ৰী ) : মাননীয় সদস্যই যিটো কথা কৈছে যে প্ৰাইভেট দিষ্ট্ৰিবিউচন হৈছে কথাটো সচা নহয়। কিন্তু পাবলিক দিষ্ট্ৰিবিউচন চিষ্টেমৰ এচ, কে অইলৰ তেখেঁতে যিটো কথা কৈছে সচা কথা। এচ, কে অইলৰ এইটো আজিৰ বেমাৰ নহয়, বহু দিনৰ পৰা চলা বেমাৰ অসমত যি পৰিমানৰ ৰেচন কাৰ্ড আছে তাতোকৈ জনসংখ্যা বহুত বেছি। ১৯৯১ চনৰ চেনচাচ মতে অসমত জনসংখ্যা ২ কোটি ২১ লাখ। ৰেচন কাৰ্ডৰো এটা পপুলেচন হিচাব আছে। সেইটো চালে দেখা যাব যে, আমি ৪৪ লাখ পপুলেচন পাম। এইটোৰ কাৰণে বিভাগক কাঢ়া নিৰ্দ্দেশ দিয়া হৈছে যে ৰেচন কাৰ্ড বিলাক দিটেক্ট কৰিব লাগে আৰু এতিয়া এই প্ৰক্ৰিয়া চলি আছে। এই ক্ষেত্ৰত আমাক আপোনালোকে সহায় কৰিব।

★ শ্ৰীদিলীপ কুমাৰ শইকীয়া : অধ্যক্ষ মহোদয়, এতিয়া হাইস্কুল শিক্ষান্ত পৰীক্ষা চলি আছে। এই পৰীক্ষাত ২ লাখ কেন্দিদেট এপিয়েৰ হৈছে। এতিয়া কেৰাচিন তেলৰ নাটনি হৈছে। গতিকে মাননীয় মন্ত্ৰী মহোদয়ে মমবাতি আৰু নাহৰ গুটিৰ যোগান ধৰাৰ ব্যৱস্থা কৰিবনে ?

★ ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে ( মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, এইটো পৰীক্ষা কৰি চাম।

---

★ Speech not Corrected

বিষয় ঃ বান পীড়িত ৰাইজক সাহায্য।

শ্ৰীগহীন চন্দ্ৰ দাসে সুধিছে :

★ ২০৪। মাননীয় সাহায্য আৰু পুনৰ সংস্থাপন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) যোৱা ১৯৯১ চনৰ অসমৰ বিভিন্ন জিলাত হোৱা বাৰিষা কালৰ বানপানীত বানপীড়িত ৰাইজৰ মাজত বান সাহায্য দিয়াত দুৰ্নীতিৰ বিষয়ে চৰকাৰ অবগত নে ?

(খ) যদি অবগত ভবিষ্যত দুৰ্নীতিমুক্ত চৰকাৰী সাহায্য বিতৰণ ব্যৱস্থা লৈছে নেকি ?

শ্ৰীমুকুট শৰ্মা ( মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) অবগত নহয়।

(খ) প্ৰশ্ন নুঠে।

★ শ্ৰীগহীন চন্দ্ৰ দাস : মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটো আছিল ১৯৯১ চনত অসমৰ বিভিন্ন জিলাত হোৱা বাৰিষা কালৰ বানপানীত বানপীড়িত ৰাইজৰ মাজত বান সাহায্য দিয়াত দুৰ্নীতিৰ বিষয়ে চৰকাৰ অবগতনে ? মন্ত্ৰী মহোদয়ে উত্তৰত কৈছে যে অবগত নহয়। মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে যে বান সাহায্য বুলি কি কি সাহায্য দিয়া হয় ?

★ শ্ৰীমুকুট শৰ্মা ( মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, বান সাহায্য বুলিলে বানপানীৰ সময়ত দিয়া চাউল, দাইল, নিমখ, তেল ইত্যাদিক বুজায়। লগতে চৰকাৰে বানবিধ্বস্ত লোকৰ সংস্থাপনৰ কাৰণেও ব্যৱস্থা গ্ৰহণ কৰে।

★ শ্ৰীগহীন চন্দ্ৰ দাস : মাননীয় অধ্যক্ষ মহোদয়, যোৱা ১৯৯১ চনৰ অক্টোবৰ মাহত হোৱা বানপানীত কৃষকৰ গেৰ ওলোৱা ধানখেতি সম্পূৰ্ণৰূপে ধ্বংস হয়। তেতিয়া সাহাযাৰ নামত চাউল, দাইল, আটা ১০০ গ্ৰাম/

৫০ গ্ৰামকৈ দিয়া হৈছিল। বহা সমষ্টিত ৰাজহ মন্ত্ৰীয়ে বানবিধ্বস্ত লোকক এই বুলি কৈছিল যে আপোনাকে এ, জি, পি ৰ এম, এল, এক জিকাই পঠাইছে গতিকে আপোনালোকক সাহায্য দিয়া নহয়।

★ শ্ৰীমুকুট শৰ্ম্মা ( মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে এইটো সম্পূৰ্ণ অসত্য কথা কৈছে। এ, জি, পিৰ এম, এল, এক জিকাইছে বুলি বান সাহায্য দিয়া নহব বোলা কথাষাৰ অসত্য। আমি মানুহক মানুহ হিচাবেহে চাওঁ।

★ শ্ৰীগহীন চন্দ্ৰ দাস : মাননীয় অধ্যক্ষ মহোদয়, বান সাহায্য বুলি কলে ৰবি খেতিৰ ওপৰত গুৰুত্ব দিয়া হয় আৰু সেই মতে বানবিধ্বস্ত লোকক শস্য বীজ যোগান ধৰে। নগাওঁ জিলাত যেহু বিতৰণ কৰিবলৈ দিয়া হৈছিল। চৰ অঞ্চলত এই সাহায্য দিয়া হৈছে বুলি কৃষি মন্ত্ৰীয়ে জানিবলৈ দিছে। কিন্তু বহা সমষ্টিত ঘেহু, মটৰ ইত্যাদি বিতৰণ কৰা হোৱা নাছিল

★ শ্ৰীমুকুট শৰ্ম্মা ( মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, ৰাজহ বিভাগে শষ্য সাহায্য বিতৰণ নকৰে। বিভাগে কৃষি বিভাগক দিয়ে আৰু কৃষি বিভাগে এই বিতৰণ কৰে।

★ শ্ৰীনজমূল হক : মাননীয় অধ্যক্ষ মহোদয়, বান সাহায্যৰ নামত ব্যাপক দুৰ্নীতি চলে। এইটো এটা বৰ ডাঙৰ ব্যাধি। শতকৰা ৮০ ভাগ আচল ক্ষতিগ্ৰস্ত লোকে সাহায্য নেপায়। মই মন্ত্ৰী মহোদয়ক এই ক্ষেত্ৰত এটা অনুৰোধ কৰো যে সকলো জিলা বা মহকুমাত সৰ্ব্বদলীয় এক বান সাহায্য কমিটি গঠন কৰিব লাগে যাতে সাহায্য বিতৰণত দুৰ্নীতিয়ে গা কৰিব নোৱাৰে। মন্ত্ৰী মহোদয়ে সৰ্ব্বদলীয় কমিটি গঠন কৰিবনে ?

★ শ্ৰীমুকুট শৰ্ম্মা ( মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীৰ উত্তৰত মই কব খোজো যে ৰাজহ বিভাগে প্ৰতিখন জিলাতে জিলাৰ উপায়ুক্তক

সভাপতি হিচাবে লৈ এখন ৰিলিফ কমিটি গঠন কৰে। এই কমিটিৰ যোগেদিয়েই ৰিলিফ বিতৰণ কৰা হয়। এই কমিটিত বিভিন্ন দলৰ লোক থাকে।

★ শ্ৰীদিলীপ কুমাৰ শইকীয়া : অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে যে বানত সম্পূৰ্ণ ডেমেজ ( ঘৰ ) হলে সাহায্য দিয়া হয়। মন্ত্ৰী মহোদয়ে জনাবনে যে সম্পূৰ্ণ ডেমেজ হলে কিমান টকা আৰু আংশিক ভাবে ঘৰ ডেমেজ হলে কিমান টকা কৈ সাহাষ্য দিয়া হয় ?

★ শ্ৰীমুকুট শৰ্ম্মা ( মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, সম্পূৰ্ণকৈ ৰিধস্থ হলে ৫০০ টকাকৈ আৰু আংশিক ভাবে ডেমেজ হলে ২০০ টকাকৈ সাহায্য দিয়া হয়।

★ শ্ৰীদেৱান জয়নাল আবেদিন : মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে এই প্ৰশ্নটোৰ উত্তৰত দূৰ্নীতিক অস্বীকাৰ কৰিছে। কিন্তু এইটো সকলোৱেই জনা কথা যে বান সাহায্য প্ৰকৃত ক্ষতিগ্ৰস্ত লোকে নেপায়, ইয়াৰ মাজত সদায় দূৰ্নীতি সোমাই পৰে। শ্ৰীচক ডাঙৰীয়াই সৰ্ব্বদলীয় সাহায্য কমিটি গঠন কৰাৰ যি পৰামৰ্শ দিছে এইটো বৰ ভাল হৈছে। মন্ত্ৰী মহোদয়ে উত্তৰত কৈছে যে জিলাৰ উপায়ুক্তক সভাপতি হিচাবে লৈ সাহায্য কমিটি গঠন কৰা হয় আৰু ইয়াত বিভিন্ন দলৰ লোক থাকে। অধ্যক্ষ মহোদয়, ৰেভিনিউ মেনুৱেল মতে সাহায্য কমিটিত সকলো দলৰ মানুহ থাকিব লাগে কিন্তু কাৰ্য্য ক্ষেত্ৰত এইটো কৰা নহয়। মই দক্ষিণ শালমাৰা মহকুমাৰ পৰা অহা ৰিধায়ক। দক্ষিণ শালমাৰা অসমৰ ভিতৰতে আটাইতকৈ বেছি বান পীড়িত অঞ্চল। তাতো এখন বান সাহায্য কমিটি গঠন কৰা হৈছে মহকুমাধিপতিক সভাপতি হিচাবে লৈ। মই তাৰ স্থানীয় ৰিধায়ক কাৰণে মোক সমিতিত নেৰাখিলে নহয় কাৰণেই ৰাখিছে। কিন্তু বাকী কমিটিৰ সকলো সদস্য কংগ্ৰেছ (ই) দলৰ। এই সদস্য সকলে বান সাহায্য সামগ্ৰী চুৰ কৰিছে। তাত বান ৰিধস্থ লোকৰ কাৰণে কাপোৰ দিয়া হৈছিল কিন্তু সেই কাপোৰ

★ Speech not Corrected

সকলো সদস্যৰ ঘৰত এতিয়াও মজুত থকা পোৱা যাব। অধ্যক্ষ মহোদয়, ৰান সাহায্য কমিটি সকলো দলৰে সদস্যকলৈ গঠিত হব লাগে।

★ শ্ৰীমুকুট শৰ্ম্মা (মন্ত্ৰী): অধ্যক্ষ মহোদয়, ৰিলিফ কমিটি ৰেভিনিউ মেনুৱেল মতেই কৰা হয়। যি কোনো দলৰেই নহওক কিয় নিজ নিজ অঞ্চলৰ বিধায়কক এই কমিটিত ৰখা হয়।

★ শ্ৰীদিলীপ কুমাৰ শইকীয়া: মামনীয় অধ্যক্ষ মহোদয়, ১৯৭৬ ৰিলিফ মেন্নুৱেল মতে ঘৰ বাৰী ভাঙি সকলো শেষ হৈ যোৱা মানুহক ৫০০ টকাকৈ ৰিলিফ দিয়া হয় ঘৰ বান্ধিবলৈ কিন্তু এই টকাটো বৰ্ত্তমান উৰ্দ্ধমূখী দামলৈ চাই একোৱেই নহয়। সেয়ে ১৯৭৬ চনৰ ৰিলিফ মেন্নুৱেল খনৰ সংশোধনী আনি টকাটো বেচিকৈ ধৰাৰ বাবে মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি বিবেচনা কৰিব নেকি ?

★ শ্ৰীমুকুট শৰ্ম্মা (মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, ৰাজহ বিভাগৰ যথেষ্ট ধনৰ নাটনি। প্ৰাক্তন ৰাজহ মন্ত্ৰী শ্ৰীবড়ো ডাঙৰীয়াই নিশ্চয় মোৰ লগত একমত হব। আমাৰ ৰাজহ বিভাগত নন প্লেনৰ বাজেট বেচি হয়। মই নিজেও অনুভৱ কৰো যে আজি কালিৰ দিনত ঘৰ নিৰ্ম্মানৰ বাবে একো নহয়। ঘৰ নিৰ্ম্মান কৰিব নোৱাৰে। কিন্তু সীমিত টকাৰ কাৰণে এনে ব্যৱস্থা কৰিব লগীয়া হৈছে। টকাটো যদি বঢ়াই দিব পৰা হয় তেন্তে ১৯৭৬ চনৰ ৰিলিফ মেনুৱেল খনৰ সংশোধনী আনি নিশ্চয় টকাটো বঢ়াই দিয়া হব।

★ শ্ৰীমনসিং ৰংপী: মাননীয় অধ্যক্ষ মহোদয়, সমষ্টিৰ বিধায়ক সকল ৰিলিফ ৰিহেবিলিটেচনৰ কমিটিত সমষ্টি ভিত্তিত মেম্বাৰ হোৱা বুলি কৈছে কিন্তু মই আজিলৈকে ৰিলিফ-ৰিহেবিলিটেচনৰ কোনো ধৰণৰ মেম্বাৰ হব পৰা নাই। এতিয়া মোৰ প্ৰশ্নটো হ'ল যোৱা বিধান সভাৰ সময়ত মই কৃষি মন্ত্ৰী মহোদয়াক সুধিছিলো যে সৰুপথাৰত কৃষি সাহায্য দিয়া হৈছে নে নাই। তেখেতে মোক জনাইছিল যে সৰুপথাৰ বোকাজানৰ লগত

★ Speech not Corrected

সামৰি লোৱা হৈছে। কিন্তু এতিয়ালৈকে কিমান টকা দিলে, টকা দিলে নে নাই নাজানো। মন্ত্ৰী মহোদয়ে জনাব নে ?

★ শ্ৰীমুকুট শৰ্ম্মা ( মন্ত্ৰী ) : माननीয় অধ্যক্ষ মহোদয়, কৃষি বিভাগৰ উত্তৰ দিবলৈ মোৰ অসুবিধা হয়। লগতে মাননীয় সদস্য গৰাকীয়ে ডিফুৰ ৰিলিফ কমিটিৰ যিটো কৈছে, সেইটো মই চাব লাগিব।

**বিষয় : বাজার ঘাটে "Employment Exchange" কার্য্যালয় স্থাপন।**

শ্ৰীপ্ৰণব কুমাৰ নাথে জিজ্ঞাসা করছেন :

★ ২০৫। মাননীয় নিয়োগ বিভাগের মন্ত্রী মহোদয়ে অনুগ্রহ করিয়া জানাবেন কি ?

জনস্বার্থে দক্ষিণ করিমগঞ্জ বিধান সভা নির্ব্বাচন চক্রের বাজার ঘাটে একটি Employment Exchange স্থাপন করার জন্য বর্ত্তমান অর্থবছরেই এর যাবতীয় ব্যবস্থা করা হবে কি ?

শ্ৰীচিলভিয়াচ কন্দপান ( মন্ত্ৰী ) য়ে উত্তৰ দিছে :

বর্ত্তমান অর্থ বছরে এরকম কোন প্রস্তাব নাই।

শ্ৰীপ্ৰণব কুমাৰ নাথ : মাননীয় অধ্যক্ষ মহোদয়, দক্ষিণ করিমগঞ্জ নির্বাচন চক্র আসামের মধ্যে সবচেয়ে বৃহৎ নির্বাচন চক্র। এই নির্বাচন চক্রের বিভিন্ন এলেকার বেকার যুবকরা একদিকে করিমগঞ্জ অন্যদিকে পথারকান্দি গিয়ে নিয়োগ বিনিময় কেন্দ্রে নাম 'রেজিষ্ট্রি' করে থাকে। সুতরাং এই এলাকার জনসাধারণের অসুবিধার কথা চিন্তা করে তাদের দীর্ঘদিনের যে দাবী একটা নিয়োগ বিনিময় কেন্দ্র স্থাপন করার তা মন্ত্রী মহোদয় সহানুভূতির সঙ্গে বিবেচনা করে দেখবেন কি ?

★ Shri Silvius Condpan ( Minister ) : Mr. Speaker Sir, Establishment of Employment Exchanges is taken into consideration after considering all the connected factors. We have examined the scops of starting an

Employment Exchange at Bazarghat and we have found that Bazarghat is being attached to Karimganj District Employment Exchange. There is an Employment Assistance Bureau at Ramkrishnagar. As such Government does not think it necessary to have an Employment Exchange at Bazarghat.

★ Shri Giasuddin Ahmed : Mr. Speaker Sir, In view of the facts that there are large number of unemployed people living in the remote areas and these people do not get any chance to get themselves registered in the Employment Exchanges located in the towns, will the Govrenment consider the proposal for establishment of Employment Exchanges even in rural areas so that all the unemployed people both literate and illeterate get themselves recorded their names in the Emplovment Exchanges ?

★ Shri Silvius Condpan ( Minister ) : Mr. Speaker Sir, Considering the difficulties of the unemployed youths in the remote areas the Govrenment has already established information bureaus and assistance centres in the Block areas and we will see that this scheme is extended in other Block areas where it has not yet been extended in order to facilitate the unemployep people to get themselves registered their names.

---

★ Speech not Corrceted

★ শ্ৰীভৰত চন্দ্ৰ নৰহ : মাননীয় অধ্যক্ষ মহোদয়, ধকুৱাখানা মহকুমাৰ আৰু ধেমাজী মহকুমাৰ নিয়োগ বিনিময় কেন্দ্ৰ আগতে লক্ষীমপুৰৰ ভিতৰত পৰিছিল। কিন্তু এতিয়া দুটা বেলেগ বেলেগ নিয়োগ বিনিময় কেন্দ্ৰ হোৱা বাবে দুয়োটা নিয়োগ বিনিময় কেন্দ্ৰই ধকুৱাখানাৰ দায়িত্ব নলয়। যিহেতু ধেমাজী নিয়োগ বিনিময় কেন্দ্ৰটো আমাৰ জিলাৰ ভিতৰত সেয়ে সেই কেন্দ্ৰটোৰ জৰিয়তে যাতে কোনো অসুবিধা নোহোৱাকৈ নিবনুৱা প্ৰাৰ্থী সকলে ইণ্টাৰভিউ আদি দিব পাৰে তাৰ ব্যৱস্থা লব নেকি ?

Shri Silvius Condpan ( Minister ) : Mr. Speaker Sir, this will be looked into.

★ শ্ৰীপানীৰাম ৰাভা : মাননীয় অধ্যক্ষ মহোদয়, নিয়োগ বিনিময় কেন্দ্ৰৰ কমিটি সমূহ ইতিমধ্যে গঠন হব লাগিছিল। সকলো গঠন হোৱা নাই নেকি ? দ্বিতীয়তে টিহু বৰমা উন্নয়ন খণ্ডত এখন নিয়োগ বিনিময় কেন্দ্ৰ আছে। তাত যি জন অফিচাৰ আছে তেওঁ মাত্ৰ মাহত এবাৰ বা দুবাৰ অফিচলৈ যায়, চৰকাৰৰ ঘৰৰ পৰা নিয়ম মতেই দৰমহা খায় আছে। যিহেতুকে অফিচাৰ জন অফিচলৈ নাহে সেয়ে সেই নিয়োগ বিনিময়ৰ জৰিয়তে হব লগা নাম ভৰ্ত্তীকৰণ, আন কাৰ্য্যালয়লৈ নাম নিয়োজিত কৰাত যথেষ্ট অসুবিধা হৈছে। সেই ঠাইৰ নিবনুৱা প্ৰাৰ্থী সকলৰ সুবিধাৰ কাৰণে চৰকাৰৰ ফালৰ পৰা সেই বিষয়া জনৰ বিহিত ব্যৱস্থা লব নে ?

★ শ্ৰীচিলভিয়াচ কন্দপান ( মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে ভালেখিনি নিয়োগ বিনিময় কেন্দ্ৰৰ কমিটি গঠন কৰা হৈছে। তেখেতে যিটো অভিযোগ আনিছে বিষয়া জনে কাম নকৰে, সেইটো চোৱা হব।

★ শ্ৰীহিৰন্য বৰা : মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিছাৰিছো যে, অহা নতুন বছৰত নতুনকৈ জিলা নিয়োগ বিনিময় কেন্দ্ৰ স্থাপনৰ ব্যৱস্থা ৰখা হৈছে নেকি ?

★ Speech not Corrected

★ Shri Silvius Condpan ( Minister ) : In view of the financial Constrnints we do not have any such thing.

★ শ্ৰীহিতেশ্বৰ ডেকা : মাননীয় অধ্যক্ষ মহোদয় মাননীয় মন্ত্ৰী মহোদয়ে ইনফৰমেচন বুৰ, চেণ্টাৰ স্থাপন কৰা হৈছে বুলি কৈছে। এতিয়ালৈকে কিমান কেন্দ্ৰ অসমত স্থাপন কৰা হৈছে মন্ত্ৰী মহোদয়ে জনাব নে ? দ্বিতীয়তে যিবিলাক নিয়োগ বিনিময় কেন্দ্ৰ আছে তাৰ পৰা আন আন কাৰ্য্যালয়লৈ নাম পঠাওতে কি কি ভিত্তিত পঠোৱা হয়, অৰ্হতা, চিনাকী নে পইচা ?

★ শ্ৰীচিলভিয়াচ কন্দপান ( মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, সাধাৰনতে জেংষ্ঠতা ভিত্তিত পঠোৱা হয়। কিন্তু যদি ডিমাণ্ড দিওতে বিশেষ কুৱা-লিফিকেচন বিছাৰে তেতিয়া হ'লে অৰ্হতা চাই তলৰ প্ৰাৰ্থীকো পঠোৱা হয়।

★ শ্ৰীচন্দন সৰকাৰ : অধ্যক্ষ মহোদয়, নিয়োগ বিনিময় কেন্দ্ৰত ১৯৬৬ চনৰ ভোটাৰ লিষ্ট দেখুৱাৰ কিবা ব্যৱস্থা আছে নেকি মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো। দ্বিতীয় কথা হ'ল উত্তৰ শালমাৰাত এটা নতুনকৈ নিয়োগ বিনিময় কেন্দ্ৰ খোলাৰ পৰিকল্পনা আছে নেকি ?

★ শ্ৰীমুকুট শৰ্ম্মা ( ৰাজহ মন্ত্ৰী ) : আমাৰ ৰিত্তীয় পৰিস্থিতিৰ কাৰণে নতুনকৈ নিয়োগ বিনিময় কেন্দ্ৰ খোলাৰ কোনো পৰিকল্পনা নাই। আৰু দ্বিতীয় কথা হ'ল নিয়োগ বিনিময় কেন্দ্ৰত ভোটাৰ লিষ্টৰ কোনো কথা নাই। তাত কেৱল নামহে ৰেজিষ্ট্ৰেচন কৰা হয়।

**বিষয় : অগ্নিকাণ্ডত ক্ষতিগ্ৰস্ত সম্পৰ্কীয়।**

**শ্ৰীঅঞ্জন দত্তই সুধিছে :**

★ **২০৬। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :**

**(ক) আমগুৰি নগৰত যোৱা কেইটা বছৰত কেইবাখনো দোকান ঘৰ আদি জুই লাগি ক্ষতিগ্ৰস্ত হোৱাৰ বিষয়ে চৰকাৰ অবগতনে ?**

★ Speech not Corrected

(খ) এই ক্ষতিগ্ৰস্ত লোকসকলক চৰকাৰে সাহায্য দিয়াৰ ব্যৱস্থা লৈছে নেকি ?

শ্ৰীমুকুট শৰ্ম্মা ( মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) হয়, কেৱল ১৯৯১ চনৰ বছৰটোত হোৱা অগ্নিকাণ্ডৰ বিষয়েহে অৱগত ।

(খ) হয়, ইতিমধ্যে লোৱা হৈছে ।

★ শ্ৰীঅঞ্জন দত্ত : অধ্যক্ষ মহোদয়, ১৯৯২ চনত যি জুই লাগিছিল সেই তথ্য বোধহয় মন্ত্ৰী মহোদয়ে দিয়া নাই । আমগুৰি সমষ্টিতো বিভিন্ন নগৰ আছে আৰু তাত কেবাটাতো জুই লাগিছিল । সেই বিলাকৰ কাৰণে কিমান ক্ষতিপূৰণ দিছিল মন্ত্ৰী মহোদয়ে জনাবনে ?

★ শ্ৰীমুকুট শৰ্ম্মা ( ৰাজহ মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, আমাৰ ৰিলিফ মেনুৱেল মতে যিসকল সম্পূৰ্ণভাৱে বিধস্ত হৈছে সেই সকলক ৫০০ টকা, আৰু যিসকলৰ আংশিকভাৱে বিধস্ত হৈছে সেই সকলৰ কাৰণে ২০০ টকাকৈ দিয়া হৈছে ।

★ শ্ৰীঅঞ্জন দত্ত : অধ্যক্ষ মহোদয়, গুৱাহাটীৰ পল্টন বজাৰতো জুই লাগিছিল আৰু অলপতে লংকাতো ডাঙৰ জুই লাগিছিল । কিন্তু সেই ক্ষেত্ৰত চৰকাৰৰ ফালৰ পৰা কোনো লোক লাভবান হব পৰা নাই । টকা পইচাৰ অভাৱৰ কাৰণে সাহায্য বিতৰণ কৰিব পৰা নাই যদিও কোনো কোনো ক্ষেত্ৰত দেখা গৈছে যে বিভাগীয় কৰ্তৃপক্ষৰ অৱহেলাৰ বাবেও এনেকুৱা হৈছে । ৰাজহ বিভাগৰ পৰা সাহায্য দিয়াৰ লগে লগে প্ৰত্যেক সমষ্টিতে অগ্নিনিৰ্ব্বাপক বাহিনীৰ কাৰ্য্যালয় খোলাৰ কথা চৰকাৰে চিন্তা কৰিছে নে ?

★ শ্ৰীমুকুট শৰ্ম্মা ( ৰাজহ মন্ত্ৰী ) : অগ্নিনিৰ্ব্বাপক বাহিনীৰ কাৰ্য্যালয় খোলাটো ৰাজহ বিভাগৰ দায়িত্ব নহয় । এইটো গৃহ দপ্তৰৰ লগত জড়িত । আমাৰ মুখ্যমন্ত্ৰীয়ে গৃহ দপ্তৰৰ দায়িত্বত আছে । গতিকে

★ Speech not Corrected

তেখেতৰ লগত আলোচনা কৰি কিবা এটা কৰাৰ কাৰণে চিন্তা কৰিম ।

★ শ্ৰীঅঞ্জন দত্ত : মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ সমষ্টিৰ কথা কোনেও নকয় । কিন্তু তাতো লাগে । গতিকে আগভাগ লৈ মুখ্য মন্ত্ৰীৰ লগত আলোচনা কৰি এইটো কৰিব লাগে ।

★ শ্ৰীমুকুট শৰ্ম্মা (ৰাজহ মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে আপোনাৰ প্ৰতি দৰদ দেখুৱাৰ কাৰণে মই আপোনাৰ হৈ ধন্যবাদ দিছো । কিন্তু কথা হ'ল খুমটাই সমষ্টিতে হওক বা অন্য সমষ্টিতে হওক কথাটো গৃহ দপ্তৰহে চিন্তা কৰিব লাগিব । গৃহ দপ্তৰৰ দায়িত্বত থকা মুখ্য মন্ত্ৰীৰ লগত আলোচনা কৰি এই বিষয়ে অৱগত কৰাম ।

★ শ্ৰীআলাউদ্দিন সৰকাৰ : মাননীয় অধ্যক্ষ মহোদয়, এই অগ্নিকাণ্ডত ক্ষতি-গ্ৰস্ত হোৱা আৰবান আৰু ৰুৰেলৰ মাজত কিবা বিভিন্নতা আছে নেকি ? পিছপৰা ঠাই যদিও আমাৰ ওচৰতো দুই এখন চহৰ আছে । ধুবুৰীতো এটা বিৰাট আৰু ব্যাপক অগ্নিকাণ্ড হৈ গ'ল । ৰাজহ বিভাগৰ মন্ত্ৰী হিচাবে আবেদন পাইছে নিশ্চয় আৰু ইয়াৰ কিবা ব্যৱস্থা লৈছে নেকি ?

★ শ্ৰীমনসিং ৰংপী : ছাৰ, বোকাজান টাউনতো হৈছিল, কিবা ৰিলিফ আদি দিয়া হৈছে নেকি ?

★ শ্ৰীচন্দন সৰকাৰ : ছাৰ, অভয়াপুৰীতো ৩৫ খন দোকান জ্বলিছিল । তাৰ কাৰণে কিবা সাহাযাৰ ব্যৱস্থা কৰিছে নেকি ?

Shri Parameswar Brahma : Sir, during 1989 in Gohpur and nearby areas, 60 thousands of Bodo people had to flee to Arunachal Pradesh and more than 12,000 Bodo people took shelter there in Bhutan. We are pressing the Government to rehabilitate them and extend relief and rehabilitation to these people. Now,

★ Speech not Corrected

I want to know from the Revenue Minister whether any relief and rehabilitation has been given to these people. If not whether Government is taking measure to extend rehabilitation to these people. Sir, there has been a deliberate misleading answer. I wanted to know whether the Government is aware of the assurances given by the Chief Minister to BLP members to extend relief and rehabilitation to the Bodo people affected by Police action and riot victims of Gohpur during Bodo land movement? If so, what measures have the Government taken to that effect? How many of them have been rehabilitated by the Government so far? The Minister-in-charge Relief and Rehabilitation Dr. Ardhendu Kr. Dey has given certain replies to thees.

Now, Sir, I would like to say that no Bodoland movement victims have been given any amount of ex-gratia grant for relief and rehabilitation. The Minister has stated that Government have sanctioned ex-gratia grant of Rs. 25,000 being the 1st instalment against Rs. 1 lakh each. This is a crime against the Bodo people and the House to mislead in such a way.

★ শ্ৰীমুকুট শৰ্ম্মা (ৰাজহ মন্ত্ৰী): অধ্যক্ষ মহোদয়, মই নিজেই কনফিউজ্ড হৈছো। মই যিখিনি পাৰিছো উত্তৰ দিছো। কিন্তু কথা হ'ল প্ৰশ্ন আছিল আমগুৰিৰ। কিন্তু এতিয়া গোটেই অসম ঘুৰি ফুৰিছে।

---

★ Speech not Corrected

অধ্যক্ষ মহোদয়, যি অঞ্চলত জুই লাগে তাৰ ডি, চি সকলক সুনির্দ্দিষ্ট নির্দ্দেশ দিয়া আছে। ৰেভিনিউ মেনুৱেল মতে তেখেত সকলে সাহায্য দিব পাৰে। মই ভাবো নিশ্চয় সাহায্য পাইছে আৰু যদি কোনো ঠাইৰ খবৰ আহে নিশ্চয় ব্যৱস্থা কৰিম। মাননীয় সদস্য পৰমেশ্বৰ ব্ৰহ্মৰ কথাটো ৰাজহ বিভাগৰ উত্তৰ নহয়। এইটোৰ কাৰণে এটা সুকীয়া বিভাগ আছে। সেইটো হ'ল সাহায্য আৰু পুনৰ সংস্থাপন মন্ত্ৰালয় আৰু তাৰ মন্ত্ৰী হৈছে ডাঃ অর্ধেন্দু দে। ৰাজহ বিভাগে মাত্ৰ প্ৰাকৃতিক দুৰ্য্যোগৰ সম্পৰ্কে সাহায্য বিতৰণ কৰে। তেখেতে যিটো গহপুৰৰ কথা কৈছে সেইটো গুৰুত্বপূর্ণ। কিন্তু বিভাগটো ডাঃ অর্ধেন্দু দেৰ।

★ শ্ৰীচিত্তৰঞ্জন পাটোৱাৰী : মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে ৫০০ টকা আৰু ২০০ টকা দিয়াৰ কথা কৈছে। গুৱাহাটী আৰু অন্যান্য চহৰতো এনেকুৱা জুই জ্বলিয়ে আছে। অথচ ৰিলিফ মেনুৱেলখন বহুত পুৰণি। গতিকে ৰিলিফ মেনুৱেলখন সংশোধন কৰাৰ কাৰণে মন্ত্ৰী মহোদয়ে কিবা ব্যৱস্থা কৰিবনে ?

★ শ্ৰীমুকুট শৰ্ম্মা (ৰাজহ মন্ত্ৰী) : অধ্যক্ষ মহোদয়, এইটো হয়। ৰিলিফ মেনুৱেলখন বহুত পুৰণি। আমাৰ ৰাজহ আইনখনো ১৮৮৬ চনৰ। যিহেতুকে ধনৰ যথেষ্ট অভাৱ আছে সেই কাৰণে আমি চিন্তা কৰি আছো। কিয়নো সংশোধন কৰিব গলেই ধন লাগিব। তথাপিতো কেনেকৈ ধন বঢ়াব পাৰি পৰীক্ষা কৰি চাম।

Mr. Speaker : Starred Question No. 207.

**Re : Jamuna irrigation Projcet.**

Sri Babu Rangpi asked :

★ 207. Will the Minister of Irrigation be pleased to state :

---

★ Speech not Corrected

(a) The estimated amount of Jamuna Irrigation project of Karbi Anglong ?

(b) How much Agricultural land is Irrigated in Karbi-Anglong from this project ?

(c) Whether fund was alloated from scheduled area or General area for the said project ?

Shri Zehirul Islam ( Minister ) replied :

(a) Esstt. amount of Jamuna Irrigation project is Rs. 434·00 lakhs.

(b) 3450 hect. Agricultural land is irrigated in the Karbi Anglong District.

(c) Fand was allocated from the plan allocation for general area.

★ শ্ৰীবাবু ৰংপী : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে কৈছে যে গোটেই কাৰ্বি আংলং জিলাত এই আঁচনিৰ পৰা ৩৪৫০ হেক্টৰ মাটি জলসিঞ্চিত কৰা হৈছে। মোৰ বোধেৰে তেখেতৰ উত্তৰটো স্পষ্ট হোৱা নাই। এই প্ৰকল্পটোৰ জৰিয়তে ২/৩ খন গাওঁ অঞ্চলকে কভাৰ কৰা নাই। গতিকে মোৰ প্ৰশ্ন হৈছে এই যমুনা আঁচনিটোৰ পৰা হাওৰাঘাট বকলিয়া আদি আৰু বেছি ঠাই কভাৰ হোৱাকৈ এটা নতুন কেনেল কৰাৰ ব্যৱস্থা চৰকাৰে অতি সোনকালে কৰিব নে ?

★ শ্ৰীজেহিৰুল ইচলাম ( জলসিঞ্চন মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, মই মোৰ প্ৰশ্নৰ উত্তৰত আগতে কৈছো যে এই যমুনা প্ৰকল্পৰ পৰা কাৰ্বি আংলং জিলাত ৩৪৫০ হেক্টৰ মাটি জলসিঞ্চিত কৰা হৈছে : Sir, to cover an additional area of 425 hect. by lifting water by electrically driven pumps from the main cannal of

---

★ Speech not Corrected

Jamuna Irrigation scheme in villages Nam-Bakulia (pt.) Temikhula (pt.) Rajapathar and Mangalsingh in Karbi-Anglong district at an estimated cost of Rs. 26,32,400/- lift schemes were taken up.

★ শ্ৰীবাবু ৰংপী : অধ্যক্ষ মহোদয়, মই আগতে কৈছো যে মন্ত্ৰী মহোদয়ৰ উত্তৰত আমি সন্তুষ্ট হৰ পৰা নাই, আমি ভাবে লোক তাতেই থাকো গতিকে আমাৰ প্ৰেকটিকেল অভিজ্ঞতা আছে। বৰ্ত্তমানৰ যিটো কমাণ্ড এৰিয়া আছে সেই কমাণ্ড এৰিয়া মতে আচল ঠাইবিলাক কভাৰ কৰা নাই। গতিকে আচনিটোৰ সম্প্ৰসাৰন ঘটাই ৰকলিয়া, হাওৰাঘাট সামৰি লোৱাকৈ এটা নতুন কেনেল কৰাৰ ব্যৱস্থা কৰিব নেকি ?

শ্ৰীজেহিৰুল ইচলাম ( মন্ত্ৰী ) : চৰকাৰে বিবেচনা কৰিব।

★ Shri Holiram Terang : Mr. Speaker Sir, the point is that the Jamuna Irrigation Project is a big project and it has been fed by Rahul water taken from Karbi Anglong district. Except one or two cases the whole area has been irrigation by the water flowing from Karbi-Anglong district. In view of this, we are not interested in benefitting the Karbi-Anglong District alone out of the water coming through the district, but we are interested in having a good scheme if not a major one for the benefit of the entire area. So, will the Govrenment take a new scheme for this purpose ?

★ Shri Zehirul Islam ( Minister ) : Sir, if the fund is available we will certainly consider this proposal.

★ Speech not Corrceted

★ Shri Haliram Terang : Sir, we know about the financial position. But within the limited resources available in the Deptto will the Government do it ?

★ Shri Zehirul Islam ( Minister ) : Sir, we will consider it.

★ শ্ৰীমনসিং ৰংপী : মোৰ প্ৰশ্নটো হৈছে য'ত এই আচনিটো বহুৱাইছে সেইটো দাম্প এৰিয়া, চাবমাৰ্জ হৈ থাকে আৰু তাৰ পৰা যিবিলাক কেনেল আহিছে তাৰ পৰা বেনিফিটেড হয় গোটেই নগাওঁ জিলাৰ লংকা হোজাই মুৰাঝাৰ অঞ্চল। আমাৰ প্ৰশ্ন হ'ল কাৰ্বিআংলং জিলাই পানী দিয়ে কিন্তু তাৰ লাভ খায় নগাওঁ জিলাই-নগাওঁ জিলাই পোৱাত আমি বেয়া পোৱা নাই কিন্তু এই বিলাক কাৰণেই আজি তেওঁলোকে অটোনোমি বিছাৰিছে। That is why people are demanding Autonomous district আমাৰ ৰিচোৰ্চ আছে সেই ৰিচোৰ্চৰ ভাগ আমাক কিছু হলেও দিয়ক — within the limited resources available it can be done. গভিকে নতুন এটা কেনেল কৰাৰ ব্যৱস্থা কৰিব নেকি ?

★ শ্ৰীজেহিৰুল ইছলাম ( মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, এই আচনিটো আজিৰ নহয়, ১৯৬২ চনত কৰা আচনি, গতিকে পুৰণা আচনি। মাননীয় সদস্যই কৈছে যে আচনিটো য'ৰ পৰা আহিছে সেই হিচাবে লাভবান হৈছে বেছিকৈ বাহিৰৰ ঠাই। এইটো এই আচনিৰ ক্ষেত্ৰতে নহয় বহুত ক্ষেত্ৰত ঘটিছে মই সদস্য গৰাকীৰ লগত একমত। সেই কাৰণে ৰিচেণ্টমেণ্ট হোৱাটো স্বাভাৱিক। ভবিষ্যতে এই কথাটো মনত ৰাখি আচনি লোৱা হব।

★ শ্ৰীহলিৰাম টেৰাং : অধ্যক্ষ মহোদয়, এইটো সচা কথা কাৰ্বি আংলঙৰ পৰা ওৱাটাৰ চোৰ্চ লৈছে কিন্তু তাৰ মাটিবিলাক শুকাই আছে।

★ Speech not Corrceted

পাহাৰত মানুহক জুম খেতি কৰাত বাধা দিছো, ভৈয়ামত অর্থাৎ নামনিত খেতি কৰিবলৈ কোৱা হৈছে কিন্তু য'ত খেতি কৰিব লাগে সেইবিলাক নাই। গতিকে নতুন কিবা ব্যৱস্থা সোনকালেই লব নে ?

★ শ্ৰীজেহিৰুল ইছলাম ( মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, আচলতে টকা পইছাই হৈছে মূল কথা, টকা পইছা পালে নিশ্চয় ব্যৱস্থা কৰা হব। এই অঞ্চল সমূহলৈ মই অৰণ্যে যাব পৰা নাই বিধান সভাৰ পাছতে সেই অঞ্চল পৰিভ্ৰমণ কৰি যথোচিত ব্যৱস্থা লম।

বিষয় : নৈৰ গৰাখহনীয়াৰ ফলত গৃহহীন পৰিয়ালৰ সংখ্যা।

শ্ৰীভূপেন ৰায়ে সুধিছে :

★ ২০৮। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) অভয়াপুৰী উত্তৰ সমষ্টিৰ আই, মানাহ, পকালাগা, ভুলালী আদি নৈৰ গৰাখহনীয়াৰ ফলত গৃহহীন হোৱা পৰিয়ালৰ উক্ত লোকবোৰক সংস্থাপন দিয়াৰ কি ব্যৱস্থা হাতত লোৱা হৈছে ?

(খ) কিমান দিনৰ ভিতৰত সংস্থাপন কৰিব বুলি চৰকাৰে সিদ্ধান্ত লৈছে।

শ্ৰীমুকুট শৰ্ম্মা ( মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) গড়াখহনীয়াত গৃহহীন হোৱা পৰিয়াল বোৰক সংস্থাপন দিয়াৰ ব্যৱস্থা লোৱা হব।

(খ) উক্ত লোক সকলক সোনকালে সংস্থাপন কৰাৰ ব্যৱস্থা লোৱা হব। পুণৰ সংস্থাপনৰ প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছে।

★ শ্ৰীভূপেন ৰায় : মন্ত্ৰী মহোদয়ে ব্যৱস্থা লোৱা হব বুলি কৈছে, ব্যৱস্থা কেতিয়া লোৱা হব ?

★ শ্ৰীমুকুট শৰ্ম্মা ( ৰাজহ মন্ত্ৰী ) : ইতিমধ্যে নিৰ্দ্দেশ দিয়া হৈছে, সোনকালে হব।

★ শ্ৰীভূপেন ৰায় : এতিয়ালৈকে কিমান পৰিয়াল ক্ষতিগ্ৰস্থ হৈছে মন্ত্ৰী

★ Speech not Corrected

মহোদয়ে জনাব নে ?

★ শ্ৰীযুকুট শৰ্ম্মা ( ৰাজহ মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, সেই হিচাবটো মোৰ হাতত নাই, হিচাবটো আনি মই মাননীয় সদস্য গৰাকীক জনাব পাৰিম।

★ শ্ৰীমতী প্ৰমিলা ব্ৰহ্ম : অধ্যক্ষ মহোদয়, কোকৰাঝাৰ জিলাত সংকোচ নদী, সৰলভাঙ্গা আইন নদী আৰু ব্ৰহ্মপুত্ৰৰ সুতি ভালুকদৰা আদি নদীয়ে গড়াখহনীয়াৰ সৃষ্টি কৰি জনজাতীয় লোক সকলক ক্ষতিগ্ৰস্থ কৰিছে আৰু বহুত পৰিয়ালক খহাই লৈ গৈছে। ঘৰবাৰী নোহোৱা এই পৰিয়াল সমূহক সংস্থাপনৰ কি ব্যৱস্থা লৈছে মন্ত্ৰী মহোদয়ে জনাব নে ?

★ শ্ৰীমুকুট শৰ্ম্মা ( ৰাজহ মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, এই প্ৰশ্নটো আছিল অভয়াপুৰীক লৈ। এতিয়া মাননীয় সদস্যা গৰাকীয়ে সুধিছে যেতিয়া মই উত্তৰ দিছো ইতিমধ্যে আমি জিলাৰ উপায়ুক্ত সকলক নিৰ্দ্দেশ দিছো গড়াখহনীয়াৰ ক্ষতিগ্ৰস্থ পৰিয়ালক সংস্থাপন দিবৰ কাৰণে। বিষয়টো তদন্ত কৰি ব্যৱস্থা লোৱা হব।

( Starred Question Nos 209 to 220 Could not be taken up for disposal as the Question Hour was over However the replies of the said Questions deemed to have been laid on the table as follows )

**Re : Puthimari Irrigation project :**

Shri Derhagra Mochahary asked :

★ 209. Will the Minister of Irrigation be pleased to state :

(a) The present position of Puthimari Irrigation project ?

(b) Whether it is a fact that the said profect has been abandoned ?

---

★ Speech not Corrected

(c) If so, why ?

Shri Zehirul Islam ( Minister ) replied :

(a) Proposal for Puthimari project was submitted during the 7th plan, but no new Major/Medium project was taken up during 7th plan period.

(b) The project is not abandoned.

(c) Does not arise.

**Re : Irrigation Scheme.**

Shri Samarendra Nath Sen asked :

★ 210. Will the Minister of Irrigation be pleased to state :

(a) How many Irrigation schemes have been taken up by the Government in Cachar District during the year 1990-91 ?

(b) Whether all the previous Irrigation projects in Cachar District are running ?

(c) If not why and the steps taken by the Government to repair these projects ?

Shri Zehirul Islam ( Minister ) replied :

(a) No new Irrigation scheme has been taken up in Cachar District during the year 1990-91.

(b) No Out of the 3 nos of completed schemes taken up previously only 1 is running.

(c) The other two completed schemes are not funotioning due to non-availability of transformer

and high tension line. Addl. Chief Engineer A. S. E. B. Haflong is being persuaded for replacement of transformer and the H. T. line. Fund for H. T. line has recently been provided by D. C. Cachar from untied fund to draw H. T. line at Kaptanpur.

**বিষয় : ধনশিৰি জলসিঞ্চন প্ৰকল্প ।**

ডাঃ কৃষ্ণ কান্ত লহকৰে সুধিছে :

★ ২১১। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে :

(ক) প্ৰায় ১৬.০০ কোটি টকাৰ ধনশিৰি জলসিঞ্চন প্ৰকল্পৰ প্ৰশাসনীয় অনুমোদন ১৯৭৬-৭৭ চনত পোৱাৰ পিছত আজিলৈকে অৰ্থাৎ ১৫ বছৰৰ পিছতো আঁচনি সম্পূৰ্ণ কৰি খেতিত পানী যোগান ধৰাত ব্যৰ্থ হোৱাৰ কাৰণ সমূহ কি ?

(খ) এইটো সঁচানে যে যোৱা ১০ বছৰ ধৰি ৰাজ্য চৰকাৰে অৰুনাচল প্ৰদেশ চৰকাৰৰ লগত পোনপটীয়া ভাৱে বা কেন্দ্ৰীয় চৰকাৰৰ সহযোগত কাৰ্য্যকৰী মীমাংসাত উপনীত হবলৈ ব্যৰ্থ হোৱাৰ ফলত ঘাই বান্ধৰ অংশ বিশেষ আজিও অসম্পূৰ্ণ হৈয়েই আছে ?

(গ) কিছুমান দুস্কৃতিকাৰীৰ সন্ত্ৰাস আৰু ভাবুকিৰ ফলত প্ৰকল্পৰ লগত জড়িত বিষয়া কৰ্ম্মচাৰী আৰু ঠিকাদাৰ সকলে সুচাৰুৰূপে কাম আগবঢ়াব নোৱাৰা প্ৰতিকুল পৰিস্থিতিৰ বিষয়ে চৰকাৰে জানেনে ?

(ঘ) যদি জানে তেতিয়াহলে সংশ্লিষ্ট সকলৰ সুৰক্ষাৰ বাবে কি কি ব্যৱস্থা লোৱা হৈছে ?

(ঙ) প্ৰকল্পৰ লক্ষ্য ৬৯,০০০ হেক্টৰ উপলব্ধিৰ বাবে ১৯৯২-৯৩ চনৰ পৰা আৰম্ভ কৰি কেনে ধৰণৰ পৰিকল্পনা কৰা হৈছে আৰু ৮ম পৰিকল্পনাত ইয়াৰ বাবে কিমান ধন ধাৰ্য্য কৰা হৈছে ?

শ্ৰীজেহিৰুল ইছলাম ( মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) আঁচনিখন সম্পূৰ্ণ নোহোৱাৰ মূল কাৰণ সমূহ :

(১) ধনশিৰি জলসিঞ্চন প্ৰকল্পৰ প্ৰশাসনীয় অনুমোদন ১৯৭৬-৭৭ চনত পালেও মূল বান্ধৰ অনুমোদিত ৰূপান্তকৰণ, টকা আদি কেন্দ্ৰীয় জল আয়োগ ( Contral Water Commission ) দিল্লীৰ পৰা ১৯৭৯ চনত হে পোৱা হৈছিল আৰু তাৰ পিছতেই মুখ্য বান্ধৰ কাম আৰম্ভ কৰা হয়, কিন্তু কামৰ অগ্ৰগতি সন্তোষজনক নোহোৱাত প্ৰথম ঠিকাদাৰৰ পৰা কামটো নাকচ কৰি ১৯৮৩ চনৰ ডিচেম্বৰ মাহত ২য় জন ঠিকাদাৰক কামটো দিয়া হয়।

(২) ১৯৭৯, ১৯৮৪, ১৯৮৬ আৰু ১৯৮৯ চনত ধনশিৰি নদীৰ অভুৰ্তপূৰ্ব বানপানীৰ ফলত প্ৰকল্পৰ কামৰ অগ্ৰগতিত প্ৰবল বাধাৰ সৃষ্টি হয়।

(৩) ১৯৭৯ চনৰ নবেম্বৰ মাহৰ পৰা আৰম্ভ হোৱা অসম আন্দোলন আৰু ১৯৮৮ চনৰ পৰা আৰম্ভ হোৱা বড়োলেণ্ড আন্দোলনৰ পৰিপ্ৰেক্ষিত হোৱা বন্ধ আদিৰ আৰু বৰ্ত্তমান চলি থকা অশান্ত পৰিস্থিতিৰ বাবে প্ৰকল্পৰ নিৰ্ম্মাণ কাৰ্য্য বাধাপ্ৰাপ্ত হয়।

(৪) ভূমি অধিগ্ৰহণত পলম।

(৫) চিমেণ্ট, লোহা আদি নিৰ্ম্মাণ সামগ্ৰী সময়মতে নোপোৱাৰ বাবে বিশেষকৈ প্ৰাৰম্ভিক অৱস্থাত।

(৬) আন্তৰাষ্ট্ৰীয় আৰু আন্তৰাজ্যিক সীমা সমস্যা।

(খ) সচা নহয়। ইয়াৰ কাৰণে ঘাই বান্ধৰ নিৰ্ম্মাণ কাৰ্য্যত কোনো বাধা প্ৰাপ্ত হোৱা নাই।

(গ) হয়, জানে।

(ঘ) অসামৰিক কতৃপক্ষক সময়ে সময়ে উক্ত বিষয় সংক্ৰান্তত অৱগত কৰা হৈছে আৰু ইয়াৰ পৰিপ্ৰেক্ষিতত মূল বান্ধৰ ওচৰত অস্থায়ীভাৱে আৰক্ষী পহৰাৰ ব্যৱস্থা কৰিছিল। কিন্তু এতিয়া সেই ব্যৱস্থা নাই।

(ঙ) ১৯৯২-৯৩ চনৰ পৰা সংশোধিত পৰিকল্পনা মতে প্ৰকল্পটো অষ্টম পৰিকল্পনাৰ

ভিতৰত সম্পূৰ্ণ কৰিব পৰাকৈ স্থিৰ কৰা হৈছে। বৰ্ত্তমানলৈকে অষ্টম পৰিকল্পনাত ধাৰ্য্য কৰা ধনৰ পৰিমাণ কেন্দ্ৰীয় চৰকাৰৰ পৰা জানিব পৰা নাই।

বিষয় ঃ পুনৰ সংস্থাপন।

শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতায়ে সুধিছে :

★ ২১২। মাননীয় সাহাৰ্য্য আৰু পুনৰ সংস্থাপন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) পশ্চিম গুৱাহাটী সমষ্টিত হৈ যোৱা বানপানীত কিমানটা ক্ষতিগ্ৰস্থ পৰিয়ালক পুণৰ সংস্থাপনৰ বাবে আৰ্থিক অনুদান দিয়া হৈছে ?

(খ) উল্লেখিত ক্ষতিগ্ৰস্থ পৰিয়ালক কিমানকৈ টকা দিয়া হৈছে ?

শ্ৰীমুকুট শৰ্ম্মা (মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) ১৯৪৫ টা পৰিয়ালক পুণৰ সংস্থাপনৰ বাবে আৰ্থিক মঞ্জুৰী দিয়া হৈছে।

(খ) প্ৰত্যেককে ২০০ (দু'শ) টকাকৈ মঞ্জুৰী দিয়া হৈছে।

বিষয় ঃ জলসিঞ্চন আঁচনি।

শ্ৰীভৰত চন্দ্ৰ নৰহে সুধিছে :

★ ২১৩। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ঢকুৱাখানা মহকুমাৰ অধীনত উত্তোলিত জলসিঞ্চন আঁচনিৰ সংখ্যা কিমান ?

(খ) উক্ত আঁচনি বোৰৰ নাম কি কি ?

(গ) আঁচনিবোৰৰ ভিতৰত কাৰ্য্যক্ষম আৰু অকাৰ্য্যক্ষম আঁচনিৰ সংখ্যা কিমান ?

শ্ৰী.জহিৰুল ইছলাম (মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) ৩টা সম্পূৰ্ণ আৰু ৮টা চলি থকা আঁচনি আছে।

(খ) উত্তোলিত আঁচনি সমূহৰ নাম :

সম্পূৰ্ণ আঁচনি :

১। জালভাৰি উত্তোলিত জলসিঞ্চন আঁচনি।

২। ডাঙধৰা ” ” ”

৩। সোনাৰী চাপৰি " " "

চলি থকা আঁচনি :

১। চাৰিকুৰিয়া " " "

২। চাৰিকুৰিয়া ( বাওপাৰ ) " " "

৩। পুঠিখাইতি উত্তোলিত " "

৪। ভগামুখ " " "

৫। ঠেকেৰাগুৰি " " "

৬। ডিমৰুগুৰি ডাঙধৰা " " "

৭। আমবাৰী উত্তোলিত " "

৮। বিলমুখ পাতিৰ " " "

(গ) সম্পূৰ্ণ হোৱা তিনিখন আঁচনি যন্ত্ৰ পাতিবোৰ কাৰ্য্যক্ষম হৈ থাকিলেও বানপানীত নলাবোৰ ঠায়ে ঠায়ে ছিঙি যোৱাৰ বাবে আঁচনিবোৰ সম্পূৰ্ণ কাৰ্য্যক্ষম অৱস্থাত নাই।

**Re : Land Survey.**

Shri Monsing Rongpi asked :

★ 214. Will the Minister, Revenue be pleased to state :

(a) When the land Survey will be completed in Assam ?

(b) What is the Government plan & programme of the Government for giving land pattas to STs and other indegenous people ?

Shri Mukut Sarma ( Minister ) replied :

(a) Target-years for completion of present re-settlement operations in the districts of Assam are as follows :

| District or town | Year |
|---|---|
| 1) Cachar and Hailakandi | 1996. |

2) Karimganj 1992.
3) Goalpara 1996.
4) Dhubri & Kokrajhar 1995.
5) Greater Guwahati
( Excluding Old Municipality ) 1996.

The Survey and Settlement of the hill districts are done under the authority of the respective District Councils.

(b) Special provision has been inserted in Land Policy, 1989 vide para 16 for allotment / settlement of land in rural and urvan areas to eligible persons belonging to STs and other indegeneous ( S. Cs ) persons.

বিষয় : জলসিঞ্চন আঁচনি ।

শ্ৰীজীউৰাম বড়োৱে সুধিছে :

★ ২১৫। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) কলাইগাওঁ সমষ্টিত কুহিয়াৰকুছি হুডুমা নামেৰে জলসিঞ্চন আঁচনি গ্ৰহণ কৰা কথাটো সঁচা নেকি ?

(খ) যদি সঁচা হয় কিমান টকাৰ আঁচনি গ্ৰহণ কৰিছে আৰু নিৰ্মাণ কাৰ্য্য কেতিয়াৰ পৰা আৰম্ভ কৰিব ?

শ্ৰীজেহিৰুল ইচলাম ( মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) সঁচা ।

(খ) কুহিয়াৰ কুছি আঁচনিটোৰ বাবে ১৯৮৭ চনত প্ৰশাসনীয় অনুমোদন দিয়া হয় কিন্তু স্থানীয় আন্দোলনৰ কাৰণে কাম আৰম্ভ কৰিব পৰা নাছিল ইতিমধ্যে মূল্যবৃদ্ধি হোৱাত নতুনকৈ প্ৰাক্কলন বনোৱা হৈছে আৰু অনুমোদন পোৱাৰ পিছত কাম আৰম্ভ হব ।

বিষয় : চিলিং আইনত খাচ।

শ্ৰীনজমূল হকে সুধিছে :

★ মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) গোৱালপাৰা জিলাৰ লক্ষীপুৰ ৰাজহ চক্ৰৰ অন্তৰ্গত শিলাপানী গাওঁৰ মুঠ কিমান বিঘা মাটি চিলিং আইনত খাচ কৰি লোৱা হৈছে ?

(খ) উক্ত শিলাপানী ৰাজহ গাওঁত ১৩০ বছৰৰ পৰা স্থায়ী ভাবে ঘৰবাড়ী কৰি বসবাস কৰি থকা ৰায়তসকলৰ নামত স্থায়ী পট্টা আৰু মাটিৰ ফাইনাল ৰেকৰ্ডৰে সৈতে ভোগ দখল কৰি থকাৰ কথা চৰকাৰে জানেনে ?

(গ) যদি জানে উক্ত মাটি চিলিংৰ পৰা মুক্ত কৰি দি ভোগ দখল কৰি থকা ৰায়তৰ নামত স্থায়ী পট্টা দিয়াৰ ব্যৱস্থা কৰা হবনে ?

শ্ৰীমুকুট শৰ্ম্মা ( মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) ৭১২ বিঘা — ০ কঠা — ৩ লেচা ( সাতশবাৰ বিঘা তিনি লেচা )

(খ) ত্ৰিশ বছৰৰ পৰা তাত থকা ৰায়তৰ বিষয়ে জানে।

(গ) হ'ব।

**Re : IRRIGATION SCHEMES.**

Shri Karendra Basumatary asked :

★ 217. Will the Minister of Irrigation be pleased to State :

(a) The number of On-going Schemes for Irrigation in Panery Constituency, Darrang ?

(b) when these will be completed ?

Shri Zehirul Islam ( Minister ) replied :

(a) 13 Nos On-going Irrigation Schemes at present.

(b) 8 Nos. by 1992-93.

5 Nos. by 1993-94.

**Re : SUBSIDY ON TRACTOR**

Shri Kamal Brahma asked :

★ 218. Will the Minister, Agriculture be pleased to state :

(a) Is it a fact that the subsidy for purchasing tractor has been reduced from 50% and if so why ?

(b) What measure would be taken to effect 50% subsidy on tractor purchase for Tribal farmers ?

(c) Whether subsidy on tractor plaughing has been stopped against the interest of farmers ?

Syeda Anwara Taimnr ( Minister ) replied :

(a) There is no provision of subsidy for purchasing Tractors so far as the Agriculture Department is concerned.

(b) There is no provision of fund in the current year for subsidy to the Tribal farmers in the T.S.P. Scheme for purchasing Tractor.

(c) No. There is scheme under T.S.P. with subsidy on Tractor plaughing for Tribal farmers.

**বিষয় ঃ শ্ৰমিকৰ নিম্নতম মজুৰী ।**

শ্ৰীৰামেশ্বৰ ধানোৱাৰে সুধিছে :

★ ২১৯। মাননীয় শ্ৰম বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) -অসমৰ ব্যক্তিগত মালিকানাৰ প্লাইবোৰ্ড ফেক্টৰীবোৰত কাম কৰা শ্ৰমিক সকলৰ ন্যূনতম মজুৰী কিমান ?

(খ) ন্যূনতম মজুৰীৰ বাবে গুৱাহাটী উচ্চ ন্যায়ালয়ে দিয়া নিৰ্দ্দেশ অনুসৰি

চৰকাৰে ন্যূনতম মজুৰী ব্যক্তিগত ফেক্টৰীবোৰত প্ৰয়োগ কৰিবলৈ কেনে ব্যৱস্থা গ্ৰহন কৰিছে ?

(গ) মৰগীয়া ৰানচ এই শ্ৰমিক সকলক কিমানকৈ দিয়া হয় ?

শ্ৰীদিলেশ্বৰ তাঁতী ( মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) অসমত থকা প্লাইউদ উদ্যোগত নিয়োজিত শ্ৰমিকৰ ন্যূনতম মজুৰী ১৯৮৯ আৰু ৬ জানুৱাৰী তাৰিখত জি, এল, আৰ ২৫৯/৭৪/৩৪১ মতে এনেধৰণে ধাৰ্য্য কৰা হয় যথা,

| শ্ৰমিকৰ শ্ৰেনী | দৈনিক নিৰিখ | মাহিলী নিৰিখ |
|---|---|---|
| ১/ দক্ষ ( SKILLED ) | ২৬·০০ টকা | ৭৮০·০০ টকা |
| ২/ অৰ্দ্ধ দক্ষ ( SEMI SKILLED | ২৫·০০ টকা | ৭৫০·০০ টকা |
| ৩/ অদক্ষ ( UNSKILLED ) | ২৪·০০ টকা | ৭২০·০০ টকা |

উক্ত নিৰিখ শ্ৰমিকে পাই থকা প্ৰচলিত সা-সুবিধাৰ (CONCESSIONS) ওপৰঞ্চি V. D. A. ১·২৫ পইচা হিচাবত অধিকতম বছৰে ৩০ পইন্ট গ্ৰাহকৰ মূল্যসূচীৰ বৰ্দ্ধন মতে পাব।

এই নিৰিখ ১৯৮৯ চনৰ ৬ জানুৱাৰীৰ পৰা প্ৰযোজ্য।

(খ) অসম চৰকাৰে প্লাইউদ উদ্যোগত প্ৰযোজ্য হোৱাকৈ জাৰী কৰা উক্ত অধীসূচনাত প্ৰতিবাদ কৰি প্লাইউদ মালিক পক্ষই গুৱাহাটী উচ্চন্যায়ালয়ে গোচৰ তৰে। মাননীয় উচ্চন্যায়ালয়ে ২১/২/৮৯ ৰ এটা অন্তৰ্ৱৰ্ত্তিকালীন আদেশ যোগে চুড়ান্ত বিচাৰ নিস্পত্তি নোহোৱা পৰ্য্যন্ত ১৯৮৮ ৰ ১৮ জুলাইৰ খচৰা অধীসূচনাৰ উল্লেখ থকামতে এনেধৰণৰ নিৰিখৰ আদেশ বাহাল ৰাখে—

দক্ষ শ্ৰমিকৰ বাবে দৈনিক—২১·০০ টকা

অৰ্দ্ধদক্ষ শ্ৰমিকৰ বাবে দৈনিক—২০·৯০ ,, আৰু

অদক্ষ শ্ৰমিকৰ বাবে দৈনিক—২০·৮০ ,,

ন্যায়লয়ৰ এই আদেশ কাৰ্য্যকৰী কৰিবৰ বাবে শ্ৰম আয়ুক্তৰ অধীনস্থ

সকলৰ ক্ষেত্ৰত বিষয়াক বিহিত নিৰ্দ্দেশ দিয়া হৈছে আৰু এই নিৰিখেই সদ্যহাতে ন্যূনতম মজুৰী হিচাবে পৰিগনিত।

(গ) যিহেতু ১৯৮৮ চনৰ ১৮ জুলাইৰ খচৰা অধীসূচনাৰ ন্যূনতম মজুৰীৰ নিৰিখ মাননীয়, ন্যায়ালয়ে বাহাল ৰাখিছে গতিকে অধীসূচনাত উল্লেখ থকা মতে বছৰি অধিকতম ৬০ পইণ্ট হিচাবত প্ৰতি মাহে প্ৰতি পইণ্টত গ্ৰাহক মূল্যসূচীৰ বৰ্দ্ধীত নিৰিখত ১.২৫ পইচা V.D.A. পাই থাকিব।

**বিষয় : ভূমিহীন লোকৰ সংস্থাপন।**

শ্ৰীপদ্মেশ্বৰ দলেই সুধিছে :

★ ২২০। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) মাজুলী মহকুমাৰ গড়াখহনীয়াত পতিত হোৱা ভূমিহীন লোকক পুনৰ সংস্থাপন কৰাৰ কাৰণে চৰকাৰে ব্যৱস্থা লৈছে নেকি ?

(খ) যদি লৈছে, তেন্তে কোন কোন ঠাইত পুনৰ সংস্থাপন কৰা হৈছে ?

শ্ৰীযুত মুকুট শৰ্ম্মা ( মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) হয়, লৈছে।

(খ) যোৱা কেইবছৰত মাজুলীৰ গড়াখহনীয়াত পতিত ভূমিহীন পৰিয়ালক এতিয়ালৈকে তিতাবৰ ডেকাগাওঁ তিনিকুনিয়া গ্ৰেজিং আৰু চকলানী পথাৰত পুনৰ সংস্থাপন দিয়া হৈছে।

**বিষয় : জলসিঞ্চনৰ ব্যৱস্থা।**

শ্ৰীহিতেশ্বৰ ডেকায়ে সুধিছে :

★ ২৯২। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) পুঠিমাৰী নদীৰ পৰা দাঁতিকাষৰীয়া পথাৰত জলসিঞ্চন ব্যৱস্থা কৰা হৈছে নেকি ?

(খ) যদি হৈছে এই আঁচনিত মুঠতে কিমান মাটি সামৰি লোৱা হৈছে ?

(গ) জলসিঞ্চনৰ এই আঁচনিত ব্যৱহৃত আটাই বোৰ যন্ত্ৰপাতি কাৰ্য্যক্ষম হৈ আছে নে ?

(ঘ) যদি নাই, কিমানটা যন্ত্র কেতিয়াৰ পৰা বিকল হৈ আছে ?

(ঙ) বিকল হৈ থকা যন্ত্ৰ-পাতি বোৰ কাৰ্য্যক্ষম কৰি তোলাৰ বাবে চৰকাৰে কি কাৰ্য্যব্যৱস্থা গ্ৰহণ কৰিছে ?

শ্ৰীজেহিৰুল ইচলাম ( মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) হৈছে ।

(খ) মুঠ ১১১৪ হেক্টৰ মাটি ।

(গ) মুঠ ৫৩ টা পাম্পৰ ভিতৰত ১টা পাম্পৰ কাৰ্য্যক্ষম হৈ থকা নাই ।

(ঘ) ১টা পাম্প কাৰ্য্যক্ষম হৈ থকা নাই । ১৯৮৪ চনৰ পৰা ।

(ঙ) মেৰামতি শিতানত প্ৰয়োজনীয় ধনৰ আৱণ্টন পালে কাৰ্য্যক্ষম কৰিব পৰা হব ।

## বিষয় : ৰবি শস্যৰ যোগান ।

শ্ৰীনিজামুদ্দিন খানে সুধিছে :

★ ২৯৩। মাননীয়, কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) যোৱা ৰবিশস্য ৰোৱা সময়ত খেতিয়কক ৰবিশস্যৰ বিধান যোগান ধৰা হৈছে নে ?

(খ) যদি হৈছে, কি কি বিধান যোগান ধৰা হৈছে ?

(গ) কোন বিধৰ কিমান বীজ দিয়া হৈছে ?

(ঘ) যোগান ধৰা বীজৰ বিতৰণ কাৰদ্বাৰা কৰা হৈছে ?

শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমূৰ ( মন্ত্ৰী য়ে উত্তৰ দিছে :

(ক) হৈছে ।

(খ) ঘেঁহু, মটৰ, সৰিয়হ, আলু, ৰাজমাহ, গূজিতিল, অট্‌, মাটিমাহ, তিল আৰু গমধান ।

(গ) (১) ঘেঁহু — ৩,১০৮৪·০১ কুইণ্টল ।

(২) মটৰ — ৭,৩৫১·৮৯ ,,

(৩) সৰিয়হ — ৩,৪৯৪·৭৩ ,,

(৪) আলু — ৩,২৪৮·৪০ ,,
(৫) ৰাজমাহ — ১,২০৮·২৬ ,,
(৬) গূজিতিল — ৩৮৯·২৩ ,,
(৭) অটু — ৮৩·০৮ ,,
(৮) মাটিমাহ — ১৯৯·৬০ ,,
(৯) তিল — ২·১০ ,,
(১০) গমধান — ১৭·৮৬ ,,

(ঘ) অসম বীজ নিগম, বীজ নিগমৰ এজেণ্ট আৰু গাওঁ পঞ্চায়ত সমবায় সমিতিৰ জৰীয়তে বিতৰণ কৰা হৈছে।

**Re : Setting up the Office of the Additional Director.**

Shri Mission Rn. Das asked :

★ 294. Will the Minister of Revenue be pleased to State :

(a) Is it a fact that the Government has received representation proposing for setting up of the office of the Additional Director of Land Requisition Acquisition and Reforms at Karimganj.

(b) If so, will the Government start the functioning of the Office there ?

Shri Mukut Sarma ( Minister ) replied :

(a) Yes.

(b) The matter is still under consideration of the Govt.

**Re : Minimum Wage of Tea Garden Labours.**

Shri Badri Narayan Singh asked :

★ 295. Will the Minister of Labour be pleased to state :

(a) Is there any differences in minimum Wages of Tea

Garden Labours in Brahmaputra valley and Barak Valley ?

(b) If so, what is the difference and will the Government take any concrete step to pay equal pay for equal work ?

Shri Dileswar Tanti ( Minister ) replied :

(a) Yes, Sir.

(b) The wage-rates fixed for different zones is given in the annexure.

The fixotion of different wage rates for different areas is in accordance with the provisions of the Minimum Wage Act, 1948. However, in fixing the minimum wage rates on the last occasion a total increase of Rs. 5.50 over the prevailing zonal wage rate has been ensured to each adult workers and all disparities in wages between male and female workers have been removed.

( See the Annexure—1

**Re : Relief to the Bodo people.**

Shri Parameswar Brahma asked :

★ 296. Will the Minister, Relief & Rehabilitation be pleased be State :

(a) Whether the Government is aware of the assurance given by the Chief Minister to B. L. P. members to extend relief and rehabilitation to the Bodo people

effected by Police action and riot victims of Gohpur during Bodo land movement ?

(b) If so, what measures have the Government taken to that effect ?

(c) How many of them have been rehabilitated by the Government so far ?

Dr. Ardhend Kumar Dey ( Minister ) replied :

(a) Government assured to the extend of ex-gratia grant of Rs. 1.00 lakh to the deceased victims in the state during the last 5 years in connection with Bodo land agitation.

(b) Government sanctioned ex-gratia grant @ Rs. 25,000/- being the 1st instalment against 1.00 lakh.

(c) Matter is under consideration of Government.

**Re : Issue of Salt permits.**

Shri Promode Gogoi asked :

297. Will the Minister of Food and Civil Supplies be pleased to State :

(a) Whether the Government have issued permits to firms/ persons to transport salt to different parts of Assam ?

(b) If so, whether any procedure was followed in selecting the firms/persons.

(c) Whether the Government is aware that serious allegations have been brought against the Concerned Deptt. on this issue ?

Dr. Ardhendu Kumar Dey ( Minister ) replied :

(a) Yes.

(b) Yes.

(c) Yes, some parties being aggrieved have filed cases in the Hon'ble Guwahati High Court.

বিষয় ঃ গৰাখহনীয়াক মাটি পট্টন।

শ্ৰীহেম প্ৰকাশ নাৰায়নে সুধিছে :

২৯৮। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) গৰাখহনীয়া কবলত সৰ্ব্বশ্ৰান্ত হৈ গোলাঘাট জিলাৰ অন্তৰ্গত দৈয়াং অঞ্চলটোত আজি ৩৫ বছৰে বসবাস কৰি অহা ভূমিহীন কৃষক পৰিয়াল সকলক সেই মাটিখিনি পট্টন নিদিয়াৰ কাৰণ কি ?

শ্ৰীমুকুট শৰ্ম্মা ( মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) গোলাঘাটৰ দৈয়াং বনাঞ্চলটো বন বিভাগৰ অধীনত। সংৰক্ষিত বনাঞ্চলৰ মাটি ৰাজহ বিভাগে পট্টন বা আবণ্টন দিয়াৰ অধিকাৰ নাই। দৈয়াং সংৰক্ষিত বনাঞ্চলত মাটি ভূমিহীন কৃষক পৰিয়ালক পট্টন দিব নোৱাৰাৰ এইটোৱে কাৰণ।

বিষয় ঃ বে-আইনী ভাবে বনাঞ্চল ধ্বংস।

শ্ৰীকুশল চাহুৱে সুধিছে :

২৯৯। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) চতিয়া সমষ্টিৰ নাগশঙ্কৰ মৌজাৰ ডিপলুঙা বন বিভাগৰ অন্তৰ্গত বিভিন্ন জিলাৰ পৰা যোৱা ১৯৮৫ চনৰ পিছত প্ৰায় ৫০০ ঘৰ জনজাতি আৰু অন্যান্য সম্প্ৰদায়ৰ লোক আহি বে-আইনী ভাৱে বনাঞ্চল কাটি মাটি দখল কৰাতো চৰকাৰ অৱগত নে ?

(খ) যদি অৱগত উক্ত লোক সকল প্ৰকৃত ভূমিহীন হয়নে নহয় তাৰ অনুসন্ধান চৰকাৰে কৰিবনে ?

(গ) উক্ত মাটি স্থানীয় ভূমিহীন লোকক দিয়াৰ ব্যৱস্থা চৰকাৰে কৰিবনে ?

শ্ৰীযুত মুকুট শৰ্ম্মা ( মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) চতিয়া সমষ্টিৰ নাগশঙ্কৰ মৌজাৰ ডিপলুঙা বন বিভাগৰ অন্তৰ্গত বন বিভাগৰ সংৰক্ষিত মাটিত অসমৰ বিভিন্ন জিলাৰ পৰা বহু সংখ্যক লোকে আহি বে-দখল কৰাৰ বিষয়ে সবিশেষ তথ্য দাখিল কৰিবলৈ শোণিতপুৰ জিলাৰ উপায়ুক্তক অনুৰোধ কৰা হৈছে। উপায়ুক্তৰ পৰা তদন্তৰ প্ৰতিবেদন এতিয়াও পোৱা নাই। প্ৰতিবেদন পোৱাৰ পিচতহে বে-দখল কাৰী সকলৰ সঠিক সংখ্যাৰ বিষয়ে জানিব পৰা হব।

(খ) বে-দখলকাৰী প্ৰকৃত ভূমিহীন হয় নে নহয় শোণিতপুৰ জিলাৰ উপায়ুক্তক তদন্ত কৰি প্ৰতিবেদন দিবলৈ কোৱা হৈছে।

(গ) উক্ত মাটি যিহেতু বন বিভাগৰ সংৰক্ষিত মাটি গতিকে স্থানীয় ভূমিহীন লোকক ৰাজহ বিভাগে পট্টন আৱণ্টন দিব নোৱাৰে।

**Re : LAND ADVISORY COMMITTEE**

Sri Dewan Joynal Abedin asked :

300. Will the Minister of Revenue and Land Reforms be pleased to state :

(a) The criterion for the formation of the Land Advisory Committees at the district Sub-Divisional Levels ?

(b) Whether Land Advisory Committee has been formed in South Salmara-Mankachar Sub-Division ?

(c) If so, who are the members ?

Shri Mukut Sarma ( Minister ) replied :

(a) Land Advisory Committee is constituted Sub-Division-wise comprising elected representatives of the people/ leading citizens of the area who, in the opinion of the

Government, can help the Government in the implementation of Land Policy.

(b) Yes.

(c) A copy of Notification containing the names of the members is placed on the Table of the House.

(See the Annexure--II)

বিষয় ঃ পথাৰ পৰিচালনা সমিতি ।

শ্ৰীএছাহক আলিয়ে সুধিছে :

৩০১। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰপেটা জিলাত পঞ্জীয়ন ভূক্ত পথাৰ পৰিচালনা সমিতিৰ সংখ্যা কিমান ?

(খ) ইয়াৰে কিমানটা সমিতিৰ নামত ট্ৰেক্টৰ যোগান ধৰা হৈছে ? (বৰপেটা জিলাৰ খণ্ড উন্নয়ণ ভিত্তিত পৰিসংখ্যা দিব)

(গ) ট্ৰেক্টৰ যোগান ধৰিবলৈ বাকী থকা সমিতি সমূহলৈ কেতিয়া ট্ৰেক্টৰ যোগান দিয়া হব ?

শ্ৰীমতী আনোৱাৰা টাইমূৰ (মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) ৫০০ খন ।

(খ) পথাৰ পৰিচালনা সমিতিত ট্ৰেক্টৰ যোগান ধৰা নহয় ।

(গ) প্ৰশ্ন নুঠে ।

বিষয় ঃ কলিয়াবৰ উত্তোলিত জলসিঞ্চন আঁচনি ।

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্তই সুধিছে :

৩০২। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) কলিয়াবৰ উত্তোলিত জলসিঞ্চন আঁচনিৰ কাম কিমান চনত আৰম্ভ কৰা হৈছিল আৰু এই আঁচনিৰ কাম (নিৰ্ম্মানৰ) সমাপ্ত কোন চনত হব ?

(খ) উক্ত আঁচনিৰ অধীনত কাম কৰি থকা বিষয়া আৰু কৰ্ম্মচাৰীৰ সংখ্যা কিমান ?

(গ) কিমান মাটিকালি উক্ত আঁচনিয়ে সামৰি লৈছে আৰু তাৰে কিমান অংশত প্ৰকৃততে পানী যোগান ধৰিব পৰা হৈছে ?

(ঘ) উক্ত আঁচনিত এতিয়ালৈকে কিমান টকা ব্যয় কৰা হৈছে আৰু ই সম্পূৰ্ণ হৈ উঠোতে কিমান টকাৰ প্ৰয়োজন হব ?

(ঙ) উক্ত আঁচনিৰ কাম পৰিচালনা কৰিবৰ বাবে ১৯৮০-৮১, ১৯৮১-৮২, ১৯৮২-৮৩, ১৯৮৩-৮৪, ১৯৮৪-৮৫, ১৯৮৫-৮৬, ১৯৮৬-৮৭, ১৯৮৭-৮৮, ১৯৮৮-৮৯, ১৯৮৯-৯০, ১৯৯০-৯১, ১৯৯১-৯২ বিত্তীয় বছৰত কিমান ধন আবণ্টন দিয়া হ'ল ?

শ্ৰীজেহিৰুল ইচলাম ( মন্ত্ৰী ) য়ে উত্তৰ দিছেঃ

(ক) ১৯৭৪ চনত প্ৰকল্পৰ কাম আৰম্ভ হৈছিল আৰু ১৯৯১ চনৰ মাৰ্চ্চ মাহত প্ৰকল্পৰ মূল কাম সমাপ্ত হয়।

(খ) বিষয়া ২২ জন আৰু কৰ্ম্মচাৰী ৬৯ জন।

(গ) এই আঁচনিৰ দ্বাৰা ৮৪৮০ হেক্টৰ মাটি সামৰি লোৱা হৈছিল আৰু ৭৫০০ হেক্টৰ মাটিত পানী যোগান ধৰা হৈছে।

(ঘ) উক্ত আঁচনিত নিৰ্ম্মানৰ খৰছ ১৯৯১ চনৰ মাৰ্চ্চ মাহলৈকে ৮৭১.৪৯ লাখ টকা Liability পৰিশোধ কৰাৰ কাৰণে আৰু লাখ টকাৰ প্ৰয়োজন হব

(ঙ) ধন আবণ্টনৰ হিচাব তলত দেখুৱা হ'ল :

| | | | |
|---|---|---|---|
| ১। | ১৯৮০-৮১ | — | ১৬.৭৫ লাখ |
| ২। | ১৯৮১-৮২ | — | ১৮.৬৪ লাখ |
| ৩। | ১৯৮২-৮৩ | — | ১৩.১০ লাখ |
| ৪। | ১৯৮৩-৮৪ | — | ৪০.৩৬ লাখ |
| ৫। | ১৯৮৪-৮৫ | — | ১০৭.১২ লাখ |
| ৬ | ১৯৮৫-৮৬ | — | ৭১.৫৬ লাখ |
| ৭। | ১৯৮৬-৮৭ | — | ৫০.২১ লাখ |

| | | | |
|---|---|---|---|
| ৮। | ১৯৮৭ ৮৮ | — | ৬৯·৬৫ লাখ |
| ৯। | ১৯৮৮ ৮৯ | — | ১০৫·১২ লাখ |
| ১০। | ১৯৮৯-৯০ | — | ১২·৪৯ লাখ |
| ১১। | ১৯৯০-৯১ | — | ৪৬·৮৫ লাখ |
| ১২। | ১৯৯১-৯২ | — | নাই। |

**বিষয় ঃ বৰমনহা পানী যোগান আঁচনি।**

শ্ৰীবুবুল দাসে সুধিছে :

৩০৩। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) জাগীৰোড সমষ্টিৰ অন্তৰ্গত বৰমনহা পানী যোগান আঁচনিৰ কাম কেতিয়াকৈ সম্পূৰ্ণ হৈ উঠিব ?

(খ) এই আঁচনিৰ বাবে আবন্টিত ধনৰ কিমান শতাংশ খৰছ হ'ল ?

(গ) কি কি কাৰণত এই আঁচনিটো কাৰ্য্যক্ষম হৈ উঠা নাই এই বিষয়ে এটি তদন্ত কৰি এটি বাস্তব কাৰ্য্যব্যৱস্থাৰে আঁচনিটো চলিত বছৰতে কাৰ্য্যক্ষম কৰি তুলিবনে ?

শ্ৰীজেহিৰুল ইচলাম ( মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) জাগীৰোড সমষ্টিৰ অন্তৰ্গত বৰমনহা জলসিঞ্চন আঁচনিৰ কাম আৱশ্যকীয় ধনৰ আৱন্টন পালে ১৯৯২-৯৩ চনত সম্পূৰ্ণ কৰাৰ লক্ষ্য ধাৰ্য্য কৰা হৈছে।

(খ) এই আঁচনিৰ বাবে আবন্টিত ধনৰ বিপৰীতে ফেব্ৰুৱাৰী '৯২ লৈকে মুঠ ৮৮·৪০ শতাংশ ধন খৰছ হৈছে।

(গ) আঁচনিখনৰ কাম ১৯৯২-৯৩ চনত সম্পূৰ্ণ হলেহে কাৰ্য্যক্ষম হোৱাৰ কথা আৰু আৱশ্যকীয় ধনৰ আৱন্টন পালে আঁচনিখন নিৰ্দ্ধাৰিত সময়ৰ ভিতৰতে সম্পূৰ্ণ কৰিব পৰা হব বুলি আশা কৰা হৈছে।

**বিষয় ঃ স্থায়ী মৌজাদাৰ।**

শ্ৰীহিতেশ্বৰ ডেকাই সুধিছে :

৩০৪। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) কৰৰা মৌজাখনৰ পৰিচালনাৰ ভাৰ বৰ্তমান কাৰ ওপৰত ন্যস্ত কৰা হৈছে ?
(খ) উক্ত ব্যক্তি গৰাকী কৰৰা মৌজাৰ অন্তৰ্গত হয়নে ?
(গ) উক্ত ব্যক্তি গৰাকীক "স্থায়ী" মৌজাদাৰ হিচাপে নিযুক্তি দিয়া হৈছে নেকি ?
(ঘ) যদি হোৱা নাই, কৰৰা মৌজাৰ অন্তৰ্গত কোনো ব্যক্তিক উক্ত মৌজাৰ মৌজাদাৰ হিচাপে কেতিয়া নিযুক্তি দিয়া হব ?

শ্ৰীমুকুট শৰ্ম্মা ( মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) কৰৰা মৌজাৰ পৰিচালনাৰ ভাৰ বৰ্তমান শ্ৰীতৰুণ চন্দ্ৰ চমুৱাৰ ওপৰত ন্যস্ত কৰা হৈছে।
(খ) উক্ত মৌজাদাৰ গৰাকী কৰৰা মৌজাৰ অন্তৰ্গত নহয়।
(গ) উক্ত ব্যক্তি জনক স্থায়ী ভাবে নিযুক্তি দিয়া হোৱা নাই।
(ঘ) যিহেতু উক্ত মৌজাদাৰ জনে প্ৰায় ৯ (ন) বছৰ ধৰি মৌজাৰ কাম চলাই আছে সেয়ে বৰ্তমান অৱস্থাত আন ব্যক্তিক নিযুক্তি দিয়াৰ ব্যৱস্থা লোৱা হোৱা নাই।

**Re : Fishery Schemes.**

Shri Karendra Basumatary asked :

305. Will the Minister of Fisheries be pleased to state :
(a) Whether any modern Fishery Schemes have been taken up in rural areas in the Annual Plan, 1992-93 ?

Shri Silvious Condpan ( Minister ) replied :

(a) Yes.

The existing Fish Farmer Develoment Agency Scheme has been provided in the Annual Plan 1992-93 with revised incentives and inclusion of more aspects for modern Fish Culture Technique.

বিষয় : বড়ো আন্দোলনত ক্ষয়ক্ষতি ।

শ্ৰীজীউৰাম বড়োৱে সুধিছে :

৩০৬। মাননীয় সাহায্য আৰু পুণৰ সংস্থাপন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ১৯৮৯ চনত বড়োলেণ্ড আন্দোলনৰ সময়ত ক্ষতিগ্ৰস্ত হোৱা লোক সকলক কি ধৰণে কিমান পৰিমাণে সাহায্য আৰু পুণৰ সংস্থাপন দিয়া হৈছে ?

(খ) উক্ত লোকসকলৰ ভিতৰত বড়োলোকৰ সংখ্যা কিমান ?

শ্ৰীমুকুট শৰ্ম্মা ( মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) } ওপৰত উল্লেখিত প্ৰশ্নৰ উত্তৰৰ বাবে সংশ্লিষ্ট উপায়ুক্তবোবৰ পৰা বিতং তথ্য-পাতি এতিয়ালৈকে পোৱা নাই ।
(খ) } উপযুক্ত বিতং তথ্যপাতি পোৱাৰ পিছত উত্তৰ দিয়া হব ।

**Re : Construction of F. C. I. Godown.**

Shri Mission Ranjan Das asked :

307. Will the Minister of Food and Civil Supplies be pleased to State :

(a) Whether the Government has received any representation demanding construction of F. C. I. Godown at Karimganj.

(b) If so, whether the Government has taken any step for the construction of F. C. I. Godown ?

(c) If so, when and if not why ?

Dr. Ardhendu Kr. Dey ( Minister ) replied :

(a) No.

(b) & (c) Does not arise.

বিষয় ঃ ঘেহুৰ বিধান যোগান।

শ্ৰীনিজামুদ্দিন খানে সুধিছে ঃ

৩০৮। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) যোৱা ৰবি শস্যৰ খেতিৰ সময়ত খেতিয়কক ঘেহুঁৰ বিধান যোগান ধৰা হৈছে নে ?

(খ) যদি হৈছে তাৰ পৰিমান কিমান ( জিলা ভিত্তিত জনাব ) ?

(গ) বৰপেটা জিলাত কি ভিত্তিত বিধান বিতৰণ কৰা হৈছে ? ( খণ্ড উন্নয়ন কাৰ্য্যালয় ভিত্তিত জনাবনে ) ?

(ঘ) বিতৰণ কাৰ্য্য কাৰ জৰিয়তে কৰা হৈছে ?

শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমুৰ (মন্ত্ৰী) যে উত্তৰ দিছে ঃ

(ক) হৈছে।

(খ) ৰবি শস্যৰ বতৰত মুঠ ৩১০৮৪'০১ কুইন্টল ঘেহুঁ বীজ বিতৰণ কৰা হৈছে। জিলা ভিত্তিত বিতৰণৰ পৰিমান ১ নং তালিকাত গাঠি দিয়া হ'ল।

( See the Annexure - III )

(গ) বৰপেটা জিলাত ঘেঁহুৰ বীজ ৰেহাই মূল্যত বিক্ৰী কৰাৰ উপৰিও বিনামূলীয়াকৈ প্ৰদৰ্শনমূলক মিনিকিট আচনি অনুসূচীত জাতি/জনজাতি আঁচনিৰ শিতানত প্ৰদৰ্শনমূলক খেতি আৰু বান বিধস্থ খেতিয়কৰ মাজত বিতৰণ কৰা হৈছে।

খণ্ড উন্নয়ন ভিত্তিত বিতৰণৰ পৰিমান এনে ধৰণৰ আছিল :—

| | | | | |
|---|---|---|---|---|
| (১) | বৰপেটা উন্নয়ন খণ্ড | | — ৫৮৬'৫৪ | কুইন্টল |
| (২) | মন্দিয়া ,, | ,, | — ৬৫৯'০৭ | ,, |
| (৩) | চেঙা ,, | ,, | — ৪০৫'৩৯ | ,, |
| (৪) | ৰূপশী ,, | ,, | — ৫৬৭'৩৩ | ,, |
| (৫) | গোৰ্বৰ্দ্ধনা ,, | ,, | — ১৫০'৪০ | ,, |
| (৬) | ভৱানীপুৰ ,, | ,, | — ২৩০'৭৬ | ,, |
| (৭) | জালাহ ,, | ,, | — ১৮৬'০০ | ,, |
| (৮) | বজালী ,, | ,, | — ১৫০'৫৬ | ,, |
| | | | মুঠ ২৯৩৬'০৫ | কুইন্টল |

উন্নয়ন খণ্ড অনুযায়ী কোন আঁচনিত কিমান ঘেঁহু বীজ বিতৰণ কৰা হৈছে তাৰ পৰিমান ২ নং তালিকাত গাঠি দিয়া হ'ল।

( See the Annexure – IV )

(ঘ) বিতৰণ কাৰ্য্য গাওঁ পৰ্য্যায়ৰ সমবায় সমিতি আৰু অনুমোদিত বীজ, সাৰ বিক্ৰেতাৰ যোগেদি কৃষি সম্প্ৰসাৰণ বিষয়াৰ অনুমোদন সাপেক্ষে কৰা হৈছিল।

**বিষয়: কৃষি বিকাশ কেন্দ্ৰ।**

শ্ৰীশশকমল সন্দিকৈয়ে সুধিছে:

৩০৯/ মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) অসমত এতিয়ালৈ কিমান কৃষি বিকাশ কেন্দ্ৰ স্থাপন কৰা হৈছে? ( জিলা ভিত্তিত সংখ্যা দিব )?

(খ) কৃষি বিকাশ কেন্দ্ৰৰ জৰিয়তে কৃষকক কেনে ধৰণে সহায় আগবঢ়োৱা হয়?

(গ) সকলো কৃষি বিকাশ কেন্দ্ৰত প্ৰয়োজনীয় সামগ্ৰীৰ যোগান ধৰা হৈছেনে?

(ঘ) যদি হোৱা নাই এতিয়ালৈ কিমানটা কেন্দ্ৰত কাম আৰম্ভ হোৱা নাই?

শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমূৰ (মন্ত্ৰী) য়ে উত্তৰ দিছে:

(ক) এতিয়ালৈকে সৰ্ব্বমুঠ ৩৯ (উনসল্লিছ) টা কৃষি বিকাশ কেন্দ্ৰ স্থাপন কৰা হৈছে। তালিকা সদনৰ মেজত ৰখা হৈছে।

(খ) কৃষি বিকাশ কেন্দ্ৰ স্থাপনৰ দ্বাৰা একেটা স্থানৰ পৰা সেই অঞ্চলৰ কৃষকক সকলো ধৰণৰ লাগতিয়াল সামগ্ৰী যোগান ধৰাৰ ব্যৱস্থা কৰা হয়।

(গ) এতিয়ালৈকে যোগান ধৰিব পৰা হোৱা নাই।

(ঘ) ৭ (সাত) টা কৃষি বিকাশ কেন্দ্ৰত কাম আৰম্ভ হোৱা নাই।

**বিষয়: শস্য বীজ ক্ৰয়।**

শ্ৰীশশকমল সন্দিকৈয়ে সুধিছে:

৩১০/ মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয় অনুগ্ৰহ কৰি জনাবনে:

(ক) অসমৰ কৃষকৰ মাজত বিতৰণৰ বাবে কোন বছৰত কি কি শস্য বীজ ক্ৰয় কৰা হৈছিল?

(খ) প্ৰতি বিধ শস্য বীজৰ পৰিমাণ আৰু প্ৰতিবিধ শস্য বীজ প্ৰতি কেজিত কিমান দামত ক্ৰয় কৰা হৈছিল ?

(গ) এই শস্য বীজবোৰ কৰ পৰা কি পদ্ধতিত ক্ৰয় কৰা হৈছিল ?

শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমূৰ (মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক)} যোৱা তিনি বছৰ অৰ্থাৎ ১৯৮৮-৮৯, ১৯৮৯-৯০ আৰু
(খ)} ১৯৯০-৯১ চনত ক্ৰয় কৰা বীজৰ বিৱৰণ সদনৰ মেজত ৰখা হ'ল।

( See the Aunexure – V )

(গ) চৰকাৰৰ অধীনস্থ প্ৰতিষ্ঠান যেনে— ৰাষ্ট্ৰীয় বীজ নিগম, টেৰাই উন্নয়ণ নিগম, ভাৰতীয় ষ্টেট ফাৰ্ম নিগম নাফেড, পশ্চিমবঙ্গ ৰাজ্যিক বীজ নিগম, মেকোফেড, হাৰিয়ানা বীজ নিগম, ভাৰতীয় খাদ্য নিগম, অসম ৰাজ্যিক বীজ প্ৰমানিকৰণ অভিকৰণৰ দ্বাৰা পঞ্জীয়নভূক্ত খেতিয়কৰ পৰা পোন-পটীয়াকৈ ক্ৰয় কৰা হৈছিল।

বিষয় : বিবাদ মান গাওঁ

৩১১/ শ্ৰীগহীন চন্দ্ৰ দাসে সুধিছে :

মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) নগাওঁ আৰু কাৰ্বি আংলং, জিলাৰ সীমান্তত থকা কেইবাখনো গাওঁ বিবাদমান হৈ থকাটো চৰকাৰে জানেনে ?

(খ) যদি জানে, উক্ত গাওঁ সমূহৰ নামবোৰ কি ?

(গ) উক্ত বিবাদমান গাওঁ সমূহৰ ক্ষেত্ৰত চৰকাৰে উক্ত বিবাদ দূৰ কৰাৰ বাবে কি ব্যৱস্থা লৈছে।

শ্ৰীমুকুট শৰ্মা (ৰাজহ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) হয়, জানে।

(খ) উক্ত বিবাদমান গাওঁ সমূহৰ নামৰ তালিকা সংলগ্ন কৰি দিয়া হ'ল।

( See the Annexure – VI )

(গ) উক্ত বিবাদমান গাওঁ সমূহৰ বিবাদ দূৰ কৰিবৰ বাবে দুইখন জিলাৰ কৰ্তৃপক্ষই আলোচনা কৰি আছে আৰু অন্যান্য ব্যৱস্থাত লোৱা হৈছে।

**বিষয় : বিশ্ব খাদ্য আঁচনি।**

ডাঃ কৃষ্ণ কান্ত লহকৰে সুধিছে ঃ

৩১২/ মাননীয় মীন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) বিশ্ব খাদ্য আঁচনি ( World Food Programme ) ৰ অধীনত আৰু বিদেশী অৰ্থ সাহাৰ্য্যত কি কি আঁচনি বৰ্ত্তমান ৰূপায়ন কৰা হৈছে ?

(খ) বৰপেটা জিলাত এনে কি কি আঁচনি ৰূপায়ন আৰু প্ৰস্তাৱিত পৰ্য্যায়ত আছে ?

শ্ৰীচিলভিউচ কন্দপান ( মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

(ক) বিশ্ব খাদ্য আঁচনিৰ ( প্ৰ কল্প নং ২৭৫০ ) অধীনত আৰু বিদেশী খাদ্য সামগ্ৰী সাহাৰ্য্যত এতিয়ালৈকে ১৬ খন বিল অন্তৰ্দেশীয় মীন উন্নয়ণ আঁচনিত ৰূপায়ণ কৰি থকা হৈছে। ইয়াৰ বাবদ বৰ্তমানলৈকে প্ৰায় ২৯১ লাখ টকা ব্যয় কৰা হৈছে।

(খ) ওপৰোক্ত আঁচনিৰ অধীনত বৰপেটা জিলাৰ কাপলা মীন মহলখনৰ উন্নয়ণ আঁচনি প্ৰায় সম্পূৰ্ণ আৰু প্ৰস্তাবিত সম্প্ৰসাধৰণ আঁচনিত সৰভোগ বিল, ববিয়া বিল, ছাগমৰা বিল আৰু বৰালি মৰা বিল অন্তৰ্ভুক্ত কৰা হৈছে।

**বিষয় ঃ ভূমি উপদেষ্টা সমিতি।**

শ্ৰী ভৰত চন্দ্ৰ নৰহে সুধিছে ঃ

৩১৩/ মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ঢকুৱাখানা আৰু উত্তৰ লক্ষীমপুৰ মহকুমাত ভূমি উপদেষ্টা সমিতি ( Land Advisory Committee ) গঠন কৰা হৈছেনে ?

(খ) যদি গঠন কৰা হৈছে, উক্ত সমিতি দুখনৰ অধ্যক্ষ আৰু সদস্য সকলৰ নামবোৰ কি ?

শ্ৰীমুকুট শৰ্মা ( মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

(ক) ঢকুৱাখানাত হৈছে কিন্তু উত্তৰ লক্ষীমপুৰত হোৱা নাই।

(খ) ঢকুৱাখানা ভূমি উপদেষ্টা সমিতিৰ অধ্যক্ষ আৰু সদস্যৰ নামৰ তালিকা লগত দিয়া হ'ল।

( See the Annexure - VII )

**Re : On-going Schemes.**

Shri Monsing Rongpi asked :

314 Will the Minister of Irrigation be pleased to state :

(a) The number of On-going Irrigation Schemes in Karbi-Anglong and N. C. Hills ? Where the schemes are situated and when these will be completed ?

(b) How much areas of the above two Districts have been ( KANCH ) irrigated and how much areas are to be irrigated by the on-going project and what is the plan to irrigate the remaining area ?

Shri Zehirul Islam ( Minister ) replied :

(a) (i) Total number of On-going Schemes in Karbi-Anglong District is 18 and in N. C. Hills District is 15.

(ii) The location of schemes as per Assembly Constituencies are as follows :

| Karbi-Anglong Dist. | N. C. Hills Dist. |
|---|---|
| (a) Diphu — 3 Nos. | (a) Haflong — 15 Nos. |
| (b) Bokajan — 6 Nos. | |
| (c) Howraghat — 2 Nos. | |
| (d) Baithalangsu — 7 Nos. | |

(iii) Subject to the availability of fund, the number of schemes likely to be completed are as below.

| | K. A. Dist. | N. C. Hills |
|---|---|---|
| 1991—92 | 4 Nos. | 7 Nos. |

| | | |
|---|---|---|
| 1992—93 | 7 Nos. | 5 Nos. |
| 1993—94 | 3 Nos. | 2 Nos. |
| 1994—95 | 11 Nos. | 1 Nos. |

(b) (i) The upto-date total area irrigated under K. A. Dist. by the completed schemes is 21, 183 Hects and 4,882 Hects. under N. C. Hills Dist.

(ii) The additional area targetted to be irrigated from the On-going Schemes after completion under K. A. Dist. is 5555 Hects. and under N. C. Hills Dist. is 700 Hects.

(iii) The target proposed in the 8th Plan is as follows :

K. A. Dist. — 6,900 Hects.

Proposed N. C. Hills — 900 Hects.
District.

**বিষয় ঃ মজুৰীৰ অধিসূচনা ।**

শ্ৰীৰামেশ্বৰ ধানোৱাৰে সুধিছে :

৩১৫। মাননীয় শ্ৰম বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) অসম চৰকাৰে চাহ বাগিছাত কাম কৰা মজদুৰ সকলৰ বাবে কেতিয়া নূন্যতম মজুৰীৰ অধীসূচনা জাৰি কৰিছিল আৰু কিমান টকা কৈ ?

(খ) উক্ত অধীসূচনাত চাহ বাগিছাৰ কলঘৰত কাম কৰা মজদুৰকো অন্তৰ্ভূক্ত কৰা হৈছিল নে বেলেগ অধীসূচনা জাৰি কৰা হৈছিল ?

শ্ৰীদিলেশ্বৰ তাঁতী ( মন্ত্ৰী ) য়ে উত্তৰ দিছে .

(ক) অসম চৰকাৰে ১৯৯০ চনৰ ২০ ফেব্ৰুৱাৰী অধীসূচনাৰ নং জি, এল, আৰ ( আৰ, চি ) ১২৭/৮৭ অংশ / ১৯ আৰু CORRIGENDUM নং জি, এল, আৰ ( আৰ, চি ) ১২৭/৮৭/ অংশ / ২২, তাং ২১-৩-৯০

যোগে চাহবাগিছাত কাম কৰা অদক্ষ শ্ৰমিকৰ দৈনিক মজুৰীৰ নূন্যতম্ নিৰিখ ১-১১-৮৯ ৰ পৰা কাৰ্যকৰী কৰা হয়। এই অধীসূচনা মতে প্ৰাপ্ত বয়স্কৰ বাবে ১ লা নৱেম্বৰ ১৯৯১ পৰা ৩১ অক্টোবৰ ১৯৯২ পৰ্য্যন্ত অধিকতম ১৭.৬০ আৰু নূন্যতম্ ১৫.৩৪ পইচা ও অপ্ৰাপ্ত বয়স্ক শ্ৰমিকৰ বাবে উক্ত সময়ত অধিকতম ৮.৮১ আৰু নূন্যতম্ ৭.৭৪ পইচা প্ৰযোজ্য হৈছে।

(খ) উক্ত অধীসূচনাত ধাৰ্য্য কৰা দৈনিক মজুৰী চাহবাগিছাত ( TEA PLANTATION ) নিয়োজিত হোৱা সকলো সাধাৰণ অদক্ষ শ্ৰমিকৰ বাবে প্ৰযোজ্য হৈছে। গতিকে চাহবাগিছাৰ কলঘৰত কাম কৰা শ্ৰমিকৰ বাবে নূন্যতম্ মজুৰী বেলেগ কৈ সদ্যহতে জাৰি কৰাৰ আৱশ্যক নাই।

**Re : Public Distribution System:**

Shri Rameswer Dhanowar asked .

316. Will the Minister of Food and Civil Supplies be pleased to state .

(a) What steps the Government has taken to make the P. D. S. more effective so that the poorer section of the people get the benefit of the essential commodities ?

(b) The steps taken to revitalize the consumer protection committees for containing the price rise and to check the spurious adulterated goods in the market ?

(c) The steps taken by the Government to check the price rise of essential commodities ?

Dr. Ardhendu Kr. Dey ( Minister ) replied .

(a) Government have constituted vigilance committees

comprising of Government officials, nonofficials and Public representatives both at Sub-divisional Levels and G. P. S. S./F. P. Shops levels to supervise the public Distribution System both in urban and rural areas.

(b) There is no consumer protection committees for containing price rise and to check the spurious adulterated goods in the market.

(c) Government have regularly monitored the prices prevailing in the State together with the prices prevailing in Delhi and Calcutta. If any abnormal rise in prices of any commodity is found Government takes immediate action to increase the availability of essential commodities and prevent any profiteering, hoarding etc.

বিষয় : ৰাজ্যিক মীন উদ্যোগ ।

শ্ৰীহিতেশ্বৰ ডেকায়ে সুধিছে :

৩১৭। মাননীয় মীন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) 'অসম ৰাজ্যিক মীন উদ্যোগ উন্নয়ন নিগম লিমিটেড্'ত বিগত ছমাহত নতুন নিযুক্তি কিমান হৈছে আৰু এই সকল ব্যক্তিক কিহৰ ভিত্তিত নিযুক্তি দিয়া হৈছে ?

(খ) নিগমৰ বৰ্তমানৰ সভাপতি গৰাকীৰ পাৰিতোষিক কিমান আৰু উক্ত পাৰিতোষিকৰ পৰিমান অলপতে বৃদ্ধি কৰাটো সঁচা নেকি ?

(গ) নিগমৰ সভাপতি গৰাকীয়ে বৰ্তমান ঘৰভাড়াৰ বাবদ কিমান টকা পায় আৰু মাহিলী কিমান লিটাৰ পেট্ৰল পায় ?

(ঘ) নিগমে অভয়াপুৰীত এটি 'গেষ্ট হাউচ্' নিৰ্মাণৰ পৰিকল্পনা লোৱাটো সঁচা নেকি ?

(ঙ) যদি সঁচা, ইয়াৰ বাবে কিমান টকাৰ আঁচনি যুগুত কৰা হৈছে আৰু ইতিমধ্যে কিমান ব্যয় হৈছে ?

শ্ৰীচিলভিউছ কন্দপান ( মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) এজন সহবিল পৰিচালক কুমৰী মীনমহলত এজন নিলম্বিত বিষয়াৰ স্থানত নিযুক্তি দিয়া হৈছে ।

বিশ্ব খাদ্য আঁচনিত প্ৰকল্পৰ কলমৰ বাবে অস্থায়ী তথা তদৰ্থ ভিত্তিত ১৬ জন বিষয়া/কৰ্মচাৰীক নিযুক্তি দিয়া হৈছে, যেনে—

১) সহঃ প্ৰকল্প বিষয়া — ২ জন ।
২) খাদ্য তদাৰক — ১ জন ।
৩) ভড়াল ৰক্ষক — ১ জন ।
৪) ক্ষেত্ৰ বিষয়া — ৫ জন ।
৫) পাৰ্কত মাছমৰীয়া — ১ জন ।
৬) গাড়ী চালক ( নতুন গাড়ীৰ ) — ১ জন ।
৭) চতুৰ্থ শ্ৰেণী — ৫ জন ।

উক্ত ব্যক্তি সকলক সঞ্চালক মণ্ডলী সভাৰ সিদ্ধান্ত মতে বাচনি কমিটিৰ নিৰ্বাচন মৰ্মে আগতে নিগমৰ অধীনত কাম কৰা অভিজ্ঞতাৰ ভিত্তিত আগৰ আবেদন বিবেচনা কৰি স্থানীয় নিবনুৱা যুবকক নিয়োজিত কৰা হৈছে ।

(খ) নিগমৰ বৰ্তমান সভাপতিৰ পাৰিতোষিক মাহিলী এক হাজাৰ টকা ।

পাৰিতোষিক বৃদ্ধি কৰা হোৱা নাই, কিন্তু আগৰ চৰকাৰে নিয়োজিত কৰা সঞ্চালক মণ্ডলী সভাৰ সিদ্ধান্ত আৰু বৰ্তমান সঞ্চালক মণ্ডলী সভাৰ সিদ্ধান্ত মৰ্মে ২(দুই) হেজাৰ টকা হব লাগে বুলি চৰকাৰৰ ওচৰত প্ৰস্তাৱ আগবঢ়োৱা হৈছে ।

(গ) সঞ্চালক মণ্ডলীৰ সিদ্ধান্ত অনুযায়ী সভাপতিৰ ঘৰভাড়া বাবদ মাহিলী

৭৫০/- টকা ধাৰ্য্য কৰা আছে। কিন্তু বৰ্তমানে সভাপতিয়ে ঘৰভাড়া লোৱা নাই। সভাপতিয়ে মাহিলী পয়ত্ৰিশ লিটাৰ পেট্ৰল পায়।

(ঘ) অভয়াপুৰীত নিগমৰ নামনি অসম কাৰ্য্যালয় আৰু লগতে অতিথিশালা বিশ্বখাদ্য আঁচনিৰ সাহায্যত নিৰ্মাণ কৰিবলৈহে লোৱা হৈছে।

(ঙ) উক্ত আঞ্চলিক কাৰ্য্যালয় নিৰ্মাণৰ বাবদ মুঠ ১৪ লাখ টকা ব্যয় হব। উক্ত কামখিনি ইতিমধ্যে নিবিদাযোগে আবণ্টন দিয়া হৈছে, আৰু কাম চলি আছে। কাম সম্পূৰ্ণ হোৱাৰ পিচতহে প্ৰাপ্য টকা দিয়া হব।

**Re : Champa Irrigation projects.**

Shri Parameswar Brahma asked :

318. Will the Minister of Irrigation be pleased to state :

(a) The progress of the Champa Irrigation project ?

(b) The estimated cost of this project ?

(c) Up-till now what amount is expended while still the Head work is reported incomplete ?

Shri Zehirul Islam ( Minister ) replied :

(a) The overall progress is about fifty percent.

(b) The latest estimated cost of the project is Rs. 4749·03 lakhs.

(c) The expenditure upto Feb' 1992 is Rs. 2332·56 lakhs.

**Re : Burisuti Project.**

Shri Kamal Brahma asked :

319. Will the Minister of Irrigation be pleased to state :

(a) The progress of the Burisuti project ( Bijni Sub-Division ) ?

(b) The estimated cost of this project ?

(c) When it is expected to be completed ?

Shri Zehirul Islam ( Minister ) replied :

(a) The project report of Burisuti Irrigation project was submitted to C. W. C. for its inclusion in 8th Plan but the project is not yet approved.

(b) The estimated cost as per project report is Rs. 2495·00 lakhs.

(c) Does not arise at present as the project has not been cleared by Government of India.

বিষয় : চিলিং উদ্বৃত মাটি ।

শ্ৰী নিজামুদ্দিন খানে, সুধিছে :

৩২০/ মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) সমগ্ৰ অসমত চিলিং উদ্বৃত মাটিৰ পৰিমান কিমান ?

(খ) অধিগ্ৰহণ কৰিবলৈ বাকী থকা চিলিং উদ্বৃত মাটি চৰকাৰে অধিগ্ৰহণ কৰিব নে ?

(গ) চিলিং উদ্বৃত মাটি বিতৰণৰ ব্যৱস্থা কৰিব নে ?

শ্ৰীমুকুট শৰ্মা (মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) ৬,১০,৩৬৯'৬৭ একৰ ।

(খ) আইন অনুসৰি কৰি থকা হৈছে।

(গ) কৰি থকা হৈছে ।

বিষয় : অনুসূচিত জাতিক মাটি পট্টন ।

শ্ৰীকুশল চাহয়ে সুধিছে :

৩২১/ মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) চতিয়া সমষ্টিৰ অন্তৰ্গত চাৰিতুৱাৰ বনাঞ্চল আৰু নাগশঙ্কৰ মৌজাত বহুদিন ধৰি বসবাস কৰা জন-জাতি, অনুসূচিত জাতি আৰু বিভিন্ন সম্প্ৰদায়ৰ

লোকৰ মাটিৰ পট্টন নথকা সঁচানে ?

(খ) যদি সঁচা হয়, চৰকাৰে উক্তলোকক পট্টন দিয়াৰ ব্যৱস্থা লবনে ?

শ্ৰীমুকুট শৰ্ম্মা (মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) সঁচা ।

(খ) সংৰক্ষিত বনাঞ্চলত পট্টা দিব নোৱাৰে । নাগশঙ্কৰ মৌজাৰ মাটি সংৰক্ষিত বনাঞ্চলৰ বাহিৰত হ'লে আৰু প্ৰস্তাৱ পালে পট্টনৰ ব্যৱস্থা লব পৰা যাব ।

**বিষয় : উত্তোলিত জলসিঞ্চন আঁচনি ।**

শ্ৰীএছাহক আলীয়ে সুধিছে :

৩২২/ মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) বৰপেটা জিলাৰ বৰপেটা (সৰভোগ) জলসিঞ্চন সংমণ্ডলৰ অধীনস্থ পাথালিকুছি উত্তোলিত জলসিঞ্চন আঁচনিৰ নিৰ্ম্মান কাৰ্য্য কেতিয়া আৰম্ভ কৰা হব ?

(খ) বৰপেটা জিলাৰ ভেলেংগী, মৰাচাউলখোৱা আৰু বেঁকী নদীৰ নামনি অংশত অধিক পৰিমানে উত্তোলিত জলসিঞ্চন আঁচনিৰ যোগেদি জলসিঞ্চনৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীজেহিৰুল ইচলাম (মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) প্ৰস্তাৱিত পাথালিকুছি উত্তোলিত জলসিঞ্চন আঁচনিখন ধনৰ অভাৱত লব পৰা হোৱা নাই ।

(খ) ১৯৯১-৯২ চনৰ বাবে ভেলেংগী নদীৰ পৰা আগমন্দিয়া আৰু বৰদলোনী উত্তোলিত জলসিঞ্চন আঁচনিৰ বাবে বিভাগীয় সমিতিৰ অনুমোদন পোৱা হৈছে ।

**বিষয় : মহগড়ৰ অৰ্দ্ধনিৰ্মিত পানী সংৰক্ষণ আঁচনি :**

শ্ৰী গহীন চন্দ্ৰ দাসে সুধিছে :

৩২৩/ মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) মহগড়ত থকা অৰ্দ্ধনিৰ্মিত পানী সংৰক্ষণ আঁচনিটোৰ নিৰ্ম্মাণৰ কাম কেতিয়াৰ পৰা ব্যাহত হৈ আছে আৰু কিমান দিনলৈ ব্যাহত হৈ থাকিব ?

(খ) উক্ত আঁচনিটোত কিমান টকা খৰছ কৰা হ'ব ?

শ্ৰীজহিৰুল ইচলাম (মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) মহগড়ত থকা ফুলগুৰি ৰান্ধৰ পানী সংৰক্ষণ আঁচনিটোৰ কাম ১০/৬/৮৩ ৰ পৰা ব্যাহত হৈ আছে। আঁচনিটোৰ ৰূপায়নৰ কিছু সাল সলনিৰ বাবে কেন্দ্ৰীয় জল আয়োগৰ পৰা পৰামৰ্শ বিচৰা হৈছে আৰু পৰামৰ্শ পোৱাৰ লগে লগে বাকী কামখিনি আৰম্ভ কৰা হব।

(খ) বৰ্ত্তমানলৈকে উক্ত বান্ধত মুঠ ১৭ লাখ ৮১ হাজাৰ ৭৯৬ টকা খৰছ কৰা হ'ল।

বিষয় : পথাৰ পৰিচালনা কমিটি গঠন।

শ্ৰীনিজামুদ্দিন খানে সুধিছে :

৩২৪/ মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ? পথাৰ পৰিচালনা সমিতি গঠন কৰা পদ্ধতি আছেনে :

শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমুৰ (মন্ত্ৰী) য়ে উত্তৰ দিছে :

হয় আছে। পৰিচালনা সমিতি নিয়মাৱলী মতে কৰা হয়।

বিষয় : গড়াখহনীয়াত ভূমিহীন লোকৰ সংস্থাপন।

শ্ৰীকুশল চাহুয়ে সুধিছে :

৩২৫/ মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) চতিয়া সমষ্টিৰ অন্তৰ্গত চিলাবন্ধা মৌজাৰ গটাইমৰা অঞ্চল ভৰলী নদীৰ গড়াখহনীয়াত ক্ষতিগ্ৰস্ত ভূমিহীন লোকৰ সংস্থাপনৰ কিবা ব্যৱস্থা চৰকাৰে কৰিছেনে ?

(খ) গটাইমৰা অঞ্চলৰ ভূমিহীন লোকক সেই অঞ্চলৰ খালি পৰি থকা মাটি উক্ত ভূমিহীন লোকক বিতৰণ বা পট্টা চৰকাৰে দিবনে ?

শ্ৰীমুকুট শৰ্ম্মা (মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) চতিয়া সমষ্টিৰ অন্তৰ্গত চিলাবন্ধা মৌজাৰ গটাইমৰা অঞ্চলৰ ভৰলী নদীৰ গড়াখহনীয়াত ক্ষতিগ্ৰস্ত ভূমিহীন লোকৰ সংস্থাপনৰ ব্যৱস্থা কৰিবলৈ শোণিতপুৰ জিলাৰ উপায়ুক্তক নিৰ্দ্দেশ দিয়া হৈছে। সংস্থাপন সম্পৰ্কে শোণিতপুৰ জিলাৰ উপায়ুক্তৰ পৰা বিতং তথ্য চৰকাৰে এতিয়াও পোৱা নাই।

(খ) গটাইমৰা অঞ্চলত যদি চৰকাৰী খালি মাটি আছে তেনে হলে গড়াখহনীয়াত ক্ষতিগ্ৰস্ত ভূমিহীন লোকক তেনে চৰকাৰী মাটিত সংস্থাপন কৰাৰ কথা চৰকাৰে বিবেচনা কৰিব।

**বিষয়ঃ মূগা ও ৰেচম শিল্পৰ বিকাশ।**

শ্ৰীহেম প্ৰকাশ নাৰায়ণে সুধিছে :

৩২৬/ মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) মূগা শিল্প ও ৰেচম শিল্প বিকাশৰ বাবে উদ্যোক্তা নিবনুৱা বা কোনো ইচ্ছুকলোকক ৰেচম পাম মূগা পাম কৰিবৰ বাবে চৰকাৰী মাটি পট্টনৰ বাবে কিবা ব্যৱস্থা আছেনে ?

(খ) যদি আছে ৰাজহ বিভাগে এই বিষয়ে ব্যৱস্থা গ্ৰহণ কৰিবনে ?

শ্ৰীমুকুট শৰ্ম্মা ( মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) হয় আছে। অসম ভূমি নীতি ১৯৮৯ ৰ ৪—১ দফা অনুসৰি উক্ত শিল্পৰ ওপৰত জীৱিকা নিৰ্বাহ কৰি থকা একোটা ভূমিহীন পৰিয়ালক ৫ বিঘাকৈ আৰু পঞ্জিয়ণভুক্ত সমবায় সমিতি সমূহক ২০ বিঘালৈকে মাটি দিয়াৰ ব্যৱস্থা আছে।

(খ) বিভাগীয় অনুমোদিত আঁচনি লৈ কোনো ব্যক্তি বা অনুষ্ঠান আগবাঢ়ি আহিলে ভূমি নীতিৰ ভিত্তিত পৰীক্ষা কৰি প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰা হব।

**( Deferred unstarred Question No. 84 of 12-3-92 )**

**Re : Illegal Encroachment.**

Shri Parameswar Brahma asked :

84. Will the Minister, Revenue be pleased to state :

(a) How many bighas of lands of different Belts and Blocks are under illegal encroachment at present ?

(b) Who is responsible for this encroachment ?

(c) What steps have been taken to restore tribal's lands under encroachment ?

Shri Mukut Sarma ( Minister ) replied :

(a) 4, 37, 438 Bighas 3 Kathas 5 Lochas land are under illegal encroachment at present in different Belts & Blocks. ( excluding Sonitpur district ).

(b) Landless people and people affected by flood & erosion are mainly responsible for these encroachments,

(c) Steps have been taken under Section 165 of A.L.R.R. 1886 to evict the illegal encroachers from different Bolts & Blocks.

N. B. : Figures for Sonitpur district not received and reminder sent.

( Deferred unstarred Question No. 92 of 12-3·92 )

বিষয় : ম্যাদি পট্টা ।

শ্ৰীনিজামুদ্দিন খানে সুধিছে :

৯২/ মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) যোৱা ১৯৯১ চনৰ জুন মাহৰ পৰা বৰ্ত্তমানলৈকে কিমান মানুহক ম্যাদি পট্টা দিয়া হৈছে ? ( জিলা ভিত্তিত )

(খ) দখলীকৃত খেতিয়কক পট্টা দিয়াৰ ব্যৱস্থা কৰিবনে :

(গ) যদি দিয়া হয় তাৰ ভিত্তি কি হব ?

শ্ৰীমুকুট শৰ্মা (মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) যোৱা ১৯৯১ চনৰ জুন মাহৰ পৰা বৰ্ত্তমানলৈকে ৩৯১৪ জনক ম্যাদি পট্টা দিয়া হৈছে ।

| | | | | | |
|---|---|---|---|---|---|
| ১। নগাওঁ | ৪১৯ | ৮। লক্ষীমপুৰ | ৪১৫ | ১৫। গোৱালপাৰা | ৩০৩ |
| ২। মৰিগাওঁ | × | ৯। ধেমাজি | ২২৭ | ১৬। কোকৰাঝাৰ | ২৭ |

| | | | | | |
|---|---|---|---|---|---|
| ৩। গোলাঘাট | × | ১০। শোণিতপুৰ | | ১৭। ধুবুৰী | ২৪ |
| ৪। যোৰহাট | × | ১১। দৰং | ২৮১ | ১৮। বঙ্গাইগাওঁ | ১৩ |
| ৫। শিৱসাগৰ | ৯০ | ১২। কামৰূপ | ১০৯৭ | ১৯। শিলচৰ | × |
| ৬। ডিব্রুগড় | ২০৫ | ১৩। নলবাৰী | ৪৭২ | ২০। কৰিমগঞ্জ | × |
| ৭। তিনিচুকীয়া | ২১৬ | ১৪। বৰপেটা | ২২৫ | ২১। হাইলাকান্দি | × |

(খ) দখলিকৃত ভূমিহীন খেতিয়ক ভূমিনীতি ১৯৮৯ৰ নিয়মানুযায়ী পট্টাদিয়াৰ ব্যৱস্থা লৈ থকা হৈছে।

(গ) ভূমিনীতি ১৯৮৯ তথা ৰাজহ বিভাগৰ বিভিন্ন অধিসূচনা সমূহকেই ভিত্তি কৰি কৰা হব।

## POINT OF ORDER

★ শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা : মাননীয় অধ্যক্ষ মহোদয়, মোৰ এটা পইণ্ট অব অৰ্ডাৰ আছে। তৰাবিহীন প্ৰশ্নৰ উত্তৰত মন্ত্ৰী মহোদয়ে ভুল তথ্য সহকাৰে উত্তৰ দিছে। তৰাবিহীন প্ৰশ্ন নং ৩১৭ (খ) ত উত্তৰ দিছে নিগমৰ বৰ্ত্তমান সভাপতিৰ পাৰিতোষিক মাহিলী এক হাজাৰ টকা। পাৰিতোষিক বৃদ্ধি কৰা হোৱা নাই। কিন্তু আগৰ চৰকাৰে নিয়োজিত কৰা সঞ্চালক মণ্ডলী সভাৰ সিধান্ত আৰু বৰ্ত্তমান সঞ্চালক মণ্ডলী সভাৰ সিদ্ধান্ত মৰ্মে ২ (দুই) হেজাৰ টকা হব লাগে বুলি চৰকাৰৰ ওচৰত প্ৰস্তাৱ আগবঢ়োৱা হৈছে।

মাননীয় অধ্যক্ষ মহোদয়, (গ)ত কৈছে সঞ্চালক মণ্ডলীৰ সিদ্ধান্ত অনুযায়ী সভাপতিৰ ঘৰভাড়া বাবদ মাহিলী ৭৫০ টকা ধাৰ্য্য কৰা আছে। কিন্তু বৰ্ত্তমান সভাপতিয়ে ঘৰভাড়া লোৱা নাই। সভাপতিয়ে মাহিলী পয়ত্ৰিশ লিটাৰ পেট্ৰল পায়।

মাননীয় অধ্যক্ষ মহোদয়, ৭৫০ টকা ইতিমধ্যে সভাপতি জনে লৈছে। তাৰ বিচিভ মোৰ হাতত আছে। এইটো এটা চিৰিয়াচ ইলিগেচন। ৭৫০ টকা ঘৰ ভাড়া লোৱা নাই বুলি কৈছে। মোৰ হাতত তথ্য-পাতি আছে। ব্ৰিচ অব প্ৰিভিলেজ মোচন আনিব লাগে।

★ শ্ৰীজয়নাথ শৰ্ম্মা : মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়ে বিভাগীয় মন্ত্ৰী মহোদয়ে ক্লিয়েৰ কৰি দিলে ভাল হয়।

★ শ্ৰীপ্ৰমোদ গগৈ : মাননীয় অধ্যক্ষ মহোদয়, এই কথাটো সঁচানে মিছা আমি নেজানো কিন্তু যদি সঁচাকৈ মীন বিভাগৰ মন্ত্ৰী ডাঙৰীয়াই অসত্য তথ্যৰে ভুল পথে পৰিচালনা কৰিছে তেনেহলে তেওঁৰ এগেনষ্টে এটা 'ব্ৰিজ অৱ প্ৰিভিলেজ মোচন' আনিব লাগে।

শ্ৰীচিলভিউছ কন্দপান (মীন মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, আমাৰ হাতত যিখিনি তথ্য আছে তাৰ পৰাহে প্ৰশ্নত্তোৰ কালত উত্তৰ দিয়া হৈছে।

Sir, the reply is given not to mislead the House. There is an apprehension that the written answer is not based on facts and there is no scope for me now to correct the position. So Sir, I will examine the matter and inform the hon'ble member.

Shri Promode Gogoi : Speaker Sir, This is a written answer. When the Minister comes before the House to answer, he should collect the information based on facts. Now a discrepancy has arisen and on that he said he will look into it. At the beginning he wanted to mislead the House and now he said that he will look into and correct it. This is a serious matter and, if we do not take action on that then in future many such answers will come not based on facts.

★ Shri Golok Rajbanshi ( Minister ) : Speaker Sir, I am not going to the fact whether the answer is correct or incorrect. Now, an answer is given by the Minister

★ Speech not Corrected

and to examine that there other procedures to take up it.

Shri Zoii Nath Sarma : Please quote the rule here.
শ্ৰীগোলোক ৰাজবংশী ( মন্ত্ৰী ) মাননীয় অধ্যক্ষ মহোদয়, মই যদি উত্তৰ ভুলকৈ দিও কি কৰিব লাগিব। It is not our duty to teach you.
শ্ৰীজয়নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, সংসদী পৰিক্ৰমা মন্ত্ৰীয়ে যি কথা কৈছে সেইটো শুদ্ধ ব্যাখ্যা নহয়

Shri Chandan Sarkar : A point of clarification.
Mr. Speaker : Please take your seat.
Shri Silvius Condpan ( Minister ) : Speaker Sir, I have replied and submitted that there is confusion. I have already said that there is no iota of intention to mislead the House by furnishing an incorrect answer.

If at all there has been a mistake, I may be given a chance to correct it. Had the materials been with me I would have given the answer here itself. I have assured Sir, the House, that I will clarify the matter with correct information...........

★ শ্ৰীভৱত চন্দ্ৰ নৰহ : মাননীয় অধ্যক্ষ মহোদয়, মোৰ এটা পইণ্ট অৱ অৰ্ডাৰ আছে। আগতে এই লাইনত আলোচনা কৰা হৈছিল। মাননীয় মন্ত্ৰী মহোদয়ে তৰা চিহ্নিত প্ৰশ্নৰ উত্তৰ দিওতে আন্তৰিকতাৰে মত পোষণ কৰা নাই। তৰা-বিহীন প্ৰশ্নৰ উত্তৰত জলসিঞ্চন মন্ত্ৰীয়ে ৩০২ ত কৈছে উক্ত আঁচনিত নিৰ্মাণৰ খৰচ ১৯৯১ চনৰ মাৰ্চ্চ মাহলৈকে ৮৭১-৪৯ লাখ

★ Speech not Corrected

টকা পৰিশোধ কৰাৰ কাৰণে আৰু লাখ টকাৰ প্ৰয়োজন। এই যে দত দত এইটো মানে কি ? আৰু কিমান লাখ টকা হব ? এনেকুৱা উত্তৰ বহুতো আছে। ইয়াৰ এটা স্পষ্টীকৰণ দিব লাগে। লাখ মানে কিমান লাখ টকা। এনেকুৱা অজশ্ৰ প্ৰশ্ন আছে।

★ Shri Parameswar Brahma : Sir, there has been a deliberate misleading answer. I wanted to know whether the Government is aware of the assurances given by the chief Minister to BLP members to extend relief and rehabilitation to the Bodo people affected by police action and riot victims of Gohpur during Bodo land movement ? If so, what measures have the Government taken to that effect ? How many of them have been rehabilitated by the Government so far ? The Minister-in-charge Relief and Rehabilitation Dr. Ardhendu Kr. Dey has given certain replies to these.

Now, Sir, I would like to say that no Bodoland movement victims have been given any amount of ex-gratia grant for relief and rehabilitation. The Minister has stated that Government. have sanctioned ex-gratia grant of Rs. 25,000 being the 1st instalment against Rs. 1 lakh each. This is a crime against the bodo people and the House to mislead in such a way.........

Mr. Speaker : I would like to inform the House that so far as question and answers are concerned the

★ Speech not Corrected

Minister concerned is to reply all the matters on the subject, In this context I would like to mention here that in 1962 when chinese aggression was there, at that time late prime Minister, Jawaharlal Nehru gave some replies in parliament which were not correct and Nehru immediately admitted that mistake. Replies were submitted by the Department, there may be some wrong informations that the Minister given in the House. It should not be taken in that way. If any clarfication is required with regard to the replies, that will be given later on by the Minister. I request the Hon'ble Minister to be careful in giving the replies.

Now before going to item No. 2 of the grant yesterday I convened a meeting of the leaders of the different parties and groups for detailed discussion on some important points. In regard to the grant also there was a discussion and it was decided in the meeting that hon'ble members will not discuss all the grants. They have come to the conclusion to discuss on 13 cut motions :

(1) Revenue.

(2) Police.

(3) Education.

(4) Food & Civil Supplies.

(5) Welfare of S. C. & S. T.

(6) Agriculture.
(7) Irrigation.
(8) Flood Control.
(9) District Administration.
(10) Medical & P. H. E.
(11) Co-operation.
(12) Hill Areas.
(13) Salestax:

According to the census of the meeting we are discussing the grand No. 3 only. Now Hon'ble Minister of Law is to reply :

★ শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী : অধ্যক্ষ মহোদয়, মই মাননীয় আইন মন্ত্ৰী মহোদয়ৰ জ্ঞাতাৰ্থে এটা কথা কোৱাৰ কাৰণে ইচ্ছা প্ৰকাশ কৰিছো। যিহেতুকে মন্ত্ৰী মহোদয়ো গুৱাহাটী হাই কোৰ্টৰ এজন অধিবক্তা আছিল। সেই কাৰণে তেখেতে কথাটো সহজে অনুমান কৰিব পাৰিব আৰু সেই কাৰণে মই মাত্ৰ এটা কথা ইয়াৰ লগত চাপ্লিমেণ্টৰী কৰিব বিচাৰিছো। কথাটো হল — গুৱাহাটী হাই কোৰ্টত এতিয়া উকিল বহিবলৈ ঠাই নাই। তাৰোপৰি সাতখন ৰাজ্যৰ পৰা যি সকল মানুহে কেচ সংক্ৰান্তত ইয়ালৈ আহে তেওঁলোকে বহিবলৈ ঠাই নাপায়। আন এটা কথা হ'ল গুৱাহাটী হাই কোৰ্টত যিখন ডেজিগনেটেড কোৰ্ট আছে তাৰ জাজ্ বহিবলৈ এজ্‌লাজ নাই। গতিকে ন্যায় প্ৰশাসনৰ ক্ষেত্ৰত যিখিনি টকা ধৰা হৈছে তাৰ দ্বাৰা গুৱাহাটী হাই কোৰ্টৰ এই দিশ কেইটাত মন্ত্ৰী মহোদয়ে বিবেচনা কৰি উন্নতি সাধন কৰাৰ ব্যৱস্থা লব বুলি অনুৰোধ কৰিলো আৰু মন্ত্ৰী মহোদয়ৰ পৰা এই বিষয় কেইটাত প্ৰত্যুত্তৰ পাম বুলি আশা কৰিলো।

★ Speech not Corrected

★ শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী : অধ্যক্ষ মহোদয়, বৰ্ত্তমান গুৱাহাটী হাইকোৰ্টৰ ঠাইৰ অভাবত হাই কোৰ্ট বাৰৰ কাম কাজ চলোৱাত বৰ অসুবিধা হৈছে। কোনো কেচ সম্পৰ্কত তালৈ মানুহ আহিলে উকিল সকলৰ লগত আলোচনা কৰিবলৈকে সুবিধা নাপায়। সেই কাৰণে গুৱাহাটী হাই কোৰ্ট বাৰৰ বাবে এটা বিল্ডিংৰ আঁচনি হাতত ললে সকলোৰে সুবিধা হয়। তাৰোপৰি জনসাধাৰণৰ সুবিধাৰ কাৰণে তেজপুৰ, ডিব্ৰুগড়, গুৱাহাটী আৰু শিলচৰত ডিজিগনেটেড কোৰ্টৰ ব্যবস্থা কৰিলে ভাল হয়।

★ শ্ৰীউপেন্দ্ৰ নাথ সনাতন : অধ্যক্ষ মহোদয়, এই বিষয়ত যিটো কৰ্ত্তন প্ৰস্তাৱ আনিছে তাৰ বিৰোধীতা কৰি মই অলপ কথা কব খুজিছো। আজি অসমত জিলা আৰু মহকুমা যেনেকৈ বৃদ্ধি পাইছে তেনেকৈ জুডিচিয়েল কোৰ্টৰ সংখ্যাও বৃদ্ধি পাইছে। এই ক্ষেত্ৰত মই এটা কথা কব খুজিছো যে বৰ্ত্তমান অসমৰ চাহ জনজাতিৰ বহুতো লৰাই ল পাছ কৰি ওকালতি আৰু অন্যান্য কাম কৰি আছে। এই লৰাবোৰক জুডিচিয়েল কোৰ্ট বা লেবাৰ কোৰ্টত নিযুক্তি দিয়াৰ কাৰণে মই মুখ্যমন্ত্ৰী আৰু আইন মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো।

★ Shri Devananda Konwar (Minister) : Speaker Sir, Statements made by the mover of the Cut Motion Hon'ble Member Shri Thaneswar Boro and I am thankful to the suggestion put forwarded by the Hon'ble member and suported the Cut Motion. Regarding first point raised by the Hon'ble Member and Mover of the Cut Motion Shri Thaneswar Boro in respect of expenses in the budget estimates in the pages between 15 and 34 volume 2 part. With regard to the expenses regarding

★ Speech not Corrected

the expenditure incurred in connection with the constitution of the Gauhati High Court I would like to bring the matter to the members of the August House under the Constitution of India under Art. 214 there shall be no High Court in each of the District and Union Territory. But there is a provision under Art-213 Parliament can enact law and as the Hon'ble Members of this August House know Gauhati High Court is a common High Court for all the North Eastern States comprising 7 States, therefore under Central Government Statutory for the constitution of separate Branches the estimates are taken in the budget for all these States. So this is the position. We can also reimburse the amount. I would like to mention to the Hon'ble Members that many of the 7 States are depending for separate High Court in their own States and under Art. 214 of the Constitution parmanent branches have been established already in Kohima, Imphal and Mizoram. Constitution of such a parmanent branch of the High Court will be established in the months to come. Therefore, this may be the first step towards having own High Court.

So, Whatever expenditure estimated were taken into budget that will be reimbursed by those States

and there is nothing to be worried on that point. Secondly, it is a valuable suggestion came up from the mover of the cut motion with respect to the establishment of a Zonal Council for the North-eastern areas of the Union of India. But at the moment we are having North Eastern Council, and the North Eastern Council is an administrative device and here it cannot exercise under the constitutional authority with regard to the judicial functioning of the country nor with respect to the administrative jutstice of this area. So, there should be, there could be and there would be a Zonal Council for the North-Eastern States, what is for the Government of India and Union Home Ministry ponder over it and decided. Then with respect to another point, legal aid to the poor and legal aid to the accused under Section 304 of the Criminal Procedure Code. We have made sufficient provision and in fact we have estimated an amount of Rs. 11,93,000/- and Rs. 3 lakhs respectively on this account and the Union Ministry of Law and Justice had taken it very seriously. Another point raised by the Hon'ble Mover of the Cut Motion with regard to the setting up of a Law Research Institute. He mentioned about that Institution whose headquater at Calcutta. It is the only Law Research Institute in the North Eastern Region which has been housed

can be protected and how these people can be brought to the level that they can stand themselves and help the development of the State. This is my request. Now we have seen as many as land have been acquired by the Government as surplus ceiling land in tribal areas lands have been distributed to non-tribal people. Some cases are there in Kokrajhar District. So, this aspect should seriously looked be into by the Government. Now, Sir there are some important things which the Government should think of and take measures for providing settlement of lands to tribal people and also to the tribal people living in forest areas. If it is seen that the tribal people are living in that areas, then Government should immediately take measures to settle them. Now in respect of protection of tribal belts and blocks. It is also seen that land within the tribal belts and blocks is being given to settle non-tribals. Government officials also giving encouragement to illegal encroachment and the tribal people has been forced to sale their little plot of land. By this or that way the tribal people are evicted and somewhere so that they become minority. Particularly, the Revenue Minister should look into this aspect. Lastly Sir, about Bodo people living in Karbi Anglong I would like to say that they are the indegineous people having been living there for more

than 50-60 years, so there is no question of leaving our land but now these already settled people (over 20,00,000 people) are treated as encroachers' they are not given right of settlements in this autonomous district within the jurisdiction of the State Government. They cannot think of leaving this area now in any way. They are part and parcel of the Karbi Anglong with our Karbi brothers. Government should think for their settlement. I had a discussion with Karbi leaders also in this regard. We are treated to be scheduled tribe community but even that in the State of Assam in Karbi Anglong District and in N.C. Hills District the Bodo people have been denied their facilities of the scheduled tribes. We had also discussions with the Government and we are also trying to draw the attention of the Centre, so that Bodo people be recognised as scheduled tribes in Karbi Anglong.

We also urge upon the Centre to amend the Constitution for giving Bodo people their recognised status as the ST (P) and they should be given recognition as ST (Hills) in Karbi Anglong and N.C. Hills Districts and they should be given the facility what the hills tribals are given there. Demand for removal of discrimination between the Plains Tribals and Hills tribals can be met up and I think once a time will come when we will arrive at a decision as to how we can accommodate

Bodo people in Karbi Anglong and N.C. Hills Districts and also other tribals areas in the State. Sir, with this suggestion, may I request to the Government of Assam through the Hon'ble Revenue Minister to look into the matter and take measures so that innocent, backward and unsophisticated Bodo and other tribal people can be p-rotected. Let them grow and develop and let them stand. Things can not be achieved by mere words and by the policy wihich Government always speaks but it acts otherwise I think that if the Government Continues this process I am sure, Government will miss the cooperation of the Bodo people and loose confidence of thise people only because of Bodo discriminations and exploitations Committed by subsequent Government against these people. These people have been given to think that they do not have the right to live in Assam. They can not expect any good things under any Government in Assam and this is why, we demanded a separate State of Bodoland. For meeting this demand, they should have to come forward to the extend of their grievances. This is the responsibility of the Government and at the same time, should utilise their intellects to undestand what is going on there and what wrong they have committed and should be stopped and process of reconcillation can be brought for the interest of the state. With these few words, I support my cut motion and desire remedial measure to be taken by

the Government particularly by the Minister concerned so that we will not be denied our recognition and Government wrongfully and foolishly would not take the policy of encroaching upon the lands of tribal people and they can not be reduced to minority, otherwise it will be counterproductive. Sir, this is my appeal that every intellegent people who always thank for the people of Assam, should change their attitude and approach and they should develop a new horison of thought which will be congenial for all and pragmatic approach to the problems of different tribal groups of people. If Bodos die no communing of indegenous origin of Assam will not survive.

★ শ্ৰীহিতেশ্বৰ ডেকা : মাননীয় উপাধ্যক্ষ মহোদয়, ভূমি আৰু ৰাজহ বিভাগৰ যি দাবী উৎথাপন কৰা হৈছে তাত আমি কৰ্ত্তন প্ৰস্তাৱ উৎথাপন কৰিছো আৰু এই কৰ্ত্তন প্ৰস্তাৱৰ সমৰ্থনত তিনি গৰাকী সদস্যই তেওঁলোকৰ নিজৰ নিজৰ মন্তব্য দাঙি ধৰিছে। মোৰ ব্যক্তিগত মতামত এইটোৱেই যে ভূমি সমস্যা অসমৰ অন্যতম জলন্ত সমস্যা। মূল্যবৃদ্ধি সমস্যাতকৈ ই কোনো গুনে কম নহয়। ব্যাপক ভূমি নীতি সংস্কাৰ অবিহনে অসমৰ কৃষক ৰাইজৰ উন্নতিৰ ছবিখন আমি কেতিয়াও ৰচনা কৰিব নোৱাৰো। কিন্তু আমি প্ৰত্যেকটো ক্ষেত্ৰতে, প্ৰত্যেকটো ক্ষনতে এই জলন্ত সমস্যাটোক লঘু দৃষ্টি ভঙ্গীৰে গ্ৰহন কৰি আহিছো। আজি সদনত এই গুৰুত্বপূৰ্ণ বিষয়টোৰ ওপৰত আলোচনা হৈ থকা সময়ত বহুতো মাননীয় সদস্য আৰু মন্ত্ৰী সদনৰ বাহিৰত আছে। গতিকে এই সমস্যাটোক আমি কিমান আন্তৰিকতাৰে গ্ৰহন কৰিছো সেইটো এটা অন্যতম উদাহৰণ। যি কি

★ Speech not Corrected

নহওক, বাস্তৱিকতে ব্যাপক ভূমি সংস্কাৰৰ বাবে অসমত আজিলৈকে প্ৰস্তুতি আৰম্ভ হোৱা বুলি কব নোৱাৰি। এই ক্ষেত্ৰত বহুতো আইন প্ৰৱৰ্ত্তন কৰা হৈছে, দিশপুৰৰ সচিবালয়ৰ পৰা গ্ৰাম্যঞ্চলৰ ৰাজহ চক্ৰলৈকে ব্যাপক প্ৰশাসনীয় সংস্কাৰ কৰা হৈছে। কিন্তু দিশপুৰৰ ৰাজহ বিভাগৰ সচিবালয়ৰ পৰা আৰম্ভ কৰি ৰাজহ চক্ৰৰ বিষয়ালৈকে যি ব্যাপক দূৰ্নীতি, যি ব্যাপক প্ৰশাসনীয় খেলি মেলি তাৰ ফলত কৃষক চামৰ কোনো উপকাৰত অহা নাই। এই ক্ষেত্ৰত মই এটা সৰু উদাহৰণ দিব খুজিছো কিয়নো যিহেতু এতিয়া আমাৰ ৰাজহ মন্ত্ৰী মহোদয়ো সদনত উপস্থিত আছে। তেখেতক এনে দুই এটা উদাহৰণ দিলে হয়তো কিবা সংস্কাৰ ঘটিব পাৰে। ঘটনাটো আজি কেইদিন মান আগৰ। মোৰ সমষ্টিত এটা মচজিদ কমিটিৰ নামত অসমৰ ৰাজ্যপাল মহোদয়ে ৰাইজৰ দাবী অনুযায়ী ছয় বিঘা মাটি আবণ্টন দিছিল। ৰাইজৰ মানুহ অহা যোৱা কৰি ৬ মাহৰ পিচত ৰাজ্যপালৰ এই নিৰ্দ্দেশনা সচিবালয়ৰ পৰা দিছিল। কিন্তু আচৰ্য্যজনক ভাবে ৭ দিনৰ ভিতৰতে এই আবণ্টন দিয়া নিৰ্দ্দেশনা স্থগিত কৰা হৈছে বুলি আকৌ এক নিৰ্দ্দেশনা দিয়া হল। এই খবৰ পোৱাৰ লগে লগে ৰাইজৰ মানুহ মোৰ ওচৰলৈ আহিল। তাৰ পিচত ৰাইজৰ লগতে মইয়ো সচিবালয়ৰ ৰাজহ বিভাগলৈ গলো আৰু এই ঘটনাটোৰ বিষয়ে টেবুলে টেবুলে এনে ধৰণে ঘুৰিব লগা হল যে আমি একো আও ভাওকে নাপালো। তাৰ পিচৰ ঘটনা যিটো হল সেইটোহে আচৰিত। ৰাইজৰ মানুহে সংশ্লিষ্ট কেৰাণী জনৰ লগত লাগি ডেৰ হাজাৰ টকা দিয়াৰ পিচতহে ছয় দিনৰ পিচত সেই অৰ্ডাৰটো ষ্টে কৰা হল। এই সংক্ৰান্তত এচ, ডি, অ আৰু এচ, ডি, চিৰ যিটো ৰিপোৰ্ট আছিল সেইটো মচজিদ কমিটিৰ সপক্ষেই দিয়া হৈছিল। তাৰ পিচত মই ঘটনাটো আয়ুক্ত মহোদয়ৰ দৃষ্টি গোচৰ কৰাত তেখেতে মোৰ কথাটো গুৰুত্ব সহকাৰে লৈ সেইদিনাই চাৰি বজাৰ ভিতৰত ষ্টে অৰ্ডাৰটো দিয়ে। গতিকে আপোনালোকে যদি ভালদৰে লক্ষ্য কৰে তেনেহলে দেখিব যে আমাৰ

পুলিচ বিভাগটো যি দৰে পয়ালগা বেমাৰত আক্ৰান্ত হৈছে ঠিক সেইদৰে ৰাজহ বিভাগটোও পয়ালগা বেমাৰত আক্ৰান্ত হৈছে।

উপাধ্যক্ষ মহোদয়, আপুনি ভালকৈ জানিব যে পুলিচ বিভাগটো যেনেকুৱা পয়ালগা অৱস্থা তেনেকুৱাকৈ ৰাজহ বিভাগটোও আক্ৰান্ত হৈছে। আমাৰ ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে এজন সুদক্ষ ডাক্তৰ হিচাবে কাম কৰিব লাগিব। পুলিচ বিভাগত পুলিচে ১০ টকা ৫ টকা ১ টকালৈ বিচাৰে, নাপালে পিঠি খজুৱাই দিব লাগে, তেতিয়াহে ৰিক্সাৱালা, থেলাৱালা বিলাকক যাবলৈ দিয়ে। সেইদৰে এচ, ডি, চি, অফিচতো এক শ টকাৰ পৰা পঞ্চাশ টকা, ১০ টকা নহলে চাহ কাপ নিদিলে কাম কৰি নিদিয়ে ৰাজহ বিভাগতো পুলিচ বিভাগৰ দৰে পিঠি খজুৱাৰ নিচিনা অৱস্থা হয়। আমাৰ ৰাজহ মন্ত্ৰী মহোদয়ে এজন সুদক্ষ চিকিৎসক হিচাবে এই পয়ালগা বেমাৰটো ভাল কৰক। আমাৰ ৰাজহ মন্ত্ৰী মহোদয় এজন সৎ মানুহ, তেখেতৰ গুৱাহাটীত একঠাও মাটি নাই। আমাৰ মাননীয় সদস্য শ্ৰীপৰমেশ্বৰ ব্ৰহ্ম ডাঙৰীয়াই কিমান যুক্তিপূৰ্ণ কথা কৈছে। এই বিধান সভাৰ পৰা ১৪ কিলো মিটাৰ পশ্চিমে জালুকবাৰী চক্ৰৰ হাই-ওৱেৰ কাযত জনজাতি সকলৰ বাসস্থান। এই ১০ বছৰৰ ভিতৰতে আমাৰ জনজাতি ভাই সকলে তাৰ পৰা উঠি গৈ বাহিৰত বসবাস কৰিব লগা হৈছে। সেই মাটি কিছুমান ধনী ব্যৱসায়ীয়ে দখল কৰিছে। জন-জাতি ভাই সকলক টকাৰ লোভ দেখুৱাইছে, সেয়ে তেওঁলোকে মাটি বিক্ৰী কৰি দিছে। এই কাৰণে আমাৰ জনজাতি ভাই সকলৰ মনত ক্ষোভ হৈছে। সেই কাৰণে আজি বড়োলেণ্ডৰ দাবী উঠিছে। এই ক্ষেত্ৰত হাজাৰ হাজাৰ আইন কৰিব পাৰে, কিন্তু প্ৰশাসনৰ যদি আন্ত-ৰিকতা নাথাকে, তেতিয়া হলে জনজাতি সকলৰ মনত ক্ষোভ হবই।

উপাধ্যক্ষ মহোদয়, মাটিৰ চিলিং এক্ট কৰা হৈছিল ভূমিহীন মানুহক ভূমি দিয়াৰ কাৰণে। কিন্তু এই আঁচনি বাস্তৱত ৰূপায়ন কৰা হোৱা নাই। এজন মানুহৰ নামত ৫০ বিঘা মাটি থাকিব পাৰে। এই ক্ষেত্ৰত

গুৱাহাটীত কিছুমান দালালে চিলিংৰ মাটি দখল কৰি পিচত বিক্ৰী কৰি দিয়ে। এই বিলাক ব্যৱস্থা বন্ধ কৰিবৰ কাৰণে কোনো কৌশল নাই নেকি, আচলতে আছে। চাহ বাগিছাত ২০,৪০,১০০ বছৰলৈ মাটি লিজত দিয়া হয়। ২৬ জানুৱাৰীৰ দিনা শোনিতপুৰ জিলাত তিনিজন প্ৰকৃত খেতিয়কক উচ্ছেদ কৰাৰ নামত পুলিচে নিৰস্ত্ৰ খেতিয়কক গুলিয়াই হত্যা কৰিছে। মাটিৰ ক্ষেত্ৰত যদি খেলি মেলি থাকে তেতিয়া হলে বাস্তৱতে কাৰ স্বাৰ্থ ৰক্ষা হব।

উপাধ্যক্ষ মহোদয়, অসম চুক্তি মৰ্ম্মে উত্তৰ গুৱাহাটীত আই, আই, টি স্থাপন কৰা হব বুলি কৈছিল। সেই মতে মাটি দখল কৰাৰ কাম আৰম্ভ হৈছে। সিদিনা চি, বি, আই, য়ে তদন্ত কৰিছে, এইটো এক দুই কোটি টকা নহয় ৭/১০ কোটি টকাৰ খেলিমেলি, কোনোবা দাল'লে আই, আই, টিৰ মাটি দখল কৰি বিক্ৰী কৰিছে। স্বাধীনতাৰ আগতে ১৯শ শতিকাৰ শেষত এই মাটিখিনি চাহ বাগিছাৰ নামত দিয়া হৈছিল। কিন্তু চাহ বাগিছা নকৰিলে। সেই মাটিখিনি চৰকাৰে আইন মতে অধিগ্ৰহণ কৰিব লাগিছিল। যিহেতু আজি এক্শ বছৰে তেওঁলোকে চাহ বাগিছা নকৰিলে, সেয়ে চৰকাৰে মাটিখিনি হস্তক্ষেপ কৰিব লাগিছিল। এতিয়া চৰকাৰে আই, আই, টিৰ নামত দালাল আৰু চাহ বাগিছাৰ মালিকৰ নামত ৭ৰ পৰা ১০ কোটি টকা দিব লাগিব। এইদৰে ৰাজহ বিভাগত খেলিমেলি চলি থাকে। সচিবালয়ৰ পৰা আৰম্ভ কৰি ৰাজহ চক্ৰৰ মণ্ডল, কানুনগুৱে পইচা খাই থাকে। এনেকুৱা কথা চিলিং আইনত চলি আছে। মোৰ নিজৰ সম্পত্তিৰ কথা কৈছো—কমলপুৰ ৰাজহ চক্ৰলৈ চিলিংৰ পৰা মাটিখিনি কাচিবলৈ মোৰ দেউতা গৈছিল। কিন্তু তেওঁলোকে সাতশ টকা দিব লাগে বুলি কলে। ৰাজহ চক্ৰৰ বিষয়া জনে মোৰ দেউতাক চিনি নেপায়। পিচত কোনোবা এজন মানুহে এম, এল, এ, ৰ দেউতাক বুলি কোৱাত ৰাজহ চক্ৰ বিষয়া জনে ঘৰলৈ আহি মাফ খুজিলে। কিন্তু গাওঁৰ সকলো মানুহেটো এম,

এল, এৰ দেউতাক নহয়। কিছুমান কথা প্ৰমাণ দিব নোৱাৰি। আমাৰ ৰাজহ মন্ত্ৰী ডাঙৰীয়াই এই বিলাক অনুসন্ধান কৰিব লাগে। আমাৰ স্বাস্থ্য মন্ত্ৰী মহোদয়ে এম, এম, চি, হস্পিতেললৈ গলে দেখা পাব যে গৰ্ভৱতী মহিলাই অপাৰেশ্বনৰ কোঠালৈ যাওতে বেজী সূতা হাতত লৈ যাবলগীয়া হয়। ৰাজহ মন্ত্ৰী ডাঙৰীয়াইও ভেশচন কৰি যদি যায়, তেন্তিয়া মণ্ডল, কাননগো সকলৰ কাণ্ড দেখিবলৈ পাব যে তাত কি হৈ আছে।

মাননীয় উপাধ্যক্ষ মহোদয়, মই ইয়াত এটা কথা উল্লেখ কৰিবলৈ বিচাৰিছো। আমাৰ মন্ত্ৰী মহোদয়ে এটা কথা ঘোষণা কৰিছিল যে প্ৰকৃত মালিক সকলক মাটিৰ পট্টা দিয়া হব। এতিয়ালৈকে কাৰ্য্যকৰী হোৱা নাই। আমি সকলোৱে স্বীকাৰ কৰিব লাগিব যে অসমত অবৈধ বিদেশী অনুপ্ৰবেশকাৰী নাগৰিক আছে। এই বিষয়টো গুৰুত্বপূৰ্ণ বুলি বিবেচনা কৰিব লাগে। যি লেণ্ড একুইজিশ্বন কমিটি আছে তাৰ অধীনত কেত বিলাক অনুস্থান প্ৰতিস্থানক মাটি দিয়া হয়। এনেদৰে মাটি দিয়া কিমান বিলাক উদ্যোগে অসমৰ মাটিত উদ্যোগ স্থাপন কৰিছে। এই ক্ষেত্ৰত এচ, ডি, ও, এচ, ডি, চি সকলক পইচা দিয়ে তাৰ হিচাব লবনে? ইয়াৰ পৰা ১৪ কিলোমিটাৰ আতঁৰত আমিনগাও উদ্যোগ নগৰীৰ কাৰণে ২০ পৰা ৩০ বিঘা মাটি দিয়া হৈছে। সেই মাটিত আজিলৈকে উদ্যোগ স্থাপন হোৱা দেখা পোৱা নাই। উদ্যোগৰ নামত যি মাটি দিয়া হৈছে তাক উদ্যোগ স্থাপনৰ বাবে ব্যৱহাৰ হোৱা নাই তাৰ বাবে চৰকাৰে ব্যৱস্থা লব লাগে। গুৱাহাটী মহানগৰীত কোনোবাই চৰকাৰী মাটি দখল কৰি আকৌ সেই মাটিকে কাৰোবাক বিক্ৰী কৰিছে। এইটো বন্ধ কৰিবৰ কাৰণে আমাৰ চৰকাৰী পুলিচ বিভাগ নাই নেকি? আছে! কিন্তু আমাৰ চৰকাৰৰ আন্তৰিকতা নাই। যি বিলাক অনুস্থান প্ৰতি-স্থানক মাটি দিয়া হৈছে ভূমি সংস্কাৰৰ জড়িয়তে প্ৰকৃত মাটিৰ মালিকক মাটি দিয়ক। আচলতে অসম এখন কৃষি প্ৰধান দেশ, ইয়াৰ ৮০ ভাগ

মানুহ কৃষিৰ লগত জড়িত। কিন্তু ভূমি সমস্যাৰ ক্ষেত্ৰত আজিলৈকে বাস্তৱ ব্যৱস্থা লব পৰা নাই। প্ৰধান মন্ত্ৰীয়ে হাৰিয়ানাত 'কম্পেক হলডিং' কৰিব পাৰিছিল। আমাৰ অসমতো শৰৎ সিংহ ডাঙৰীয়াই চিলিং আইন প্ৰবৰ্ত্তন কৰি ভূমিহীনক মাটি দিয়াৰ ব্যৱস্থা কৰিছিল। এতিয়া এই ব্যৱস্থা বাস্তৱত ৰূপায়ন কৰিবলৈ হলে সচিবালয়ৰ পৰা ৰাজহ চক্ৰৰ মণ্ডল কাননগো সকলৈকে দূৰ্নীতিৰ পৰা মুক্ত কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। এইখিনি কৈ মই কৰ্ত্তন প্ৰস্তাৱৰ সমৰ্থনত মোৰ বক্তব্য সামৰণী মাৰিলো।

★ শ্ৰীবদন বৰুৱা: মাননীয় উপাধ্যক্ষ মহোদয়, আজি যি কৰ্ত্তন প্ৰস্তাৱ আনিছে তাক মই সমৰ্থন কৰিছো। চিলিঙত দিয়া মাটি মানুহে কেনেকৈ ৰাখে মই সেই কথাটো কবলৈ ওলাইছো। যি খন চিলিং আইন আছে তাত ৫০ বিঘা মাটি ৰাখিব পাৰে কিন্তু এই মাটি ৰখাৰ কোনো ৰেকৰ্ড নাই। কত কিমান মাটি থাকে তাৰ কোনো হিচাব নাই। এই ৰেকৰ্ড বা ৰেজিষ্টাৰ নথকাৰ কাৰণে এজন মানুহে ৫০ বিঘাত কৈ বেছি মাটি ৰাখিব পাৰে টেণ্টৰ নামত। কিছুমান মাটি জমিদাৰী বুলি কৈছে যদিও যি বিলাক মাটি নিজৰ নামত থাকে সেইটো আকৌ আবণ্টন পাব নোৱাৰে। মই পিতৃ ভেটিটোহে আবণ্টন পাইছিলো। ১৯৬২ চনত হাজো অঞ্চলত বহুত জমিদাৰী মাটি আছিল। সেই মাটি কিছুমান মানুহক যদিও আবণ্টন দিয়া হল, প্ৰায় ১০/১৫ বছৰ প্ৰিমিয়াম দিয়া সকলে আবণ্টন পোৱা নাই। কামৰূপ জিলাতো এনে ধৰণৰ বহুত মাটি আছে। তাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। মাটি আবণ্টন দিয়াৰ সম্পৰ্কে মই কেইটামান কথা কবলৈ বিচাৰিছো। আমাৰ কিছুমান অনুস্থান প্ৰতিস্থানক মাটি দিব লাগে আৰু সেইমতে দিয়াও হৈছে। আমাৰ চৰনীয়া পথাৰ বিলাক, ৰিজাৰ্ভ বিলাক ডি-ৰিজাৰ্ভ কৰি মাটি দিছে। এই ক্ষেত্ৰত অসুবিধা হব। হাজো অঞ্চলৰ মানুহ বিলাকৰ চৰ অঞ্চলত

★ Speech not corrected

কিছুমান পাম আছে যেনে পণ্ডিতৰ পাম। সেই বিলাক ক্ষেত্ৰত মাটি পট্টন দিয়াৰ ক্ষেত্ৰত চৰকাৰে বিশেষ মনোযোগ দিব লাগিব। এই চৰ অঞ্চল বিলাকলৈ নতুনকৈ মানুহ আহি আছে। আগৰ যি বিলাক মানুহ আছে তেওঁলোকৰ সেই চৰৰ ওপৰত এটা অধিকাৰ আছে। চৰ বিলাকৰ কথা আৰু আছে। এই চৰ বিলাকলৈ মানুহ বিলাক কেনেকৈ আহিল।

মাননীয় উপাধ্যক্ষ মহোদয়, মই বিশেষকৈ চৰ অঞ্চলৰ কথা আগতেই কৈছো। যিহেতু মই হাজো সমষ্টিৰ পৰা প্ৰতিনিধিত্ব কৰিছো। চৰ অঞ্চলবোৰ কেনেকৈ হ'ল আগতেই তাত পতিত মাটি আছিল ব্ৰহ্মপুত্ৰই গৰাখহনীয়াৰ ফলত তাত বহুতো মাটি ব্ৰহ্মপুত্ৰৰ বুকুত জাহ গ'ল। গতিকে তাত বহি থকা আমাৰ মানুহখিনি সেই ঠাই এৰি আহিল আৰু পিচত যেতিয়া আকৌ ব্ৰহ্মপুত্ৰৰ পানী শুকাই গ'ল সেই মাটিখিনি চৰ অঞ্চলত পৰিণত হ'ল আৰু সেই ঠাইত পুনৰ পশ্চিম বঙ্গৰ পৰা অহা মানুহখিনি বা বাংলাদেশী খিনি তাত থাকিবলৈ ললে। লাহে লাহে তেওঁলোকে পট্টন পাবলৈ ধৰিলে। মই আগতেই বিধান সভাত এটা প্ৰশ্ন কৰিছিলো যে আজি কিছুদিন আগতে ভাঙোনমাৰী চৰত এটা সংঘৰ্ষ হোৱাৰ উপক্ৰম হৈছে। মাটি পট্টন দিয়াৰ ক্ষেত্ৰত এই সম্পৰ্কত চৰকাৰে অকণমান চাই চিন্তি হে কাম কৰিলে সুবিধা হয়। আজিৰ সদনত মাননীয় সদস্য পৰমেশ্বৰ ব্ৰহ্ম আৰু মোচাহাৰী ডাঙৰীয়াই তেওঁলোকৰ বক্তব্যত কৈছে যে ট্ৰাইবেল বেল্টৰ কথা। ট্ৰাইবেল বেল্ট কি কাৰণে কৰা হ'ল ঠাইখিনিৰ ৰক্ষনাবেক্ষনৰ কাৰণে। এইটো সঁচা যে পুৰণি মানুহ কিছুমান তাত আছিল আৰু সেইসময়ত পট্টন দিয়াৰ চেষ্টা কৰিছিল। ট্ৰাইবেল বেল্টৰ মানুহখিনিয়ে তেওঁলোকৰ কাৰণে আপত্তি কৰা নাই আপত্তি কৰিছে যিবিলাক মানুহ নতুনকৈ সোমাইছে। গতিকে এই ক্ষেত্ৰত দেখা যায় যে বৰ্ত্তমান চৰকাৰে যিবিলাক মানুহৰ মাটি আছে আৰু সমপৰিমানৰ মাটিত খেতি কৰি আছে সেই অনুপাতে

মাটিৰ পাচঁবুক দিয়াৰ ব্যৱস্থা কৰিব লাগে। কিমান মানুহৰ কিমানকৈ মাটি আছে ঠিক তেনেকৈ মাটিৰ পাচঁবুকৰ ব্যৱস্থা কৰিলে দুখীয়া খেতিয়ক ৰাইজৰ উপকাৰ হ'ব। ইতিমধ্যে মই মাননীয় মন্ত্ৰী মহোদয়ক যিটো দৃষ্টি গোচৰ কৰিছিলো সেইটো হ'ল বেদখল সম্পৰ্কে। কিছুদিনৰ আগতে তেজপুৰত দুখীয়া খেতিয়ক লোক এজনৰ মাটি বেদখল কৰাৰ কথা বাতৰি কাকতত ওলাইছে আৰু গুৱাহাটীৰ বেলতলা মৌজাৰ ২৩নং দাগৰ পতিত মাটি কেইটামান দাগত ৰাজধানীৰ ওৱালৰ গাতেই লাগি থকা যি মাটি আছে সেইখিনি মাটি কোনোবাই বেদখল কৰিছে আৰু পুলিচে তাত ইন্ধন যোগাইছে আৰু সেইমাটিত পট্টা দিয়াত সহায় কৰিছে কাৰণ সেই মাটিখিনি দখলী স্বত্বে অধিগ্ৰহণ কৰি দখল দাবিয়ে অন্য কাৰোবাক বিক্ৰী কৰি দিছে। কাৰণ তেওঁলোকে জানে যে সেই মাটি বেদখল কাৰীয়ে পাব নোৱাৰে। গতিকে তেওঁলোকে প্ৰিমিয়াম আদি লৈ তেওঁলোকৰ পৰা টকা পইচা সংগ্ৰহ কৰি বিক্ৰী কৰি তেওঁলোক আতৰত আছে আৰু আৰক্ষী সকলেও অলপ টকা পইচা লৈ কামবোৰ কৰাত সহায় কৰি আছিছে। গতিকে অধ্যক্ষ মহোদয়, বেদখলৰ সম্পৰ্কত মাননীয় মন্ত্ৰী মহোদয়ে নজৰ ৰাখিব লাগে। মই হাজো অঞ্চলৰ কথা কৈছো আৰু এই অঞ্চলত এনে ধৰণৰ মাটি বহুতো আছে আৰু তাত অনুষ্ঠান প্ৰতিষ্ঠানৰ বাবে পট্টন দিয়াৰ ব্যৱস্থা কৰিলে ভাল হয়। এই ক্ষেত্ৰত এটা কথা আছে যে 'মণ্ডলেই কন্দল লগায়' তেওঁলোকে কেতিয়াও একটিভ ভইচত কথা নকয় সদায় প্ৰেচিভ ভইচত কথা কয় যেনে কেতিয়া অহা হ'ল, কেইদিন মান থাকিব, ৰাষ্টাৰ কাষে কাষে ধান দেখা যায়। এনেধৰণে মণ্ডল বিলাকে কথা কলে পোনপটীয়াকৈ দোষটো ধৰিব নোৱাৰি।

উপাধ্যক্ষ মহোদয় মই এতিয়া খাজনাৰ বিষয়ে কব বিচাৰিছো যে খেতিৰ মাটিত খাজনা বঢ়াব লাগে কাৰণ ইনকাম টেক্স যেনেকৈ শ্লেপ আছে ঠিক তেনেকৈ মাটিৰ ক্ষেত্ৰতো খাজনা বঢ়াব লাগে কাৰণ যাৰ মাটি বেছি তেওঁলোকৰ পৰা খাজনা বঢ়াব লাগে। মই ভাবো খাজনা বৰ কম হৈছে।

আজি স্বাধীনতা পোৱাৰ পিচতো বৃটিছৰ দিনত যেনেকৈ নিম্নমানৰ খাজনা লোৱা পদ্ধতি চলি আছিল আজিও তেনেকৈ চলি আছে। আগতে এবিঘা মাটিৰ খাজনা আছিল চাৰিঅনা আৰু এবিঘা মাটিৰ দামো চাৰিঅনা। গতিকে তেতিয়া খাজনা আৰু মাটিৰ মূল্যৰ কথা চিন্তা কৰা হৈছিল। গতিকে খাজনা বঢ়াব যে লাগে তাৰ কাৰণে চিন্তা কৰা নাছিল। কিন্তু আজি মাটিৰ দাম বহুগুনে বৃদ্ধি পালে যদিও এতিয়াও বিঘাই প্ৰতি এটকাহে হৈ আছে। মাননীয় অধ্যক্ষ মহোদয়, মই এসময়ত নিজেই জমিদাৰ আছিলো আৰু মোৰ চাৰিশ বিঘাৰ অধিক মাটি চিলিংত এৰি দিছো। আগতে প্ৰতি বিঘাত খাজনা দিব নোৱাৰিলে বছৰি আঢ়ৈ টকাকৈ সুত দিয়াৰ ব্যৱস্থা কৰা হৈছিল কিন্তু মই আজিলৈকে সেই সুত নাপালো আৰু মই ডিচি মহোদয়ক জনাইছিলো কিন্তু একো ফল নাপালো। টেনাণ্ট সকলে তিনিবছৰ একেৰাহে বহি থাকিলে তেওঁলোকৰ নামত ডিষ্টিক মেজিষ্ট্ৰেটে টেনাণ্টৰ পৰা পোৱা দৰখাস্ত মৰ্ম্মে মাটি মালিকৰ নাম গুচাই তেওঁলোকক পট্টন দিয়াৰ কাৰণে মই চেষ্টা কৰিছিলো। এনে পট্টণৰ বুৰঞ্জীত বিৰল। এই ব্যৱস্থাৰ দ্বাৰা মাটি পট্টন পাব পাৰি। মই হাজো সমষ্টিৰ কথা কওঁ যে হাজো সমষ্টিত এনে কিছুমান নিস্পিখেৰাজ মাটি আছে যত বৰ্ত্তমান কিছুমান মানুহ কোনো পট্টা বা আন কোনো কাগজ-পত্ৰ নোহোৱাকৈয়ে বহি আছে গতিকে সেই মানুহ বিলাকক উচ্ছেদ কৰি পশুপালন আৰু মীন বিভাগৰ দৰে বিভাগক চমজাই দিলে ভাল হয়। চৰৰ মাটিৰ ক্ষেত্ৰতো পট্টণ দিয়াৰ বাবে চৰকাৰে চিন্তা চৰ্চা কৰিহে পট্টন দিয়াৰ ব্যৱস্থা কৰিলে ভাল হয়।

মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ আগৰ চৰকাৰে মাটি বিক্ৰী কৰা সত্বেও চিলিঙত যোৱা বুলি ধৰা হৈছিল। চিলিঙত যাবলৈ হলে আগতিয়াকৈ এটা চৰকাৰৰ অনুমোদন লব লাগে। চৰকাৰী মাটি ১০ বা ২০ হেজাৰ টকাৰ বাবদ অনুমোদন দিব লাগে। ৰাজহ মন্ত্ৰীয়ে ২৩ বিঘা মাটিত ৫০ হেজাৰ টকা দিব পাৰে তাতকৈ বেছি দিব নোৱাৰে। কিন্তু কিস্তি হিচাপত টকা দিয়াৰ ব্যৱস্থা কৰি দিলে বহুতো লোকে মাটি লব পাৰিব। ৫ বিঘাৰ

কথা কৈ পিচত ৫ বিঘা ৫ বিঘাকৈ বঢ়াই থাকিব পাৰিব। এই বছৰত এনেকুৱা অহা বছৰত কেনেকুৱা হব তাত সন্দেহ আছে। আমাৰ মাননীয় সদস্য শ্ৰীপৰমেশ্বৰ ব্ৰহ্ম ডাঙৰীয়াই এযাৰ কথা কৈছিল-- যৌথ পৰিয়াল থকা সকলে পিচত ভাগ ভাগ হৈ মাটি ভাগ কৰি খাই আছে যদিও সেই মাটি-খিনি আগৰ এজনৰ নামত আছে প্ৰত্যেকটো পৰিয়ালৰ নামত নামেৰে সৈতে মাটি ভাগ হোৱা নাই তেনেক্ষেত্ৰত সেই পবিয়াল সকল ক্ষতিগ্ৰস্ত হব। এই বিলাক ৰাজহৰ ফালৰ পৰা চাব লাগে। আৰু এটা কথা কব বিচাৰিছো যে চহৰৰ মাটি যাতে কোনো ধৰণে বেদখল নহয় সেই বিষয়ত আমাৰ চৰকাৰে বিশেষ ধৰণে নজৰ ৰাখিব লাগে। মাটিৰ খাজনা বৃদ্ধি কৰিব লাগে। মাটি আবণ্টন দিয়া ক্ষেত্ৰত প্ৰকৃত দখলদাৰী খেতিয়কে যাতে দখলীস্বত্ব পায় সেই সম্পৰ্কে চৰকাৰে ব্যৱস্থা লব লাগে। কম্পিউটাৰ ব্যৱহাৰ কৰিব পাৰিলে বেছি ভাল হয় তেতিয়া কাৰ ক'ত কিমান মাটি আছে সেইখিনি ওলাই পৰিব। এইখিনি মন্ত্ৰী মহোদয়ে অলপ মন দিলেই কৰিব পাৰিব বুলি আশা ৰাখিলো। আমেৰিকাত বচবষ্ট্ৰন মেম'ৰিত আছে। আৰু এটা কথা কৈছো-- আমাৰ মণ্ডল সকলে সদায় ৬ নম্বৰৰ ঘৰৰ কথা কয়। মোৰ এজন বন্ধু আছে তেখেতে মণ্ডল কাম কৰে। কোনোবা মানুহে তেওঁৰ ওচৰলৈ আহি মোৰ নামটো চাই দিয়ক বুলি কলে তেখেতে ৬ নং ত তেখেতৰ নামটো আছে বুলি কয় যি কোনো মাটিৰ কামত তেওঁৰ ওচৰলৈ আহিলে ৬ নংৰ কথা উল্লেখ কৰে। মণ্ডল বিলাকৰ ২-৩ খন বহী থাকে। এই বহী বিলাকৰ জৰিয়তে টকা খোৱাৰ সুবিধা কৰি লয়। ৰাজহ মন্ত্ৰী মহোদয়ে এই ফুটাবিলাক মাৰিব পাৰিলেহে ৰাজহ বিভাগৰ উন্নতি হব। এই ক্ষেত্ৰত মন্ত্ৰী মহোদয়ে সহায় বিচাৰিলে মই তেখেতক সহায় আগবঢ়াব পাৰিম।

★ শ্ৰীনজমূল হক : মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বৰ্ত্তমান ৰাজহ বিভাগৰ মন্ত্ৰী ডাঙৰীয়াই ৰাজহ বিভাগৰ দাবী মঞ্জুৰী যি ৩০ কোটি ৫ লাখ ৩২ হাজাৰ টকা বিচাৰিছে এই দাবী মঞ্জুৰীৰ ওপৰত মই কৰ্ত্তন প্ৰস্তাৱ

★ Speech not corrected

উৎথাপন কৰিছো। কৰ্ত্তন প্ৰস্তাৱৰ সমৰ্থনত মই এইখিনি কব বিচাৰিছো যে আমাৰ ৰাজহ মন্ত্ৰী মহোদয়, বৰ্ত্তমান ৰাজ্যত যিখিনি ভূমি আছে জনসাধাৰণৰ তুলনাত নিম্ন মানৰ হৈছে। জনসাধাৰণৰ সংখ্যা যেনেকৈ বাঢ়িব লাগিছে সেই অনুপাতে মাটি যিখিনি আছে দিনক দিনে কমিবলৈহে ধৰিছে। এই বিষয়ে সদনত আগতেও উল্লেখ কৰা হৈছিল। অসমৰ মাটি অৰুণাচল, মেঘালয় আৰু নাগালেণ্ড আদি ৰাজ্যই লাখ লাখ মাটি বে-দখল কৰি লৈ গৈছে। ইয়াৰ বাহিৰেও ব্ৰহ্মপুত্ৰ গড়াখহনীয়াই লাখ লাখ বিঘা খেতি মাটি আৰু বস্তিৰ মাটি খহাই লৈ গৈছে। অসমৰ মাটি কালি কমি গৈছে আৰু জনসাধাৰণ বাঢ়ি আছে। তেনে স্থলত এনেকুৱা সময় আহিব এজন মানুহৰ ভৰিৰ তলত যিখিনি মাটি প্ৰয়োজন হব তাকো নাপাব। মাননীয় মন্ত্ৰী মহোদয়ে অসমৰ মাটি ৰক্ষা কৰাত ব্যৰ্থ হৈছে। গুৱাহাটী মহানগৰীত মাননীয় অধ্যক্ষ মহোদয়ৰ দৃষ্টি গোচৰ কৰি বিভাগীয় মন্ত্ৰী ডাঙৰীয়াক কব বিচাৰিছো যে এই মহানগৰীখনৰ মাজ মজিয়াত অভাৰ ব্ৰীজৰ তলত আৰু ব্ৰহ্মপুত্ৰ নদীৰ পাৰত মানুহ বিলাকে কেনেকৈ বাস কৰি আছে। মাজুলী, নগাওঁ, বৰপেটা, গোৱালপাৰা আৰু ধুবুৰীৰ মাটি আধাতকৈ বেছি মাটি ব্ৰহ্মপুত্ৰই লৈ গৈছে। যুদ্ধ-কালীন তৎপৰতাৰে ব্ৰহ্মপুত্ৰ নদী গড়াখহনীয়া ৰোধ কৰাৰ ব্যৱস্থা কৰিব লাগে। অধ্যক্ষ মহোদয়ে হয়তো নামনি অসমলৈ যোৱা নাই। নামনি অসমত দেখিব মঠাউৰিৰ ওপৰত হাজাৰ হাজাৰ মানুহ ৩০ বছৰলৈকে বাস কৰি আছে। দক্ষিণ শালমৰা সমষ্টিতো সেই একে অৱস্থা হৈছে। ফৰেষ্টৰ কথা উল্লেখ কৰিছো। ফৰেষ্টত কোনো গছ-গছনি নাই। গছ-গছনি ৰুবৰ কাৰণে প্ৰপ'জ কৰা বুলি যিবিলাক মাটি চৰকাৰে ৰাখিছে সেইবিলাক ঠাইত মানুহ বিলাকক পুনৰ বসতি স্থাপন কৰিবলৈ দিব লাগে। মাননীয় ৰাজহ মন্ত্ৰীয়ে যি টকা বিচাৰিছে-টকা দিয়াৰ কোনো প্ৰয়োজন নাই কাৰণ ৰাজহ বিভাগৰ চাকৰিত সোমাবৰ কাৰণে ইমান চখ যে পেট্ৰলৰ প্ৰয়োজন নাই। হাজাৰ হাজাৰ আবেদনকাৰীয়ে মণ্ডল,

কাননগু, এচ, ডি, চি চাকৰিৰ কাৰণে টকা দি হলেও চাকৰি লবলৈ চেষ্টা কৰে।

( Mr. Speaker occupied the Chair )

মাননীয় অধ্যক্ষ মহোদয়, মানুহবিলাকৰ তাত বিষম হাৰাশাস্তি হৈছে। গতিকেই ৰাজহ মন্ত্ৰীয়ে যিটো টকা বিচাৰিছে প্ৰকৃততে সেই টকাতো দিয়াৰ কোনো প্ৰয়োজনীয়তা নাই। মই পৰীক্ষা মূলক হিচাবে কব বিচাৰিছো-আজি প্ৰকৃততে আমাৰ ৰেভিনিউ বিভাগত যি বিলাক কৰ্ম্মচাৰী আছে বিশেষকৈ মণ্ডল কাননগু, এচ, ডিচি, সকলক বেতন নিদিলেও চলে, আপোনালোকে পৰীক্ষা মূলক হিচাবে চাওক-যদি আপোনালোকে বিজাপন দিয়ে যে গোটেই অসমত লাট মণ্ডল, মণ্ডল কাননগু এচ, ডি, চিৰ চাকৰি খালি আছে আৰু সেই খালি পদ সমূহত মানুহ লোৱা হব কিন্তু বেতন দিয়া নহব তথাপিতো দেখিব সেই চাকৰি লবলৈ লাখ লাখ মানুহ আহিব বিনা বেতনট চাকৰি বিচাৰি আনকি সেই চাকৰিৰ কাৰণে পইচাও দিব। এইটো পৰীক্ষা মূলক হিচাবে চাব পাৰে। মোৰ এজন বন্ধুয়ে কোৱাৰ দৰে এজন ভাল ডাক্তৰে চিকিৎসা কৰি স্বাস্থ্য বিভাগটো ভাল কৰিব পাৰিব নে? সাধাৰণ চিকিৎসাৰে সম্ভব নহয় অপাৰেশ্যন লাগিব। আজি সেইদৰে এই ৰেভিনিউ বিভাগটো সুস্থ কৰি তুলিবলৈ হলে মেজৰ অপাৰেশ্যন দৰকাৰ। গতিকেই মই ভাবো ৰাজহ বিভাগৰ মন্ত্ৰী ডাঙৰীয়াৰ এই বিভাগটো সুস্থ কৰি তোলাৰ ক্ষেত্ৰত হস্তক্ষেপৰ প্ৰয়োজন আছে। সেয়েহে মই আহ্বান কৰিছো ৰাজহ মন্ত্ৰীয়ে দেহে-কেহে লাগি এই বিভাগটোৰ এটা আমোল্ পৰিবৰ্ত্তন আনক। মই আগেয়ে এবাৰ দৃষ্টি আকৰ্ষন কৰিছো যে ব্ৰহ্মপুত্ৰ নদীয়ে অসম ৰাজ্যখনৰ কাৰণে এটা দাৰোন সমস্যাৰ সৃষ্টি কৰিছে। বিশেষকৈ গড়াখহনীয়াই মানুহৰ দূৰ্গতিৰ সীমা নোহোৱা কৰিছে। আজি অসম চৰকাৰৰ যিটো আন টাইড ফাণ্ড আছে তাৰ দ্বাৰা ব্ৰহ্মপুত্ৰ নিয়ন্ত্ৰন কৰাতো অসম্ভব। সেয়েহে মই পৰামৰ্শ দিব বিচাৰিছো আজি লাখ লাখ

বিঘা মাটি ব্ৰহ্মপুত্ৰ নদীৰ নামত দ'নেশ্যন নিদি অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত ব্ৰহ্মপুত্ৰ নদী নিয়ন্ত্ৰন কৰাৰ কাৰণে যি বৃহৎ পৰিমানৰ ধন প্ৰয়োজন সেই বিষয়ে প্ৰেচাৰ দিয়ক আৰু কেন্দ্ৰীয় চৰকাৰে এই দিশত কিবা এটা কৰিবই লাগিব যদি তাতো নহয় বিশ্ববেঙ্কৰ ওচৰত চুপাৰিশ কৰক, তেতিয়া অন্তত ব্ৰহ্মপুত্ৰ নদীক নিয়ন্ত্ৰণ কৰিব পৰা হব। এই ব্ৰহ্মপুত্ৰ নদীক নিয়ন্ত্ৰন কৰি যদি তাৰ পৰা যদি জলবিদ্যুতৰ নিৰ্মাণ কিছুমান মালটিপাৰপাচ প্ৰজেক্ট লয় তেতিয়াহ'লে এই ব্ৰহ্মপুত্ৰ নদীৰ পৰা আমাৰ লাখ লাখ টকা ৰাহী হব যিটো নেকি এতিয়া অসমৰ কাৰণে ভয়াবহ ভাবে ক্ষতিৰ কাৰণ হৈ আছে। ব্ৰহ্মপুত্ৰ নদী নিয়ন্ত্ৰন কৰি আমাৰ ৰাজ্যখনত অনেক ধৰণৰ আঁচনি লব পৰা হব। সেয়ে মই পুনৰ জোৰ দি মাননীয় ৰাজহ মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিছো যাতে ব্ৰহ্মপুত্ৰ নদী নিয়ন্ত্ৰন কৰাৰ কাৰণে সৰ্ব্বাধিক গুৰুত্ব দিয়া হয়। আন এটা গুৰুত্বপূৰ্ণ বিষয়ৰ কথা মই কব বিচাৰিছো সেইটো হ'ল চিলিং সম্পৰ্কত, মাননীয় সদস্য বদন বৰুৱা ডাঙৰীয়াই এই সম্পৰ্কত কৈ গৈছে। জমিদাৰ, জোটদাৰ শ্ৰেনীৰ লোক সকলে ভুৱা নামত চিলিংৰ মাটি দেখুৱাই লাখ লাখ টকা অৰ্জ্জন কৰিছে। অসমৰ ভিতৰত গোৱালপাৰা জিলাত এই ৰেমাৰটো আটাইতকৈ বেচি। লক্ষীমপুৰ জমিদাৰীৰ চিলাগ্ৰাম নামৰ এখন গাৱঁত যোৱা ১০০/১৫০ বছৰ ধৰি কিছুমান লোকে বসবাস কৰি আছিল, তাত তেওঁলোকে ৰায়ত হিচাবে আছিল কিন্তু সেই ১৭শ বিঘা মাটি জমিদাৰে চিলিং আইনত দেখুৱাই বিক্ৰী কৰে। এতিয়া সেই লোক সকলে অৰ্থ্যাৎ তাত থকা ৰায়তি সকলে চৰকাৰৰ ওচৰত আবেদন-নিবেদন কৰিছে যে তেওঁলোকৰ নামত সেই মাটি খিনি পট্টন দিব লাগে কিন্তু আজিলৈকে তেওঁলোকৰ নামত দিয়া হোৱা নাই। যোৱা প্ৰাক্তন মূখ্য মন্ত্ৰী শৰৎ সিংহ ডাঙৰীয়াৰ পৰা এতিয়া হিতেশ্বৰ শইকীয়াৰ দিনলৈকে এই দুখীয়া মানুহ খিনিয়ে আবেদন কৰিও তাত মাটি আবন্টন নাপালে। গতিকে মই ৰাজহ মন্ত্ৰীক অনুৰোধ কৰিছো যাতে সেই মাটি খিনি

তাত থকা দুখীয়া ৰায়তী সকলৰ নামত যেন আবণ্টন দিয়ে। অকল গোৱালপাৰাতেই নহয় সমগ্ৰ অসমতে এই দৰে ১০০/২০০ বছৰ বসবাস কৰি থকা লোক সকলে মাটি আবণ্টন পোৱা নাই। জোটদাৰ জমিদাৰ সকলে এই মাটি চিলিংত দেখুৱাই লাখ লাখ টকা ভোগ কৰি আছে। তাৰ পাচত ৰিলিফ আৰু ৰিহেবিলিটেশ্যনৰ কথা আছে, সৰ্ব্বশেষত মই এটা কথা কব বিচাৰিছো এই যে ৰিলিফ আৰু ৰিহেবিলিটেশ্যন বিভাগটো ৰাজহ বিভাগত নপৰিব পাৰে কিন্তু ৰাজহ মন্ত্ৰীক জনাইছো যে এই ৰিলিফটো এটা 'হৰিলুটত' পৰিণত হৈছে। যদি ৰাজহ মন্ত্ৰী এই ৰিলিফ দিয়াৰ ক্ষেত্ৰত অধিক মজবুত নহয় তেতিয়াহলে ৰিলিফটো ৰিলিফ নহৈ ই হৰিলুটত পৰিণত হব। এই ৰিলিফৰ লগত কিছুমান প্ৰফেচনেল মানুহ জৰিত আছে তেওঁলোকে ৰিলিফৰ নামত তাণ্ডব লীলা দেখুৱাই থাকে। তেওঁলোকৰ লগত ডি, চি, এচ, ডি, চিয়ো থাকে। আপোনালোকে আচৰিত হব যে যেতিয়া ডিব্ৰুগড়ত বানপানী আহিছে বুলি ৰেডিঅত ঘোষনা কৰিব তেতিয়া দেখিব যে গোৱালপাৰা বা ধুবুৰীত ৰিলিফৰ নামত হৰিলোট চলে, বেনিফিচিয়াৰিজক ৰিলিফ দিয়াৰ কাৰণে হৈ চৈ লাগে। সেইকাৰণে মই ৰাজহ মন্ত্ৰীক এই বানবিধস্ত অতি দুখীয়া লোক খিনিক প্ৰকৃততে ৰিলিফ দিয়াৰ কাৰণে এটা সুস্থ নীতি লোৱাতো উচিত নহলে এই বিপদগ্ৰস্ত মানুহ খিনি সদায় বঞ্চিত হৈ থাকিব তাৰ ঠাইত ধনী মানুহ খিনিয়ে সদায় লাভৰ অংশ খাই থাকিব। ৰিলিফ দিয়াৰ ক্ষেত্ৰত দেখা যায় কববাত বৰষুণৰ পানীয়ে ধ্বংস কৰিছে নে বানপানী হৈছে সেইবিলাক চোৱা চিতাৰ কথা নাহে। গতিকে সৰ্ব্বহাৰা মানুহখিনিক সহায় কৰাৰ অৰ্থে এই ৰিলিফৰ নামত যি দূৰ্নীতি চলিছে সেইটো বন্ধ কৰিবলৈ একেবাৰে পঞ্চায়ত এলেকাৰ পৰা আৰম্ভ কৰি চাবডিভিজনেল ডিষ্ট্ৰিক্ট লেভেল আৰু ষ্টেট লেভেলত অল পাৰ্টিৰ সদস্য সকলক লৈ ৰিলিফ কমিটি কৰি সাহাৰ্য্যৰ কামত লাগিব লাগে। এতিয়া চৰকাৰ মাত্ৰ ৫ বছৰ থাকে, এই চৰকাৰ হয়তো ৫ বছৰৰ পিচত নাথাকিবও পাৰে যেনেকৈ

এ, জি, পি আগতে আছিল ক্ষমতাত, এতিয়া নাই গতিকে আপোনালোকে এটা নীতি কৰক। ৰিলিফৰ নামত হোৱা এই নীতিটো থাকি যাব আৰু যি চৰকাৰেই ভৱিষ্যতে আহিব সেই চৰকাৰেই এই নীতি অনুযায়ী ৰিলিফৰ কাম বিলাক কৰাত সুবিধা হব। যোৱা বিধান সভাতে মই ৰিলিফৰ নামত চোৰ কৰাৰ সম্পৰ্কত স্পেচিফিক চাৰ্জ আনিছিলো কিন্তু আজিলৈকে সেই সম্পৰ্কত যিবিলাক ডি, চি, এচ, ডি, চি জড়িত আছিল তেওঁলোকক কাকো ট্ৰেন্সফাৰ কৰা নহ'ল। বৰঞ্চ সেই মানুহ বিলাক মজবুট হৈ বহিলহে। গতিকে ৰিলিফৰ ক্ষেত্ৰত অল পলিটিকেল পাৰ্টিক লৈ ৰিলিফ কমিটি গঠন কৰি ৰিলিফৰ কামত অগ্ৰসৰ হবলৈ মই ৰাজহ মন্ত্ৰীক অনুৰোধ জনালো।

গতিকে অধ্যক্ষ মহোদয়, এই বেমাৰৰ পৰা ৰক্ষা পাবৰ বাবে অল পলিটিকেল পাৰ্টিৰ ৰিলিফ কমিটি কৰি দিব লাগে। যাতে জিলা পৰ্য্যায়ত কৰাপচন নহয়।

★ শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী : অধ্যক্ষ মহোদয়, তেখেতে কিবা বদলি কৰাৰ কথা কৈছে, মিনিষ্টাৰক বদলি কৰাৰ কথা কৈছেনেকি ?

★ শ্ৰীনজমূল হক : অধ্যক্ষ মহোদয়, কিছুমান কথাৰ লগত মনুষ্যত্বৰ কথাটো জড়িত হৈ আছে। পি, ডব্লিও, দিৰ ৰাষ্টাৰ টকা ই এণ্ড দিয়ে খায়। ৰিলিফৰ চাউল আটা আদিও মাৰি খায়। গতিকে এই কথা মানুহে সহ্য কৰিব নোৱাৰিব। শেষত মোৰ এটা পৰামৰ্শ আছে মাননীয় মন্ত্ৰী মহোদয়ে এই বিষয়টো অত্যন্ত গুৰুত্ব সহকাৰে বিবেচনা কৰিব। এই বিষয়টোৰ মন্ত্ৰী মহোদয়ৰ ওচৰত দাবী ৰাখি মোৰ যিটো কৰ্ত্তন প্ৰস্তাৱ সেই প্ৰস্তাৱৰ ওপৰত সমৰ্থন জনাই মই মোৰ বক্তব্য শেষ কৰিছো।

★ শ্ৰীনিজামুদ্দিন খান : অধ্যক্ষ মহোদয়, মই ভুমি আৰু ৰাজহ বিভাগৰ ওপৰত যি কৰ্ত্তন প্ৰস্তাৱ উৎথাপন কৰিছো সেই কৰ্ত্তন প্ৰস্তাৱ সমৰ্থন কৰি মই কেইটামান কথা কব বিচাৰিছো। আমাৰ ৰাজ্যখনৰ শতকৰা ৮০

---

★ Speech not corrected

ভাগ মানুহ কৃষক। এই কৃষক সমাজ আটাইতকৈ নিষ্পেষিত আৰু শোষিত। এইটোলৈ লক্ষ্য কৰি যদি আমি কৃষক সকলৰ সমস্যা সমূহ দূৰ কৰাৰ বাবে চেষ্টা নকৰো তেনেহলে আমাৰ দেশত থকা অন্যান্য সমস্যা সমূহ সমাধান কৰা সম্ভৱ নহয়। গতিকে এই ৰাজহ বিভাগৰ দায়িত্বত থকা মন্ত্ৰী মহোদয়ক আপোনাৰ জৰিয়তে অনুৰোধ কৰিব বিচাৰিছো যে ভূমি সংস্কাৰৰ কাম হাতত লোৱাৰ প্ৰচেষ্টাৰ প্ৰয়োজন হৈছে। আৰু প্ৰকৃত খেতিয়কৰ হাতত মাটি তুলি দিয়াৰ ব্যৱস্থা কৰিব লাগে। আমাৰ দেশত কিছুমান আইন আছে যিবিলাক আইনৰ সুৰুঙাই গাৱৰ কিছুমান বিত্তৱান মানুহ আৰু যিসকলৰ খেতিয়কৰ বেছি মাটি আছে সেই সকল পূজিপতি হোৱা দেখা গৈছে। যাৰ কাৰণে ব্যাপক সংখ্যক কৃষি শ্ৰমিকৰ সৃষ্টি হৈছে। এই কৃষি শ্ৰমিক সকলে বিভিন্ন অঞ্চলত কাম বন নাপায় যাতনা ভুগিব লগা হৈছে। যিসকল মানুহৰ মাটি গড়াখহনীয়াতে হওঁক বা অন্যান্য ক্ষেত্ৰতে হওঁক বা শোষণৰ বাবেই হওঁক তেওঁলোকৰ মাটিৰ দখলৰ পৰা আতৰি গৈছে সেই লোক সকলে চহৰ অঞ্চলত আহি আজি ৰিক্সা, থেলা আদি চলাব লগীয়া হৈছে। এইটো আমাৰ মৌলিক আৰু জাতীয় সমস্যা। এই সমস্যা সমাধানৰ কাৰণে নিশ্চিত ভাবে আমূল ভূমি সংস্কাৰৰ প্ৰয়োজন। তাৰোপৰি আমাৰ ৰাজহ বিভাগৰ পৰা পট্টা দিয়াৰ কথা কোৱা হৈছে। যিসকল মানুহে মাটি দখল কৰি আছে তেওঁলোকক পট্টা দিয়া হব বুলি আশ্বাস দিয়া হৈছিল আৰু এই আশ্বাস মাননীয় ৰাজ্যপালৰ ভাষণত আৰু অন্যান্য আলোচনাতো এই কথা কোৱা হৈছিল। কিন্তু আজি পট্টা দিয়াৰ নামত আজি কৃষকক হাৰাশাস্তি কৰা হৈছে। বিভিন্ন অজুহাত দেখুৱাই আজি এই কৃষক সকলক পট্টা দিয়াৰ পৰা বঞ্চিত কৰা হৈছে। চৰকাৰে ম্যাদী পট্টাৰ মালিক সকলৰ অধিকাৰ সাব্যস্ত কৰিব লাগে। এইদৰে বঞ্চিত হোৱা বাবে কৃষক সকলে আজি নিজৰ অধিকাৰ ভোগ কৰিব নোৱাৰে। কৃষকৰ ন্যাৰ্য্য দাবী তেওঁলোকে সাব্যস্ত কৰিব

নোৱাৰে। যিবিলাক আবন্টন কৰা মাটি তেওঁলোকে তাত যুগ যুগ ধৰি দখল কৰি থকাৰ পিচতো আজিলৈকে পট্টা পোৱা নাই। আজি কৃষকৰ কাৰণে বিভিন্ন ক্ষেত্ৰত চৰকাৰে ঋণৰ ব্যৱস্থা কৰিছে যদিও কাৰ্য্যকৰী কৰিব পৰা নাই। তাৰ পৰা আমাৰ কৃষক সমাজ বঞ্চিত হৈছে। তাৰ বাবে মই আবেদন জনাইছো যে, চৰকাৰে চৰ অঞ্চলতেই হওঁক বা বেকী আদি কৰি অন্যান্য নদীৰ খহনীয়াতে নিয়া মাটি হওক বা বিভিন্ন অঞ্চলত দখল কৰি থকা মাটিয়েই হওঁক সেই লোক সকলক পট্টা দিয়াৰ ব্যৱস্থা কৰিব লাগে। কিন্তু দেখা গৈছে যে পট্টা দিয়া দূৰৰ কথা যিবিলাক লোকৰ মাটি নদীৰ বুকত জাহ গল তেওঁলোকেও খাজনা দিয়াৰ বাবে চৰকাৰৰ ঘৰৰ পৰা জাননী পাইছে। ফলত তেওঁ-লোকৰ স্থাৱৰ হওঁক বা অস্থাৱৰ সম্পত্তি হওক ক্ৰোক কৰাৰ কাৰণে ব্যৱস্থা কৰা হৈছে। নদীৰ বুকত জাহ যোৱা মাটিৰ কাৰণেও খাজনা দিব লগা অৱস্থা হৈছে। এনে ঘটনা বৰাক ভেলি, গোৱালপৰা জিলা আৰু অন্যান্য জিলাতো হৈছে এই ব্যৱস্থা বন্ধ নকৰিলে সেই অঞ্চলৰ মানুহে চৰকাৰে দিয়া সা-সুবিধা গ্ৰহন কৰিব নোৱাৰে। তেওঁলোকে জীৱিকা উপাৰ্জন কৰাত সক্ষম নহব। কিছুমান খাচ মাটি, ৰিজাৰ্ভৰ মাটি, নাইবা চৰকাৰে আবন্টন দিয়া মাটি নাইবা কিছুমান চোচাইটিৰ নামত দিয়া মাটি আছে সেই বিলাক মানুহকো আজি বঞ্চিত কৰা হৈছে। যিবিলাক অঞ্চলত বছৰ বছৰ ধৰি মানুহে মাটি দখল কৰি আছে সেইবিলাকো মাটিৰ মালিক সকলে গাৰ বলেৰে থগোৱাৰ কাৰণে সেই মাটি নিজে দখল কৰিছে। গতিকে তদন্ত কৰি, চাৰ্ভে কৰি কত কত মাটিহীন মানুহ আছে সেই সকলক মাটি দিয়াৰ ব্যৱস্থা গ্ৰহন কৰিব লাগে। আমাৰ কিছু ৰিৰ্জাভো আছে। সিদিনা মুখ্য মন্ত্ৰীয়ে এটা প্ৰশ্নৰ উত্তৰত কৈছিল যে, ফৰেষ্টৰ মাটিৰ পৰা, ট্ৰাইবেল বেল্ট, ব্লকৰ মাটিৰ পৰা উচ্ছেদ কৰাৰো কিছু আইন আছে। কিন্তু আজি সেই আইন থকা স্বত্বেও তাত অনা ট্ৰাইবেল মানুহ মাটিৰ মালিক হৈ ৰহি আছে। এই

ব্যৱস্থা কেনেকৈ হব পালে ? মাননীয় সদস্য নজমূল চাহাবে কৈছে যে যদি এই ব্যৱস্থা পৰিবৰ্ত্তন কৰা নহয় তেনেহলে ভূমিহীন হিচাবে অনা ট্ৰাইবেল ফৰেষ্ট বা ট্ৰাইবেল বেল্ট, ব্লকত মাটি দখল কৰিব ।

মাননীয় অধ্যক্ষ মহোদয়, আজি আমাৰ আইন আছে আৰু ট্ৰাই-বেল বেল্ট আৰু ব্লকো আছে, কিন্তু আমি তাক ৰক্ষা কৰিব পৰা নাই । আইনৰ সুৰুঙা আছে । সেই সুৰুঙা আমি বন্ধ কৰিব লাগিব । বেল্ট আৰু ব্লকবোৰৰ পৰা বে-দখলকাৰীক উচ্ছেদ কৰাৰ ব্যৱস্থা কৰিব লাগে । আজি এই বেল্ট আৰু ব্লকবোৰ সম্পূৰ্ণভাবে ৰক্ষণা বেক্ষণ কৰাৰ প্ৰয়োজন হৈছে । চিলিং আইনৰ ক্ষেত্ৰত মই উল্লেখ কৰিব খুজিছো । আজি মোৰ এটা আনষ্টাউ কুৱেচনৰ উত্তৰত ৰাজহ মন্ত্ৰীয়ে সমগ্ৰ অসমত চিলিং উদ্বৃত মাটি ৬,১০,৩৬৯.৬৭ একৰ আছে বুলি উল্লেখ কৰিছে । আইন অনুসৰি আৰু মাটি অধিগ্ৰহণ কৰিবলৈ বাকী আছে-নেকি বুলি সোধা প্ৰশ্নৰ উত্তৰত কৈছে যে আইন অনুসৰি ব্যৱস্থা লৈ থকা হৈছে । মোৰ কথা হৈছে এই চিলিং চাৰপ্লাচ মাটি কিমান ভূমি-হীন লোকৰ মাজত বিতৰণ কৰা হৈছে ? আৰু কিমান মাটি এতিয়াও অধিগ্ৰহণ কৰিবলৈ বাকী আছে আমি জনাত চিলিং উদ্বৃত মাটি অধিগ্ৰহণৰ নামত আচলতে মালিকৰ হাততে ৰৈ গৈছে । চিলিং উদ্বৃত মাটি দুখীয়া লোকক দিয়াৰ ব্যৱস্থা কৰিব লাগে । আজি চাহ বাগানৰ নামত বাগানৰ মালিক সকলে যিমান মাটি ৰাখিছে সকলোতে কিন্তু চাহ খেতি কৰা নাই । বহুত মাটি এনেয়ে পেলাই ৰাখিছে । এই মাটি চৰকাৰে উলিয়াই আনি সৰ্ব্বহাৰা কৃষকৰ মাজত বিতৰণ কৰিব লাগে । গড়া খহনীয়া আৰু বানত বিধ্বস্থ হোৱা লোকৰ মাজত আবণ্টন কৰাৰ ব্যৱস্থা কৰিব লাগে ।

অধ্যক্ষ মহোদয়, এইখিনিতে মই এটা কথা উল্লেখ কৰিব খুজিছো-যোৱা পৰহি আমাৰ মাননীয় মুখ্য মন্ত্ৰীয়ে বাজেটৰ ওপৰত হোৱা আলো-চনাৰ সামৰণি মাৰি দিয়া উত্তৰত এষাৰ কথা কৈছিল যে পশ্চিমবঙ্গ

চৰকাৰৰ আৰ্হিত এই বাজেট প্ৰস্তুত কৰা হৈছে। পশ্চিমবঙ্গ চৰকাৰৰ সৰ্ব্বহাৰাৰ আহিত আমাৰ মুখ্য মন্ত্ৰীয়ে বাজেট প্ৰস্তুত কৰাৰ কাৰণে তেখেতক মই ধন্যবাদ জ্ঞাপন কৰিছে। সৰ্ব্বহাৰাৰ পক্ষত থাকি মুখ্য মন্ত্ৰীয়ে বাজেট তৈয়াৰ কৰিছে এইটো ভাল কথা। মই তেখেতক এই খিনিতে এটা অনুৰোধ জনাইছো যে পশ্চিমবঙ্গ চৰকাৰে ভূমি আইনৰ যোগেদি ৰাজ্যখনৰ দুখীয়া, সৰ্ব্বহাৰা কৃষক সকলক যিখিনি সা-সুবিধা আগবঢ়াইছে আমাৰ চৰকাৰেও সেই আইন গ্ৰহণ কৰি তাত দিয়া সা-সুবিধাখিনি আমাৰ কৃষক তথা ভূমিহীন লোকক দিবলৈ অনুৰোধ জনাইছো। এই ক্ষেত্ৰত মই ৰাজহ মন্ত্ৰীকো অনুৰোধ জনাইছো এই বিষয়টোৰ ওপৰত গুৰুত্ব দিবলৈ। পশ্চিমবঙ্গৰ সৰ্ব্বহাৰা চৰকাৰেও টেক্স বঢ়াইছে সেয়ে আমাৰ চৰকাৰেও টেক্স লগাইছে। পশ্চিমবঙ্গ চৰকাৰে চিলিং আইন যি দৰে ব্যৱহাৰ কৰিছে, আধিয়াৰ আইনৰ যোগেদি আধিয়াৰ সকলক যিখিনি সা-সুবিধা প্ৰদান কৰিছে অসম চৰকাৰে তেনেদৰে কৰিব লাগে। এই খিনিকে কৈ মই মোৰ কৰ্ত্তন প্ৰস্তাৱ সমৰ্থন কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

মাননীয় অধ্যক্ষ : এতিয়া মাননীয় সদস্য গিয়াছুদ্দিন আহমদে কব।

★ শ্ৰীগিয়াছুদ্দিন আহমেদ : মাননীয় অধ্যক্ষ মহোদয়, মই এতিয়া কব খোজা নাই, পিচত কম।

মাননীয় অধ্যক্ষ : এতিয়া আল্লাউদ্দিন সৰকাৰে কব।

★ শ্ৰীআল্লাউদ্দিন সৰকাৰ : মাননীয় অধ্যক্ষ মহোদয়, ভূমি ৰাজহ শিতানত যি দাবী মঞ্জুৰী বিচাৰিছে তাৰ ওপৰত অনা কৰ্ত্তন প্ৰস্তাৱৰ সমৰ্থনত মই দুষাৰমান কবলৈ উলাইছো। অলপ আগতে মাননীয় সদস্য শ্ৰীনিজামুদ্দিন চাহাবে পশ্চিম বঙ্গ চৰকাৰৰ আৰ্হিত আমাৰ চৰকাৰে বাজেট প্ৰস্তুত কৰা সম্পৰ্কত যি বক্তব্য ৰাখিছে মইও সেই বিষয়েই বক্তব্য আৰম্ভ কৰিব খুজিছো। মুখ্য মন্ত্ৰীয়ে বাজেটৰ ওপৰত মোখনি মাৰি কৈছে যে

★ Speech not corrected

পশ্চিমবঙ্গ চৰকাৰৰ আহিত এই বাজেট প্ৰস্তুত কৰা হৈছে। এইটো ভাল কথা। মই এবাৰ আমাৰ ৰাজহ মন্ত্ৰীৰ লগত কথা বতৰা হওতে তেখেতে কৈছিল যে আপোনাৰ সমষ্টিলৈ গৈ এবাৰ পশ্চিম বঙ্গ চৰকাৰে মাটি বিতৰণৰ ক্ষেত্ৰত কি কি ব্যৱস্থা গ্ৰহন কৰিছে বুজ লব লাগিব। মই আনন্দেৰে কৈছিলো আপুনি আহক, মই পশ্চিমবঙ্গৰ একেবাৰে সীমাতে থকা মানুহ। তাত চৰকাৰ ইমানদিন কেনেকৈ বৰ্ত্তি আছে তেওঁলোকে কেনে ভূমি নীতি প্ৰয়োগ কৰিছে সেইবোৰ জানিলে আপোনাৰ লাভ হব। পশ্চিমবঙ্গৰ মাটিবোৰ আগতে জমিদাৰৰ হাতত আছিল, এইবোৰ কালক্ৰমত কেনেকৈ নি:ছিন্ন হৈ গ'ল আৰু এই মাটিবোৰ জমিদাৰৰ হাতৰ পৰা আহি কেনেকৈ সৰ্ব্বহাৰা কৃষকৰ মাজত আৱন্টন কৰা হৈছে সেই বিষয়ে আপুনি জানিলে ইয়াতো তেনে প্ৰথাৰ ব্যৱস্থা গ্ৰহণ কৰিব পাৰিব। আজি আমাৰ ৰাজহ মন্ত্ৰী চৰকাৰী পক্ষত আগশাৰীত বহি আছে। তেখেতে আহিৰ কথা নকৈ নিজে প্ৰত্যেক্ষ কৰি আহি হাতে কামে কৰি দেখুৱালে ভাল হব, তেখেতৰ নাম হব। আজি আমাৰ ৰাজহ মন্ত্ৰী বহুত বিভাগৰ লগত জড়িত। কৃষি কৰিবলৈ হলেও মাটি লাগিব, মাটিত জলসিঞ্চন কৰিবলৈ হলেও মাটিয়েই লাগিব, ড্ৰেইন এণ্ড এমবেংকমেণ্ট কৰিবলৈ হলেও মাটিয়েই লাগিব। এই বিভিন্ন বিভাগৰ লগত, বিভিন্ন মন্ত্ৰীৰ পাৰস্পৰিক বুজা বুজি থাকিব লাগিব-তেহে কাম কৰিব পৰা হব। মই এবাৰ এটা গড়াখহনীয়াৰ কথা লৈ গড়কাপ্তানী বিভাগৰ কাষ চাপিলো, কিয়নো গড়াখহনীয়াত ৰাষ্টাটো খহি যাব পাৰে। তেতিয়া গড়কাপ্তানী বিভাগে কলে যে আমি ৰাষ্টাৰ কামহে কৰো, খহনীয়া প্ৰতিৰোধ নকৰো। এনেকৈ থাকোতেই শেষত ৰাষ্টাটোও গ'ল আৰু মাটিও গ'ল। আমাৰ বিভাগবোৰ এনেকৈয়ে চলি আছে। ইটো বিভাগৰ লগত সিটোৰ পাৰস্পৰিক সহযোগিতা নাই। মই পুনৰ পশ্চিমবঙ্গৰ কথালৈ আহো স্বৰাজ পাৰ্টিৰ নেতা দেশবন্ধু চিত্ত ৰঞ্জন দাস ডাঙৰীয়াই এবাৰ এষাৰ কথা কৈছিল-"কৃষক বাচলে, কৃষি বাচব,

কৃষি বাচিলে, দেশ বাচিব, সকলোৰ দুখ কষ্ট দূৰ হৈবে" । এই কথাষাৰ পশ্চিমবঙ্গৰ পৰা গোটেই ভাৰতবৰ্ষত বৈ গ'ল । আমাৰ মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়েও যদি দেশবন্ধুৰ দৰে, আমাৰ ৰাজ্যখনৰ মাটিৰ সমস্যা সমাধান কৰিব পাৰে. লেণ্ড ৰিফৰ্ম কৰিব পাৰে তেন্তে তেখেতৰ নামো বৈ যাব গোটেই দেশতে । এটা সময়ত এষাৰ কথা আছিল- নাঙল যাৰ মাটি তাৰ ।

Mr. Speaker : Now the House Stands adjournd till 3-30 P. M. to-day.

( The House reassembled at 3-30 P. M. with Mr. Speaker in the Chair. )

Mr. Speaker : Now Shri Sarkar will resume his Speech.

★ শ্ৰীআলাউদ্দিন চৰকাৰ : মাননীয় অধ্যক্ষ মহোদয়, এই বিলাক কথা আমাৰ দেশে, আমাৰ ৰাষ্ট্ৰই গ্ৰহণ কৰিব লাগে । এখন কল্যাণকামী ৰাজ্য ৰাষ্ট্ৰ কৰিবলৈ চিন্তা কৰিলে সেই বিলাক জল-জল পট-পট কৈ থকা আহি গ্ৰহণ কৰিব পাৰি । সকলো খিনি পূৰণ কৰিব নোৱাৰিলেও বহু খিনি আগবাঢ়ি যাব পৰা যায় । সদ ইচ্ছা নাথাকিলে অৱশ্যে কোনো কামতেই আগবাঢ়িব নোৱাৰে । আমি যদি কেৰেলা ৰাজ্যৰ কথা ভাবো তেনেহলে দেখা যায় ভূমি সংস্কাৰৰ ক্ষেত্ৰত বহুত আগবাঢ়ি গৈছে । গতিকে অসমতো আমি চাব লাগিব কেনে ধৰণৰ পথ আছে । অসমত থকা পথবিলাক পৰীক্ষা কৰি চাব লাগে । অসম এখন কৃষি প্ৰধান দেশ । শতকৰা ৭৭ ভাগ মানুহেই কৃষি কাৰ্য্যত নিয়োজিত । তাৰোপৰি ৫০ ভাগ ঘৰুৱা ধৰণে কৃষি উৎপাদন হয় । কিন্তু কল্যানকামী ৰাজ্যত এই ব্যৱস্থাৰ উন্নতি কৰিলেহেতেন । কিন্তু আমাৰ ৰাজ্যৰ কৃষি ব্যৱস্থা হৈছে আওপুৰণি । আৰু সেই ব্যৱস্থাক আওপুৰণি কৰি ৰখা

★ Speech not corrected

হৈছে। মাটি যথেষ্ট আছে কিন্তু আমাৰ ভূমি নীতিৰ সংস্কাৰ নোহোৱা ৰাবেই পুৰণি ব্যৱস্থাতেই খেতি বাতি বা আন শষ্য উৎপাদন কৰিব লগা হৈছে। এই ব্যৱস্থাই যদি থাকে তেনেহলে সমস্যা কেতিয়াও সমাধান নহব আৰু কল্যানকামী ৰাজ্য হব নোৱাৰে। এই সমস্যা বিলাকৰ ভিতৰত দেখা যায় মাটি সংগঠন আৰু কৃষিৰ কাৰণে মাটি উপযোগী কৰি ৰখা। মাটিৰ ওপৰত জন বসতিয়েও ইয়াত যথেষ্ট বাধা দিছে। এইটোও ভূমি সংস্কাৰৰ ভিতৰতেই পৰে। যেনেকৈ জন সংখ্যা বৃদ্ধি পাইছে মই থলুৱা মানুহৰ কথাই কৈছো সকলোৱে কৃষিৰ ওপৰতেই নিৰ্ভৰ কৰে। কাৰণ তেওঁলোকৰ উদ্যোগ বা ব্যৱসায়ৰ প্ৰতি কোনো জ্ঞান নাই। তাৰোপৰি আমাৰ মানুহ খিনি হৈছে ঘৰ মূখী। কোনোৱে বাহিৰলৈ যাব নিবিছাৰে। খেতিৰ ওপৰতেই নিৰ্ভৰ কৰি আমাৰ অসমীয়া সমাজ বৰ্তি আছে। এই মাটি যদি আজি একেবাৰে খোলা কৰি দিয়া হয় তেন্তে কৃষক সকলৰ বাবে অন্যায় কৰা হব। মই নিজৰ অভিজ্ঞতাৰ পৰা কৈছো আজি যদি চৰকাৰে মাটিৰ বিক্ৰী স্বত্ব খোলা কৰি দিয়ে এই ভাবিয়েই যে এ, জি, পিয়ে এই কাম কৰিছে বুলি, তেন্তে মই ভাবো এইটো ভূল কৰা হব। আৰু এটা কথা কওঁ মানুহে হালধীয়া মানুহ দেখিলে যেনেকৈ জন্দিচ ৰেমাৰী বুলি ভাৱে ঠিক তেনেকৈ আন্দোলনৰ পাচত সকলোৱে লুঙি পিন্ধা বা দাড়ি থকা মানুহ দেখিলে বাংলাদেশী বুলি ভাৱে। কিন্তু এনে ধাৰণা নহয় যে বিদেশৰ পৰা আমাৰ ইয়ালৈ কোনোবা আহিলেই চাকৰি পাব, মাটি পাব, টকা-পইচা পাব সেই কাৰণেই আহে। এই সকলো খিনি আমাৰ নিজৰ কাৰণেই আমি কৰি লব পৰা নাই। কিন্তু কবলৈ হলে অসমীয়া মানুহে বেহা বেপাৰ, উদ্যোগ আদিৰ কাম নাজানে এই বিলাকেই সুযোগ ঘটাই বহিৰাগতক। মাটি খোলা দিলে নেচনেল হাইওৱেৰ কাষত থকা উপযোগী মাটি পৰি নাথাকিব এডোখৰ মাটিত ইটা খোলা তৈয়াৰ কৰিছে। তাৰ পৰা ট্ৰাকেৰে ইটা কঢ়িয়াই নিয়ে। তাৰ ওচৰৰ মাটি খিনি নষ্ট হৈ গৈছে।

এই বিলাক অবাধে সম্প্ৰাসৰণ হৈ আছে। বিক্ৰী স্বত্ব বন্ধ নকৰিলে এই সকলো বিলাক মাটি নষ্ট হৈ যাব। পশ্চিমবঙ্গত এনেকুৱা নিয়ম আছে যে কৃষিৰ মাটি বুলি জানিলে তৎক্ষনাত উলিয়াই দিয়া ব্যৱস্থা আছে। মাটিৰ ৰাবদ যিটো খাজানা ধৰা হৈছে সেইটো ক্ষতি কম ধৰা হৈছে। বৰ্ত্তমান মাত্ৰ এটকাকৈ ধৰা হৈ আছে। কিন্তু কৃষক সকলে খাজানা দিবলৈ উদ্‌গ্ৰীৱ। ইয়াৰ ওপৰিও বহুত জইণ্ট পৰিয়ালে বাতোৱাৰা পোৱা নাই। মই নিজেও লৈছিলো কিন্তু আজিলৈকে মাটি নামত নহল। আজিলৈ জৰীপ কৰা নহল, চিথা তৈয়াৰ ন'হল। তাৰোপৰি ভূমি সীমাৰ কথা কলে নহয়। এটা সীমা ধৰি দিব লাগে যাতে চাৰ্ভে চেটেলমেণ্ট সোনকালে হয়। কাৰণ কিছুমান পৰিয়ালত মাটি নিজৰ নামত নোহোৱা বাবেই কোনো লোন আদি লব পৰা নাই। অথবা কিবা কামত আগবাঢ়িব খুজিলেও আগবাঢ়িব পৰা নাই। সেয়ে কেৱল ঘৎবত মাটি বিত্তৰণৰ কথা নাভাবি অন্য ফালেও লক্ষ্য কৰিব লাগে। ১৯৮০/৮৫ চনতে উদ্বৃত্ব মাটি আৱণ্টন পোৱা পট্টন দিয়া হোৱা নাই। ১৯৮৪/৮৫ চনত ৭৭৪৮ বিঘা মাটি অধিগ্ৰহণ কৰা হৈছিল। তাৰ ভিতৰত ১১৫৭ হাজাৰ মাটি, ৩২৭ আৰু ২৬৬ জন পৰিয়ালক বিতৰণ কৰা বুলি দিছে। অসম ৰাজ্যত যিমান কৃষি শ্ৰমিক আছে তাৰ ভিতৰত প্ৰায় ২২ লক্ষ্য ভূমিহীন কৃষি শ্ৰমিক আছে। তেওঁবিলাকৰ ভিতৰত শতকৰা ৭ ভাগৰ ভিতৰত শতকৰা ৬ ভাগেই মাটি পোৱা নাই।

চাৰ, সেই কাৰণে মই কৈছো যে আমাৰ ৰাজহ মন্ত্ৰী মহোদয়ে এই সকলো বিলাক পৰ্য্যবেক্ষণ কৰা উচিত হব। যিখিনি হাতত পোৱা বস্তু সেইখিনি চাব লাগে। চৰকাৰে যদি আগবাঢ়িবৰ ইচ্ছা কৰে তেনেহলে অসুবিধা নহয়। আমি আন্দোলনৰ সময়ত বুজি পাইছো যদি তেখেতসকলৰ সদিচ্ছা থাকে তেনেহলে ভূমি সংস্কাৰৰ আমূল পৰিবৰ্ত্তন কৰিব পাৰিব। ইয়াৰ ওপৰত নিৰ্ভৰ কৰিয়েই আমাৰ ৰাজ্যখন নদনবদন কৰিব পাৰিব। চাৰ আমাৰ চৰকাৰে জন্তু জানোৱাৰৰ খবৰ

ৰাখে, কাজিৰঙাত কেইটা গড় আছে তাৰ খবৰ ৰাখে, প্ৰকল্পত কিমান বাঘ আছে তাৰ হিচাব ৰাখে কিন্তু আমাৰ কৃষক সকল খেতিৰ মালিক হোৱাৰ পৰিবৰ্ত্তে কৃষিশ্ৰমিকতহে পৰিণত হ'ল। সেই বিলাক কথা ৰাজ্য চৰকাৰে কব নোৱাৰে। বাইশ লাখ আছিল ভূমিহীন শ্ৰমিক সেই তাহানিৰ দিনতে। আমাৰ গাওঁৰ ফালে কয় খুটা জগন্নাথ বিধান সভালৈ আহিছে। বিধান সভাৰ কাৰ্য্যকাল হৈ যাব। সকলোৱে ভাবে ৰাষ্টা কৰাৰ মালিক, চাকৰি দিয়াৰ মালিক। বিধায়কসকলে কাপোৰ কানি সকলো বিলাক যোগাৰ কৰি তেওঁলোকৰ ঘৰলৈ নিয়ে বুলি ভাবে। বিধায়ক সকলৰ ভূমিকা আচলতে নোহোৱা হৈ গৈছে। অবিভক্ত গোৱালপাৰা জিলাত চিৰস্থায়ী বন্দৱস্ত থকাৰে পৰা মধ্যস্বত্ব ভোগী ব্যৱস্থা অব্যাহত আছে। চৰকাৰৰ লগত যোগাযোগ কৰি টেষ্ট্ৰ ৰিলিফৰ টকা বিলাক লৈ আছে। সৰিয়হ, মাহ, তিল সকলো বিলাক নিজৰ নামত, জোঁৱাকেৰ নামত নিজৰ ল'ৰা ছোৱালীৰ নামত লৈ আছে। চিলিঙৰ মাটিখিনি চৰকাৰে অফিচতে বহি বহি দিলে। হাতত আছিল নে নাই সেইটোহে কথা। ৰায়ত বিলাক হৈ গ'ল ধান কটা পাৰ্টি। ১৯৭৪-৭৫ চনত ধুবুৰীত কাম কৰি খোৱা মানুহখিনিৰ কি অৱস্থা হ'লগৈ। বাটে ঘাটে পৰি মৰিবলগীয়া হৈছিল। কেৱল ভূমি সংস্কাৰ নোহোৱাৰ কাৰণেই কৃষি শ্ৰমিকত পৰিণত হ'ল। ৰুৰেল ডেভলাপমেণ্টত যিবিলাক কাম আছে সেই বিলাক সংশ্লিষ্ট মন্ত্ৰী ডাঙৰীয়াই ৰিপোৰ্টত খবৰ নিশ্চয় পাইছে। সেই বিলাকতো লুটপাত হৈ আছে। কৃষি শ্ৰমিক খিনিয়ে পোৱা নাই কিন্তু বাকী খিনিয়ে লুটপাত কৰি আছে। আগতে মধ্যস্বত্বভোগী আছিল তাৰ পিচত সেই সকলৰ পৰাই বি-ডি-অ', এক্স্‌টেনচন অফিচাৰ, জে-ই আদি ডাঙৰ ডাঙৰ অফিচাৰ হৈছে আৰু সকলোৱে লুটপাত কৰি আছে। আমাৰ ৰাজহ মন্ত্ৰীয়ে পশ্চিমবঙ্গলৈ গ'লে এই বিলাক কথা চাব পাৰিব। তাত পঞ্চায়তৰ জৰিয়তে মানুহখিনিক কাম দিয়াৰ ব্যৱস্থা কৰিছে। তেনেকৈ প্ৰান্তিকত ক্ষুদ্ৰৰ পৰা ক্ষুদ্ৰতম মাটিলৈকে

ব্যৱস্থা লৈছে। বিভাগৰ হাতত মাটি আছে আৰু ঠিকাদাৰৰ হাতত জিষ্ট আছে। সেই মতে ৯ বিঘা, ৭$\frac{1}{2}$ বিঘা বা হেক্টৰ পৰ্য্যন্ত মাটি আছে। বেংকৰ লগত যোগাযোগ কৰি দিছে আৰু ফচল আহিলেই মিটাই দিছে। খাজনা পৰ্য্যন্ত মিতাই দিয়া হৈছে। লোন আদি পোৱাৰ কাৰণেও অফিচাৰে যোগাযোগ কৰি আছে। এই ব্যৱস্থা বিলাক চাই আহিব লাগে। কেৰেলা ৰাজ্যত কৃষি শ্ৰমিক সকলৰ কাৰণে সকলো কৰা হৈছে আৰু আনকি আইন এখনো প্ৰনয়ণ কৰা হৈছে। সেই আইনৰ জৰিয়তে গোটেই কৃষকসকলক সংস্থাপন কৰাৰ ব্যৱস্থা কৰা হৈছে। চৰকাৰী ব্যৱস্থা মতে ইনচিওৰ কৰা হৈছে। তাত যদি হব পাৰে আমাৰ ইয়াত কিয় হব নোৱাৰে। অসমত কি নাই। এইখন ভাৰতবৰ্ষ নহয়। এচিয়া মহাদেশ নে পৃথিৱীৰ কথা নহয়। যিখিনি দৰিদ্ৰ সীমাৰেখাৰ তলত আছে সেই খিনি কিয় আছে আৰু কোন কোন আছে সেইটো চাব লাগিব। মোৰ মতে অন্ন, বসতি-আৰু বস্ত্ৰৰ যিয়ে ব্যৱস্থা কৰিব নোৱাৰে সেই সকলহে দৰিদ্ৰ সীমাৰেখাৰ তলত আছে।

মাননীয় অধ্যক্ষ : আপুনি গ্ৰাণ্টৰ ওপৰত কওঁক।

শ্ৰীআলাউদ্দিন সৰকাৰ : অধ্যক্ষ মহোদয়, সাহিত্য সংস্কৃতিমূলক অনুষ্ঠানৰ লগত জড়িত কাৰণেই কথা বিলাক ওলাইছে।

(ভইচ : কবিৰ দৰে কাবিক ভাষাত কৈছে।)

(ভইচ : মন্ত্ৰীয়ে আপত্তি কৰা নাই, কব দিব লাগে।)

অধ্যক্ষ মহোদয়, ন-আটক নাটক। ভালকৈ কবলৈ হলে :

'পৰেৰ যায়গা পৰেৰ জমি লব বাঁধিয়া আমি ৰই,

আমিতো সেই ঘৰেৰ মালিক নই'। সেই কাৰণেই কৈছো চাব অসম চহকী ৰাজ্য। কি নাই অসমত। কিন্তু অসমতো মানুহ দৰিদ্ৰ সীমাৰেখাৰ তলত থাকিব লাগে। কি প্ৰয়োজনত। যি খিনি মানুহে খাদ্য বস্তু যোগাৱ কৰিব নোৱাৰে, জাৰ কালিৰ কাৰণে এডোখৰ কাপোৰ, জহকালিৰ কাৰণে অকণি আশ্ৰয় যোগাৱ কৰিব নোৱাৰে, সেইখিনি

মানুহেই দৰিদ্ৰ সীমাৰেখাৰ তলত আছে। চিকিৎসা আৰু শিক্ষা আদি মৌলিক অধিকাৰৰ গণতন্ত্ৰৰ কথা নকলোৱেইবা। গণতান্ত্ৰিক অধিকাৰ মতে এই দুয়োটাই হেনো মৌলিক অধিকাৰৰ বস্তু। কল্যাণ-কামী ৰাষ্ট্ৰৰ কৃষি শ্ৰমিকৰ কি হৈছে। চাহবাগিচা মাটিৰ মালিকৰ ওচৰত বিক্ৰী কৰি দিছে। ৰায়তী স্বত্ব খৰ্ব্ব কৰি পেলোৱা হৈছে। আবহমান কালৰ পৰা যুগ যুগ ধৰি সেই মাটিকে অৱলম্বন হিচাবে বসবাস কৰি কাম কাজ কৰি কৃষি কাৰ্য্যত ব্যাপৃত হৈ খাই থকা মানুহ বিলাকক বঞ্চিত কৰি আন পঙ্গুৰ নামত দিয়া হৈছে ৰায়তী স্বত্ব খৰ্ব্ব কৰা হৈছে। এনেকৈয়ে ভূমি সংস্কাৰ হৈ আছে। আচলতে আমি ৰুচি আৰু শুচি সম্পন্ন ৰাজহ মন্ত্ৰী পোৱা কাৰণেহে এই কথা খিনি কবলৈ ওলাইছো।

(সদনত হাঁহিৰ ৰোল উঠে)

হয়। ৰাজহ মিনিষ্টাৰৰ টকা পইচা আছে। মাটিৰ মালিক।
(ভইচ : আলাউদ্দিনৰ চাকি নাই)

ব্ৰহ্মপুত্ৰত দোনেশ্বন দিলে, গঙ্গাধৰত দোনেশ্বন দিলে, কলং কপিলীত দিহং দিচাঙত দোনেশ্বন দিলে, মাটি থাকিব ক'ৰ পৰা। মাটি ৰক্ষা কৰিব লাগিব। অসমক ৰক্ষা কৰিব লাগিব। খেতিৰ মাটি ৰক্ষা কৰিব পাৰিলেহে অসম ৰক্ষা পৰিব। কৃষিৰ ব্যৱস্থা ভাল হলেহে অসমত শান্তি ঘুৰি আহিব। এনে শান্তি আহিব যে স্বয়ং মুখ্যমন্ত্ৰী মহোদয়েও ক'লা মেকুৰীৰ মাজৰ পৰা ওলাই অহাৰ ব্যৱস্থা হব। তেনে পৰিবেশ হব। তেতিয়া ম্যান অব দি ইয়েৰৰ সলনি ম্যান অব দি ষ্টেট বুলি মানি লব সকলোৱে। এই ক্ষেত্ৰত ৰাজহ মন্ত্ৰীয়ে অকলে জোৰ দিব লাগিব। লেণ্ড একুইজিশ্বন কৰিলেই মাটি পায়। মাটি একুইজিশ্বন কৰিলেও তাৰ কাৰণে যি টকা দিব লাগে সেই টকা পোৱা নাই। বহুত টকা পাবলগীয়া হৈ পেণ্ডিং হৈ আছে।

অধ্যক্ষ মহোদয়, ধুবুৰীৰ ই-এণ্ড-ডি বিভাগতে এতিয়া আৰু দুই

কোটি কৈ টকা দিব লগীয়া হৈছে। গড়াখহনীয়া হৈয়েই আছে। এতিয়াও গদাধৰ নৈয়ে খহনীয়াৰ সৃষ্টি কৰিয়েই আছে। মাটি ধংস হৈ গৈয়েই আছে। আমাৰ যে জলসিঞ্চন বিভাগটো জল-সিঞ্চন হে হৈছে। তেওঁলোকে সিঞ্চিত কৰি দিব। একেবাৰে এক্সপাৰ্টে কৈছে।

( ভইচ : আপুনি জলসিঞ্চনলৈ গ'ল দেখোন )

জলসিঞ্চন, পশুপালন, শিক্ষা এই সকলো মাটিৰ লগত জড়িত। অসমৰ জন-গণই আবেদন জনাইছে কিন্তু তালৈ কাণষাৰ নাই। মুখৰ কথাত অসম খন নদন-বদন হৈ উঠিব ? অসমৰ বাইজে সুহুঁৰি বজাব। সেয়ে মই কৈছো এটা সুস্থ নীতি গ্ৰহণ কৰক। যাৰ দ্বাৰা আমাৰ জলন্ত ভূমি হীন সমস্যা সমাধান হব পাৰে।

শ্ৰীদ্বীপেন্দ্ৰ বংপী : মাননীয় অধ্যক্ষ মহোদয়, ৰাজহ শিতানত যিটো কৰ্ত্তন প্ৰস্তাৱ উৎথাপন কৰিছে সেই কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰি দুই চাৰিষাৰ কথা দাঙি ধৰিব বিচাৰিছো। ওপৰোক্ত বক্তা সকলে ভূমি সমস্যা সম্পৰ্কত যি বক্তব্য ৰাখিছে সেই সমস্যা সমূহ সমাধান কৰিবলৈ অসম চৰকাৰে যদি সদ চিন্তা নকৰে তেনেহলে ভূমি সমস্যা অতি সোনকালে আৰু বেছি জটিল সমস্যা ৰূপে দেখা দিব। মাননীয় সদস্য সকলে দাঙা দাঙি ধৰি কৈছে যে অসমৰ শতকৰা ৮৫ ভাগেই খেতিয়ক, শতকৰা ৮৫ ভাগেই খেতি কৰি খায়। কিন্তু এওঁলোকৰ বহুতৰে পট্টা নাই। ভাৰতবৰ্ষ স্বাধীন হোৱা আজি ক'ত বছৰ হ'ল আজিলৈ জৰীপ সম্পূৰ্ণ কৰিব পৰা নাই, নগালেণ্ডে আজিও হেচি থেলি অসমৰ মাটিত সোমায়ে আছে, মেঘালয়ে আহি আছে অসমে কিন্তু জৰীপ আজিও সম্পূৰ্ণ কৰিব পৰা নাই। এতিয়ালৈকে নন কেদেষ্ট্ৰেল মাটি বহুত পৰি আছে। ভাৰত স্বাধীন হোৱা ভালেমান বছৰ হ'ল আজিও সীমা বিবাদ নুগুচিল, আমাৰ ধাৰণা হয় দিশপুৰ ৰাজধানীও মেঘালয়ে দখল কৰিব। মাটিৰ কাৰণে অসমৰ জনসাধাৰণে হয়তো আন্দোলন কৰিব আৰু মোৰ বোধেৰে এই আন্দোলন আলফাৰ আৰ্মচ ষ্ট্ৰাগুলতকৈও বেছি হব। অসমৰ মানুহে

অসমৰ প্ৰকৃত খেতিয়কে যদি অচিৰে মাটিৰ মালিকি স্বত্ব নাপায় তেনে হলে নিশ্চয় খেলি মেলিৰ সৃষ্টি হব আৰু এই খেলি মেলিৰ পৰা মোৰা-মোৰিয়া বিদ্ৰোহ হোৱাৰ সম্ভৱনাই বেছি। অসমৰ সৰ্বসাধাৰণ ৰাইজেই খেতিয়ক, ৰাজহ শিতানত যিমান টকাই নধৰক কিয় যদি দুখীয়া খেতিয়কক মাটিৰ পট্টা দিব নোৱাৰে জৰীপ কাৰ্য্য সোনকালে সম্পূৰ্ণ কৰিব নোৱাৰে তেনেহলে এই টকা নষ্ট হৈ যাব। এই টকাৰ দ্বাৰা অসমৰ জনসাধাৰণ উপকৃত নহৈ চাহ বাগানৰ মালিক সকলেহে উপকৃত হব। এই টকা আহিছে লুঙ্গি, চাবোন, গেঞ্জিৰ ওপৰত লগোৱা কৰৰ পৰা। এই টকা ৰাইজে দিব লাগিব। কিন্তু দুখীয়া ৰাইজক যদি মাটিৰ পট্টা দিব নোৱাৰে তেনেহলে বিৰাট বিৰাট ধনী চাহ কোম্পানীৰ মালিক সকলৰ হাতলৈ এই টকা গুছি যাব। সেয়েহে ৰাজহ শিতানত ধৰা এই টকা কেতিয়াও সমৰ্থন কৰিব নোৱাৰো। আজি ৰাজহ বৃদ্ধি কৰিবলৈ লৈছে। কিন্তু মাটিৰ ৰাজহ বৃদ্ধি কৰাৰ আগতে মাটিক শ্ৰেনীভুক্ত কৰিব লাগিব যে এইখিনি চাহ খেতিৰ মাটি, এইখিনি ধান খেতিৰ মাটি। খেতিৰ মাটিৰ ৰাজহ বঢ়োৱাৰ লগে লগে চাব লাগিব যাতে ধনী চাহ খেতিয়ক সকল তাৰ পৰা বাদ পৰি নাযায়। গতিকে মই বাৰে বাৰে কৈছো মাটিৰ ৰাজহ বঢ়োৱাৰ আগতে অসমৰ মাটিক শ্ৰেনীভুক্ত কৰক। এই-খিনি কমাৰ্চিয়েল মাটি, এইখিনি নন কমাৰ্চিয়েল। এই ক্ষেত্ৰত মই আপোনাৰ যোগেদি ৰাজহ মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিলো। অধ্যক্ষ মহোদয়, অসমৰ শতকৰা ৮৫ জন লোকেই খেতিয়ক। যদি অসম চৰকাৰে সচাকৈ এই শতকৰা ৮৫ জনৰ কথা চিন্তা কৰে তেনেহলে অবিলম্বে ভূমিৰ মালিকি স্বত্ব অসমৰ ৰাইজক প্ৰদান কৰিব লাগে। চৰকাৰৰ যি নীতি নিয়ম বা পদ্ধতি সেই পদ্ধতিৰে দুখীয়া খেতিয়কক মাটি পট্টন দিব লাগে। আজি অত বছৰে এই দুখীয়া লোক সকলক মাটিৰ পট্টা দিব নোৱাৰা কাৰণে বিধায়ক হিচাবে আমি লাজ পাব লাগিছিল। মন্ত্ৰী হিচাবে আপোনালোকে লাজ পাব লাগে। বিৰাট বিৰাট চাহ কোম্পানীৰ

মালিক সকলে লাখ লাখ বিঘা মাটিৰ মাটি পট্টন পাইছে কিন্তু স্বাধীনতাৰ অ'ত বছৰ পিছতো খেতিয়কে মাটিৰ পট্টন পোৱা নাই কিয় ? It is very much negligence on the part of the suceessive Government.

অধ্যক্ষ মহোদয়, অসমৰ বৰ্ত্তমানৰ ভূমি নীতিৰ আমূল পৰিবৰ্ত্তন সাধিব লাগিব । এই আমূল পৰিবৰ্ত্তন সাধিব নোৱাৰিলে বাজেটত আমি যিমান টকাই নধৰো কিয় প্ৰকৃত খেতিয়ক তাৰ পৰা বঞ্চিত হব । দুখীয়া খেতিয়কৰ চিন্তা নকৰিলে এই শতকৰা ৮৫ জন খেতিয়কে এক গোট হৈ আন্দোলন আৰম্ভ কৰিব আৰু তেতিয়া আলফাই কৰা সমস্যাৰ নিচিনা সাংঘাটিক সমস্যাৰ সৃষ্টি হব ।

মাননীয় অধ্যক্ষ মহোদয়, তাৰ পিচত আৰু এটা কথা ডাঙি ধৰিব বিচাৰিছো যে দিশপুৰ আশে পাশে থকা কাৰ্বি সকলৰ মাটি আছিল । সেই সকলৰ কাৰণে চৰকাৰে একোৱেই ব্যৱস্থা নকৰিলে । দিশপুৰৰ আশে পাশে থকা কাৰ্বি সকলে মোক এইটো কথা আপত্তি দিছে । তেওঁলোকৰ কাৰণে চৰকাৰে অলটাৰনেডিভ একোৱেই ব্যৱস্থা নকৰিলে । ৫/৬ শ ফেমিলি ইয়াৰ পৰা গৈছে । তেওঁলোকে ৰাজধানীৰ কাৰণেই মাটি দিছিল । গতিকে তেনেকুৱা মানুহখিনিক এতিয়া চৰকাৰে বঞ্চিত কৰি ৰাখিছে । ইয়াতকৈ আৰু লাজৰ কথা কি আছে ? এইটো মই আজি ফিল কৰিছো । লাজ পাব লগীয়া কথা ।

মাননীয় অধ্যক্ষ মহোদয়, অসম চৰকাৰে নবেম্বৰ ডিচেম্বৰ মাহতে কৈছিল, পেপাৰে পত্ৰই ওলাইছিল আৰু টি, ভি আদিটো দিছিল যে দুখীয়া মানুহক মালিকীস্বত্ব পট্টা প্ৰদান কৰিব । পট্টাৰ চিচটেম হেনো পাচবুক আকাৰত কৰিব । শোনিতপুৰ জিলাৰ দুখীয়া কাৰ্বি সকলক চাহ বাগানৰ কোম্পানীৰ স্বাৰ্থৰ খাতিৰত যোৱা ইংৰাজী মাহৰ ২৬ তাৰিখে ৰিপাবলিকডে'ৰ দিনা আন অথৰাইজ অকোপেচনৰ নামত বহুতো কাৰ্বি লোকক হত্যা কৰা হৈছে । মই আজি ইয়াত ডাঙৰ ডাঙৰ কথা

কৰলৈ অহা নাই। হোৱাট ইজ ট্ৰু সেইটোহে দৃষ্টি আকৰ্ষণ কৰিব খুজিছো। তেনেকুৱা হৈ থাকিলে আমাৰ কাৰ্বি সকলেও এদিন দিশপুৰ বিচাৰিব। তেওঁলোকৰ কাৰণে যদি একো নকৰে তেতিয়াহলে বড়োলেণ্ডৰ নিচিনাকৈ কাৰ্বি সকলেও এদিন দিশপুৰ বিচাৰিব। তাৰ বাবে তেওঁলোকে মাত মাতিব, হাত হাবতি বহি নেথাকিব।

মাননীয় অধ্যক্ষ মহোদয়, মোৰ বহুতো কথা কবলৈ আছে সেই গোটেই বিলাক কবলৈ বিচৰা নাই। মাত্ৰ বিভাগীয় মন্ত্ৰী মহোদয়ক আপোনাৰ জড়িয়তে এটা কথা কব বিচাৰিছো দিশপুৰৰ আশে পাশে যিসকলক এচ, টি বুলিয়েই নহয় ট্ৰাইবেল ব্লকত থকা নাই সেই সম্প্ৰদায় সকলক মাটি প্ৰদান কৰে অন্যথাই মই ভাবো তেওঁলোকেও অটন'মাচ ডিষ্টিক কাউন্সিলৰ দৰে দিমাণ্ড কৰিব তেওঁলোকে বিচাৰিব। তেওঁলোকে মোক এখন মেম্‌ৰেনডাম দিছে এই সম্পৰ্কত। আজি মাটিৰ সংক্ৰান্তত চাৰ্ভেৰ যিটো খেলি-মেলি সেইটোত বাইজে এদিন মুৰ ডাঙি উঠিব। গতিকে আপোনাৰ যোগেদি আজি বিভাগীয় মন্ত্ৰী শ্ৰীশৰ্মা ডাঙৰীয়াক জনাব বিচাৰিছো যে যিটো এই বিভাগত কাৰ্ট মোচন আহিছে সেইটো সমৰ্থন কৰিছো। আৰু ৩/৪ টা পইণ্ট অসম চৰকাৰ তথা বিভাগীয় মন্ত্ৰী ডাঙৰীয়াক জনাই মোৰ বক্তব্য সামৰণি মাৰিলো।

মাননীয় অধ্যক্ষ ঃ মাননীয় সদস্য শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী ডাঙৰীয়াই আজি ভূমি ৰাজহ বিভাগত কবলৈ আহিছে কিন্তু তেখেতে পাঠান ড্ৰেচ পিন্ধি আহিছে।

( --- সদনত হাঁহী )

★ শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, একচুৱেলি মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে মোৰ কাৰণে যোৱা কালি যথেষ্ট ছেক্ৰিফাইজ কৰিলে। সেইকাৰণে আজি তাৰ বাবদ পেকটিচ আৰম্ভ কৰিছো। ( সদনত হাঁহী )

আজি ৰাজহ বিভাগত যিটো দাবী মঞ্জুৰীৰ কৰ্ত্তন প্ৰস্তাৱ আহিছে

★ Speech not corrected

সেইটো মন্ত্ৰী মহোদয়ক বেয়া পাই অনা নাই। তেখেতে মোক ভাল পায় সেইটো কথা মই জানো। তেখেতে হয়তো ভাবিছে চন্দ্ৰমোহন পাটোৱাৰীয়ে বেলেগ কথা কয় নেকি। সেইটো তেখেতে ভয় কৰিবলগীয়া একো নাই। মই ধৰ্মপুৰ ৰাইজৰ অনুগ্ৰহতেই বিধায়ক হৈছো। তেওঁলোকৰ যিবিলাক দাবী সেই দাবী বিলাক মই ইয়াত উংথাপন কৰিবই লাগিব। মই ট্ৰেজাৰী বেঞ্চত থাকিলেও কৰিব লাগিব, অপোজিচন বেঞ্চত থাকিলেও লাগিব। (ভইচ--আপুনি কালি কৈছে চি, এমও হব পাৰে) সেইটো ভৱিষ্যতৰ কথা চাৰ। যিবিলাব কথা বিভাগৰ লগত জড়িত থাকে সেই সকলো বিলাক বিভাগ অনুসৰি মই মাত মাতি আহিবই লাগিব। মাননীয় মন্ত্ৰী গৰাকীয়ে ভয় খাব নেলাগে। মই মাত্ৰ কব বিচাৰিছো যে কেতিয়াবা কেতিয়াবা বালিৰ ধুমুহা আহে সেই ধুমুহাত চকী, টেবুল মেজ লেটেৰা কৰি থৈ যায় সেইবিলাকত মাত্ৰ ফুলপানী চতিয়াই চফা কৰি লয় সেইটো হে কব বিচাৰিছো। আজি ৰাজহ বিভাগত যিখিনি টকা দিবলৈ ওলাইছে তাত বিভাগীয় মন্ত্ৰী মহোদয়ে কব যে তেখেতে এই খিনি কৰিব লাগিছিল, কৰিব পৰা নাই, কাৰণ পইচা নাই। সেইটো এটা কমন্ এন্চাৰ হব।

অধ্যক্ষ মহোদয়, এই বাজেট খনৰ সম্পৰ্কত ৰাজহ বিভাগৰ শিতানত যিখিনি টকা ধৰা হৈছে আৰু এই বিষয়ে যোৱাকালি মুখ্য মন্ত্ৰী মহোদয়েও ভূমি ৰাজহ, কৰ্ম্মচাৰী সকলৰ দৰমহা আদি ক্ষেত্ৰত কিছুমান কথা উল্লেখ কৰি গৈছে। কৰ্ম্মচাৰী সকলৰ দৰমহা, মৰগীয়া বানচ আদি প্লেন মানিৰ পৰা দিয়া হৈছে। আন এঠাইত ডিষ্ট্ৰিক্ট এড্মিনিষ্ট্ৰেচনৰ ক্ষেত্ৰতো দৰমহা আদি প্লেন মানিৰ পৰাই দিয়া দেখুৱাইছে। সেই কাৰণে মই কব খুজিছো যে এইবাৰ প্লেন মানি খিনি দৰমহা আদত ধৰি চাৰপ্লাচ বাজেট দেখুৱাই উন্নয়ন মূলক কাম খিনি ৰাদ দিব নেকি? এতিয়া আমি এটা কথা চিন্তা কৰিবলৈ বাধ্য হৈছো যে প্লেনৰ টকাখিনি দৰমহা আদিত খৰচ কৰিলে যদিহে কিবা কাৰণত নন্ প্লেনৰ টকাখিনি নাহে তেনেহলে কি

কৰিব ? আমি আশা কৰা টকা খিনি যদি সময়ত কিবা কাৰণত নাপাওঁ তেনেহলে উন্নয়ন মূলক কামবিলাক কৰিব কেনেকৈ ? ৰুটি, পাউৰুটিত টেক্স লগায় যিখিনি পইচা পাব সেইখিনি যদি মণ্ডল, কাননগুক দিওতে যায় তেনেহলে অন্যান্য কামবোৰ কৰিব কেনেকৈ ? সেই কাৰণে এই কথাটোত মই সন্তোষ পোৱা নাই। অৱশ্যে এইটোৰ কাৰণে আমাৰ ৰাজহ মন্ত্ৰী ডাঙৰীয়া দায়ী নহয়। আমাৰ বিত্ত বিভাগৰ দায়িত্বত থকা মুখ্যমন্ত্ৰী মহোদয়ে এই কথাবোৰ চাব লাগিছিল আৰু সেই কাৰণে মই ৰাজহ মন্ত্ৰী মহোদয়ৰ জ্ঞাতাৰ্থে আৰু তেখেতৰ সুবিধাৰ কাৰণে উল্লেখ কৰিলো। ভূমি ৰাজহৰ ক্ষেত্ৰত সংস্কাৰ মূলক যিখিনি কাম কৰিব লাগিছিল সেইখিনি এই বাজেট খন ৰনোৱা সময়তে কৰিব লাগিছিল। মাটিৰ কথাটোৰ নিচিনা আৰু আন ডাঙৰ কথা পৃথিবীত নাই। এই মাটিৰ কাৰণেই কৌৰৱ সকলে যেতিয়া পাণ্ডৱ সকলক এক সূচ্যাগ্ৰও মাটি নিদিও বুলি কৈছিল তেতিয়া মহাভাৰতৰ যুদ্ধৰ সুত্ৰপাত হৈছিল। সেই কাৰণে আমি বিৰোধী পক্ষৰ সদস্য সকলে আলোচনা সমালোচনাৰ মাজেৰে যিখিনি কথা কওঁ সেই খিনি তেওঁলোকে খং নকৰাকৈ শুনিব লাগে। কাৰণ, পাণ্ডৱ সকলক স্বয়ং শ্ৰীকৃষ্ণই সহায় কৰাৰ দৰে আমি বিৰোধী সদস্য সকলেও চৰকাৰক সমালোচনা আৰু পৰামৰ্শ দি সহায় কৰি আছো। গতিকে আমাৰ পৰামৰ্শখিনি তেওঁলোকে অলপ শুনি বিবেচনা কৰিলে ভাল হয়।

অধ্যক্ষ মহোদয়, মোৰ কথাখিনি বোধহয় আমাৰ পশুপালন বিভাগৰ মন্ত্ৰী মহোদয়ে শুনা নাই, তেখেত শুই আছে। তেখেতক জগায় দিলে ভাল হয়। --------( সদনত হাঁহি )--- ----।

★ শ্ৰীগিয়াচুদ্দিন আহমেদ : অধ্যক্ষ মহোদয়, শুই থকাতো বোধকৰো আনপাৰ্লিয়েমেণ্টেৰী নহয় কিন্তু শ্ন’ৰিং কৰি থকাতো আনপাৰ্লিয়েমেণ্টেৰী।

--------( সদনত পুনৰ হাঁহি )--------

★ Speech not corrected

★ শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী : অধ্যক্ষ মহোদয়, আমাৰ যিখন চিলিং আইন কৰা হৈছিল তাৰ দ্বাৰা অসমৰ গৰীব ৰাইজৰ কিবা উপকাৰ হব বুলি ৰাইজে স্বস্তিৰ নিশ্বাস পেলাইছিল। তেওঁলোকে ভাবিছিল যে ইয়াৰ দ্বাৰা আমাৰ কিবা এটা হব। কিন্তু তাৰ দ্বাৰা অসমৰ কিমানজন সাধাৰণ মানুহ উপকৃত হল সেইটো সকলোৱে জানে। অৱশ্যে ৰাজহ মন্ত্ৰী মহোদয়ে এটা কথা কব পাৰে যে আপোনালোকে পাচ বছৰ শাসনত থাকি কি কৰিলে। কিন্তু তেখেতে যেন তেনেকৈ উত্তৰ নিদিয়ে তাৰ কাৰণে মই তেখেতক অনুৰোধ কৰিলো। গতিকে চিলিং আইন খনত যিখিনি ব্যৱস্থা আছে সেইখিনি ৰূপায়ন কৰাৰ কাৰণে চেষ্টা কৰিব লাগে। কুৰি দফীয়া কাৰ্য্য সূচীৰ ক্ষেত্ৰতো ভূমি নীতি ক্ষেত্ৰত অসমৰ পাৰফৰমেঞ্চ বৰ বেয়া। এই ব্যৱস্থাবোৰ ৰূপায়ন কৰাৰ কাৰণে চৰকাৰে চিন্তা কৰিব বুলি এই কথাখিনি মই মন্ত্ৰী মহোদয়ৰ দৃষ্টি ভংগীমাৰে কলো

অধ্যক্ষ মহোদয়, এইখিনিতে মই আৰু এটা কথা উল্লেখ কৰিব খুজিছো। অৱশ্যে মই কোনো ব্যক্তি বা অনুষ্ঠান বা চৰকাৰৰ বিৰুদ্ধে কবলৈ নাযাও। সেইটো হল-অসমৰ চাহ বাগিছা আৰু অইল ইণ্ডিয়াই দখল কৰি থকা হাজাৰ হাজাৰ বিঘা মাটি সম্পৰ্কত। এওঁলোকে অসমৰ মাটি কোনোবাই ৫০ বছৰ, কোনোবাই ১০০ বছৰ বা কোনোৱাই হয়তো ২০০ বছৰলৈ লিজত লৈ তেওঁলোকৰ কাম চলায় আছে। কিন্তু ইয়াৰ পৰা অসমে যিখিনি মুনাফা পাব লাগিছিল সেইখিনি পোৱা নাই। ইয়াৰ আগৰ চৰকাৰৰ দিনত এই মাটিবোৰৰ ক্ষেত্ৰত এটা কৃষি কৰ লগোৱা হৈছিল। কিন্তু নানাবোৰ কাৰণে সেইটোও আদায় কৰিব পৰা নাই। সেই কাৰণে এই মাটিৰ পৰা উপযুক্ত হাৰত কৰ আদায় কৰাৰ কাৰণে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

অধ্যক্ষ মহোদয়, আমাৰ কথাটো হ'ল যিখিনি এশ বছৰৰ ভিতৰত স্পেচিয়েল প্ৰভিজন দি মাটি দিছে সেই সকল ধনী মানুহ। যি সকলক

★ Speech not corrected

৫০ বছৰৰ কাৰণে লিজত দিছে সেইখিনিৰ ওপৰত কৰৰ ব্যৱস্থা কৰিব লাগে। এষ্টিমেট কমিটিৰ এখন চাব কমিটি কৰি দিছে টেক্স আদি লোৱাৰ সম্পৰ্কে। সেই কমিটিত আমাৰ মাননীয় সদস্য শ্ৰীপৃথিবী মাঝিক চেয়াৰমেন কৰা হৈছে আৰু মইও তাৰ সদস্য হিচাবে আছো। আমি এই কথা বিলাক বিবেচনা কৰি আছো। অসমৰ ৰাজহৰ ওপৰত লক্ষ্য কৰি তাৰ ওপৰত টেক্স বা অন্যান্য ব্যৱস্থা কৰি অসমৰ ৰাজ ভৰাললৈ পইচা আনিব পাৰি নেকি তাৰ চিন্তা কৰা হৈছে।

অধ্যক্ষ মহোদয়, মই অইল চেক্টৰ মাটিৰ বিষয়ে কব খুজিছো। এই ক্ষেত্ৰত দেখিবলৈ পোৱা হৈছে যে সেই মাটিৰ মালিক শিৱসাগৰৰ ডি. চি. যদিও পিচ দিনা অইল ইণ্ডিয়া বা ও, এন, জি, চি, ৰ হৈ যায়। এই মাটি তেওঁলোকক দিয়াৰ কাৰণে আপত্তি নাই বুলি ওলাইছে। এইটো বন্ধ কৰিব লাগে। মই মন্ত্ৰী থাকোতে তেওঁলোকক মাতি আনি কৈছিলো যে কেন্সাৰ হস্পিতেলৰ কাৰণে বিল্ডিং বান্ধি দিয়ক। তেওঁলোকক চিঠিৰে চৰকাৰৰ ফালৰ পৰা অনুৰোধ কৰা হৈছিল। অসমৰ এই জলন্ত সমস্যাটোৰ কাৰণে তেওঁলোকে দিব নোৱাৰে, মাত্ৰ পাচ লাখৰ বেছি দিব নোৱাৰে। আমি তেওঁলোকক মাটি দিওঁ, কিন্তু আমাৰ প্ৰয়োজনীয় কেন্সাৰ ইনষ্টিটুটিৰ কাৰণে দিব নোৱাৰে। এই ক্ষেত্ৰত অইল ইণ্ডিয়া আৰু ও, এন, জি, চি, য়ে গন্দগোল কৰি আছে। এই বিষয়ে মই কাগজ পত্ৰ ষ্টাডি কৰি ইয়াৰ ওপৰত আৰু পিচত কম। সেই মাটিখিনি ৰাজহ বিভাগে ব্যৱস্থা লব বুলি আশা ৰাখিছো।

অধ্যক্ষ মহোদয়, মই চিলিং চাৰপ্লাচ লেণ্ডৰ বিষয়ে কব খুজিছো। অসমৰ এই চিলিং চাৰপ্লাচ লেণ্ড বিলাক বহুত মানুহে দখল কৰি আছে। এই ক্ষেত্ৰত কিছুমান মাজৰ মানুহে এই সুযোগ গ্ৰহণ কৰি আছে। ফল স্বৰূপে ব্যক্তিগত ভাৱে বহুত মানুহে তাৰ পৰা ডিপ্ৰাইভ হৈ আছে। চিলিং চাৰপ্লাচ মাটিৰ কো লগাই দি মুনাফা আদায় কৰি ৰহি আছে। এই ক্ষেত্ৰত স্পষ্ট নীতি ঘোষণা কৰিব বুলি এই সদনত

মাননীয় ৰাজহ মন্ত্ৰী মহোদয়ৰ পৰা আশ্বাস বিচাৰিছো। আজি চিলিং এক্টৰ মাটিত গুৱাহাটীৰ জু-নাৰেঙ্গী আদি কৰি অসমৰ বিভিন্ন ঠাইতে তিনি চাৰি মহলীয়া বিল্ডিং উঠিছে। সেইবিলাক মাটিৰ কোনো পট্টা নোহোৱাকৈ ঘৰ সাজিছে আজি আৰু সেই মাটি চৰকাৰে অধিগ্ৰহণ কৰিব নোৱাৰে। এই ক্ষেত্ৰত স্পষ্ট নীতি ললে ভাল হয়। মানুহ খিনিয়ে মাটিৰ পট্টা পাম বুলি আশা কৰি আছে। চৰকাৰৰে মাটি দিব নে নিদিয়ে বুলি মানুহখিনিয়ে দায়হলমাত পৰি আছে। গতিকে স্পষ্ট নীতি ললে ভাল হয়। প্ৰভাৱটি লাইনৰ তলত যিখিনি লেগুলেছ মানুহ আছে, তেওঁলোকে ভাল পাব। চৰকাৰে ভৱিষ্যতে তেওঁলোকৰ পৰা ভোট পাই ইলেক্চনত জিকিব পাৰিব।

অধ্যক্ষ মহোদয়, মই ফ্লাড এফেক্টেড এৰিয়াৰ কথা মই বিশেষ জোৰ দি কব খুজিছো। যিবিলাক মানুহ গড়া খহনীয়াৰ ফলত লেগুলেছ হৈছে, ভেটি হেৰুৱাইছে, এই সম্পৰ্কে চৰকাৰে কি স্পষ্ট নীতি লৈছে মই নাজানো। কিন্তু তেওঁলোকক পুনৰ সংস্থাপনৰ ব্যৱস্থা কৰিব লাগে। এইটো কৰিলে তেওঁলোক উপকৃত হব। আমাৰ মাননীয় সদস্য শ্ৰীপৰমেশ্বৰ ব্ৰহ্ম ডাঙৰীয়াইও এই ক্ষেত্ৰত উল্লেখ কৰিছে. নদীৰ গড়াখহনীয়াৰ ফলত জনজাতি যি সকল মানুহ মাটিহীন হৈছে তেওঁলোকৰ মনত শংকাৰ ভাব হৈছে। এই ভাবটো আতৰাব লাগে। এই ক্ষেত্ৰত ৰিলিফ এণ্ড ৰিহেবিলেটেশ্বনৰ ফালৰ পৰা স্পষ্ট নীতি ঘোষণা কৰি সেই নীতি কাৰ্য্যকৰি মানুহৰ মনত আশাৰ ভাব সঞ্চাৰ কৰিব লাগে। আমাৰ মাননীয় সদস্য শ্ৰীনজমূল হক ডাঙৰীয়া আৰু দুজন মান সদস্যই কৈছে যে বানপানীত যি সকল মানুহ ক্ষতিগ্ৰস্ত হৈছে, সেই সকলক ৰিলিফ বিতৰণৰ ক্ষেত্ৰত সন্তুষ্ট হোৱা নাই। এই ক্ষেত্ৰত মই সমালোচনা কৰিবলৈ নাযাও, কিন্তু উপদেশহে দিব বিচাৰিছো। বানপানীত যিসকল মানুহ ক্ষতিগ্ৰস্ত হয়, তেওঁলোকৰ এনেধৰণৰ মনোভাব থাকিব নেলাগে। আমাৰ প্ৰাক্তন মূখ্যমন্ত্ৰী শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ডাঙৰীয়াই ৰিলিফৰ ক্ষেত্ৰত হোজাইলৈ

যাওঁতে কিছুমান মানুহ আৰু বিৰোধী পক্ষৰ সদস্যৰ পৰা ডিষ্ট্ৰিক্ট অফিচাৰৰ বিৰুদ্ধে কমপ্লেইন পাইছিল। সেই অফিচাৰজনক আই. বি, লৈ মাতি অনা হৈছিল আৰু পিচত তেওঁক চাচপেন কৰা হৈছে। বানপানীত যিসকল মানুহ শিবিৰত থাকিব লগা হয়, তেওঁলোকৰ প্ৰতি কোনো ধৰ্ম্মীয় বা ৰাজনৈতিক মনোভাৱ থাকিব নেলাগে। তেতিয়া খেলিমেলি নহয়। এই কথাটো চাব বুলি মই আশা ৰাখিছো।

মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ক মই এটা কথা কব খুজিছো সমগ্ৰ অসমৰ মানুহৰ দুখ হৈ পৰিছে। লেণ্ড এডভাইচাৰী বোৰ্ড ভূমি হীনক ১ বিঘাকৈ মাটি দিছে লগতে এম, এন পি ৰ জড়িয়তে তেওঁলোকৰ ঘৰ বনাবৰ কাৰণে আঢ়ৈ হেজাৰ কৈ টকা দিয়া হৈছে কিন্তু এই টকাটো সকলো মানুহে পোৱা নাই। এই ক্ষেত্ৰত বহুত খেলি-মেলি হৈছে। বহুত অভিযোগ আহিছে কিছুমানে পাইছে কিছুমানে পোৱা নাই। এই ক্ষেত্ৰত এটা সু ব্যৱস্থা লব বুলি আশা কৰিলো। মই বেছি দীঘলীয়া কৰিবলৈ বিচৰা নাই যদিও কব লগা আছিল। মাননীয় সদস্য শ্ৰীজয় নাথ শৰ্ম্মা ডাঙৰীয়াই এখন শ্লিপ দিছে, চমু কৰিব লাগে গতিকে মই চমু কৰিব বিচাৰিছো যদিও মই ক্লাইমেক্সত আহি আছিলো।

মই ৰাজহ মন্ত্ৰী ডাঙৰীয়া আৰু মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টিগোচৰ কৰিব বিচাৰিছো এইটো হল যে তেখেতসকলৰ দিল্লীৰ লেভেলত এটা দখল আছে বিশেষকৈ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ দিল্লীৰ দখলটো বেছ, সেয়ে এই কথাটো কবলৈ খুজিছো। তেখেত সকলে ব্ৰহ্মপুত্ৰ নিয়ন্ত্ৰণ কৰক। আৰু ৪ টা বছৰ আছে, এই ৪ টা বছৰৰ ভিতৰত ব্ৰহ্মপুত্ৰখন নিয়ন্ত্ৰণ কৰক। তেওঁলোকে সদায় বাঃ বাঃ পাই থাকিব। যদি তেওঁ-লোকে ব্ৰহ্মপুত্ৰখন নিয়ন্ত্ৰণ কৰিব পাৰে আমিয়ে কংগ্ৰেছ চৰকাৰক ভোট দিব লাগে বুলি কম। ব্ৰহ্মপুত্ৰ নিয়ন্ত্ৰণ নকৰাৰ কাৰণে বহু মাটি বছৰি বছৰি ব্ৰহ্মপুত্ৰৰ বুকুত জাহ গৈছে। অসমৰ মাটি নগালেণ্ডে ঠেলিছে, অৰুণাচলে দা-জোকাৰি আছে, মেঘালয়ে আগবাঢ়ি আহি আছে।

এনেকৈ হলে অসমৰ মাটি কিমান থাকিবগৈ। লগতে যদি ব্ৰহ্মপুত্ৰই ২ হেজাৰ বিঘাকৈ খহাই লৈ যায় অসমৰ মাটি কিমান থাকিবগৈ। সেয়ে ব্ৰহ্মপুত্ৰখনক কণ্ট্ৰোল কৰিবলৈ দি মাননীয় সদস্য শ্ৰীজয় নাথ শৰ্মাৰ নিৰ্দ্দেশ মতে মই কৰ্ত্তন প্ৰস্তাৱটোৰ ওপৰত সমৰ্থন জনাই মোৰ বক্তব্য সামৰণী মাৰিলো।

★ শ্ৰীজয় নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, মই দুটা পইণ্টৰ কথা কওঁ। মই কৰ্ত্তন প্ৰস্তাৱৰ সপক্ষে কোৱাৰ আগতে মই যোৱাকালিৰ সভাত তথ্য-পাতিৰ সম্পৰ্কত কবলৈ বিচাৰিছো। মই তথ্য বিচাৰি থাকোতে ইতিমধ্যে দুজনে তথ্য আনি দিলে। এজন ৰাজহ বিভাগৰ উপ-সচিব। যোৱা ১১ মাৰ্চ্চত এখন লেণ্ড ৰেভিনিউ বোৰ্ড মঙ্গলদৈত পাতি দিছিল আৰু দ্বিতীয়খন ওদালগুৰীত। তাৰ সদস্য দিলে জে পি শৰ্মা, বীনা বৰুৱা, কমলা ডেকা আৰু মৃদুলা চহৰীয়াক। ওদালগুৰীত যি কেইজন দিছে তাৰে এজনকৈ মঙ্গলদৈটো দিছে। অৱশ্যে মঙ্গলদৈত এম এল এ দিছে। ওদালগুৰীত কিন্তু আমাৰ আনোৱাৰা টাইমুৰ বাইদেউক নিদিলে। তেখেত অৱলা বুলিয়ে নিদিলে নেকি ? যি নহওঁক কথাটো হল আপোনালোকে আইনৰ ভিত্তিত এইখিনি কৰিছে। একেটা মহকুমাৰ লেণ্ড এডভাইচাৰী বোৰ্ডৰ মহকুমাৰ ভিতৰৰে মানুহ হলে ভাল। কিন্তু বাহিৰা মানুহ সোমাইছে।

অধ্যক্ষ মহোদয়, মই আমাৰ মাননীয় সদস্য শ্ৰীহিতেশ্বৰ ডেকা ডাঙৰীয়াই কোৱা আই আই টিৰ মাটি সম্পৰ্কে কৈছো। মই মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যাতে ৭ কোটি টকা অপব্যয় বন্ধ হয়। এই ক্ষেত্ৰত মন্ত্ৰী মহোদয়ৰ বেয়া মতলব নাই। কিন্তু কোনোবাই এই সুযোগটো লব। যোৱা ২৭ তাৰিখত বাতৰি কাকতত যি ৰিপোৰ্ট ওলাইছিল চৰকাৰে তাৰ কোনো ক্লাৰিফিকেশ্যন দিয়া নাই। এইখন ৩৭ কোটি টকাৰ কেলেং-কাৰী আছিল। বাতৰি কাকতত ডাঙৰ ড'ঙৰ হৰফেৰে লিখা আছিল,

★ Speech not corrected

বাতৰিকাকতৰ কোনোবা চুকত দিয়া নাছিল। এইটো চকু পৰিব লাগিছিল। উত্তৰ গুৱাহাটীত ২ হেজাৰ বিঘা মাটি দিব বুলি কৈছে। ৩৫৬ টা পৰিয়ালক উচ্ছেদ কৰিছে। ১৪ হেজাৰ বিঘা মাটি লোৱা হৈছে। কলিকতাৰ কোনোবা মানুহৰ নামত মাটি আছে। ২৭ জন মানুহৰ নাম দিছে। এই মানুহ বিলাকৰ কলিকতাৰ ঠিকনা দিছে। ইয়াত লক্ষ লক্ষ টকাৰ কাৰবাৰ হৈছে বাহিৰৰ মানুহৰ লগত। হীৰালাল ভাৰতীৰ নাম আছে। তাত থকা মাটি বিলাক খেতিৰ মাটি, এই খেতিৰ মাটিৰ দাম ইমান হোৱা নাই। এতিয়া কথাটো হল তাত যি সকল মানুহে বছৰৰ পিচত বছৰ ধৰি বসবাস কৰি আছে তেওঁলোকে পইছাখিনি পালে ভাল পাওঁ। মই এখন চিঠিৰ কথা উল্লেখ কৰিম-

( Quoted letter No. CI/PS/FYP/88 dated 26.3.93 )

and read out the following :

...... Meanwhile, you are requested to take immediate steps for withdrawal of our acquisition proceedings for the land at North Guwahati and get the money released which was placed at the disposal of the Collector ( Deputy Commissioner ), Kamrup from the revenue deposit. This money will be immediately utilised for insfrastructure develepment of the newly identified areas besides other projects in the hand under AIDC.... .. ........

অধ্যক্ষ মহোদয়, ১৯৪৭ চনতে চাহ খেতি কৰিবৰ বাবে ১৯ হেজাৰ ৯০০ বিঘা মাটি ৰেভিনিউ ফ্রি কৰি দিছিল। কিন্তু ১৯৪৮ চনলৈকে ৰিএচেষ্টমেণ্ট কৰাৰ পাচত ৰেভিনিউ অলপ দিব লাগে বুলি ধাৰ্য্য কৰা হৈছিল কিন্তু ৰেভিনিউ চৰকাৰে পোৱা নাই আৰু আজিলৈকে চাহ খেতি নকৰাকৈয়ে সেই মাটি পৰি আছে। গতিকে চৰকাৰৰ দায়িত্ব আছিল

যে চাহ খেতি যিহেতু কৰা নাই তৎকালীভাবে সেই মাটিখিনি চৰকাৰৰ অধীনলৈ অনাৰ বাবে নাইবা চিলিং এক্টত সেই মাটি পেলাব লাগিছিল। আই আই টিৰ নামত ২৫ কোটি টকা আহিছে আৰু তাৰে ৭ কোটি টকাৰ এটা বৃহৎ অংশ অৰ্থাৎ ৭৫ ভাগ টকা তিনিজন দালালৰ লগত উৰাজাহাজেৰে জৰ্জ ফিল্ডখন ওপৰেৰে দেখুৱাই থৈ গ'ল যে এই খিনি মোৰ মাটি। মই অৱশ্যে ডালাল কেইজনৰ নাম কবলৈ ইচ্ছুক নহয় তথাপি কৈছো এজন হৈছে কোনোবা বৰা অৰ্থাৎ বাধা বৰা, আৰু শীতল প্ৰসাদ জৈন। এই মানুহ কেইজন এই মাটি ডোখৰৰ কাৰণে আই আই টি যি খন সেই আই আই টিৰ বাবে মাটি অধিগ্ৰহণ কৰা হৈছে সেই মাটি খিনিৰ বাবে যি ডালালৰ হাতৰ পৰা চৰকাৰৰ হাতলৈ অনাৰ বাবে তিনি দিনৰ ভিতৰতে ব্যৱস্থা কৰিব লাগে নহলে চৰকাৰৰ বহুধন অপব্যয় হব। মই বিভাগীয় মন্ত্ৰীক এই বিষয়ে চোকা দৃষ্টি দিবলৈ আজিৰ সদনৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ দৃষ্টি গোচৰ কৰিলো। মাননীয় অধ্যক্ষ মহোদয়, আই আই টি খন উত্তৰ গুৱাহাটীতে পাতিব লাগে কিন্তু মাটি অধিগ্ৰহণ কৰোতে যাতে কোনো মানুহ হাৰাশাস্তি নাথায় তালৈ লক্ষ্য ৰাখিব লাগে। গতিকে মই মাননীয় ৰাজহ মন্ত্ৰীক এই বিষয়ে দৃষ্টি গোচৰ কৰিলো। মাননীয় অধ্যক্ষ মহোদয়, মোৰ সমষ্টিত ছিপাঝাৰত এটা ডাঙৰ বিল আছে আৰু সেই বিলটোৰ বাবে চৰকাৰে মাটি খিনি এজন মানুহৰ হাতলৈ দিব ওলোৱা কথাটো মই কিছুদিন আগতে খবৰ পাইছো কিন্তু এইটো এটা ডাঙৰ কাম হৈছে গতিকে বিভাগীয় মন্ত্ৰীয়ে যদি এইটো কৰে তেনেহলে ৰাইজে বিভাগীয় মন্ত্ৰীৰ জৰিয়তে মোকো বেয়া পাব আৰু আপোনালোকৰ কংগ্ৰেছ চৰকাৰখনকো বেয়া পাব। গতিকে মই ৰাজহ মন্ত্ৰীক কব খোজো যে বিলটো ৰাইজৰ হাতলৈ যাওঁক। মই বিলটোৰ কাৰণে চন্দন চৰকাৰক এখন চিঠি দিছিলো ৭-২-৯২ তাৰিখে আৰু চিঠি খনৰ উত্তৰ মই আজিলৈকে পোৱা নাই। যিহেতু এই বিলটোৰ বাবে বিশ্ব বেংকে ঋণৰ ব্যৱস্থা কৰিব। অধ্যক্ষ

মহোদয় মই আৰু এটা কথা কব খোজো যে খাজনা। খাজনাৰ কথাটো হৈছে যে গুৱাহাটীৰ মাটি এডোখৰতকৈ গাওঁৰ এডোখৰ মাটিৰ খাজনা কম হব লাগে কাৰণ এটুকুৰা মঙ্গলদৈৰ মাটি আৰু এটুকুৰা ছিপাঝাৰৰ মাটিৰ মাজত প্ৰাৰ্থক্য আছে। অধ্যক্ষ মহোদয়, গতিকে গাওঁৰ প্ৰকৃত যি খেতিয়ক সেই খেতিয়কে তাৰ পৰা বেহাই পোৱা নাই। গতিকে আই আই টিৰ বাবে ৭ কোটি টকা যাতে আত্মসাৎ নহয় তাৰ বাবে চৰকাৰে দৃঢ় ব্যৱস্থা লব লাগে। মাননীয় অধ্যক্ষৰ জড়িয়তে ইয়াকে কৈ মই মোৰ বক্তব্যৰ সামৰণী মাৰিলো।

★ শ্ৰীভূপেন ৰয় : মাননীয় অধ্যক্ষ মহোদয়, মই দুটামান কথা কব খুজিছো যে পূৰণি গোৱালপাৰা জিলাৰ কিছুমান সমস্যা আছে। আমাৰ পূৰণি গোৱালপাৰাত বিভিন্ন জনগোষ্ঠীৰ মানুহ একেলগে বসবাস কৰি আছো। তাত বিশেষকৈ কেইটামান গাড়ো বস্তি আছে। এই উত্তৰ শালমাৰাৰ মানুহখিনি বৈটামাৰী সৃজনগ্ৰামৰ লগত সংযোগ হৈ আছে। এই মানুহখিনি আজি যুগ যুগ ধৰি ইয়াতেই বসবাস কৰি আহিছে কিন্তু তেওঁলোকক মাটিৰ পট্টন দিয়া হোৱা নাই। গতিকে মই মাননীয় ৰাজহমন্ত্ৰীক এই বিষয়ে দৃষ্টি দিবলৈ অনুৰোধ জনালো।

মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰৰ ফালৰ পৰা নোটিচ দিছিল যে যি সকলৰ মাটি বহুদিনৰ পৰা আছিলে তেওঁলোকৰ মাটি খাছ হৈ গ'ল। পুনৰ আবেদন কৰাৰ পিচতো একো নহল। মোৰ আগৰ কেইবাজনো সদস্যই এই বিষয়ে উল্লেখ কৰিছে-সেই লোক সকলে পট্টা পোৱাৰ কাৰণে এটা স্পেচিয়েল অৰ্ডাৰ কৰিবৰ বাবে মই বিভাগীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিলো। ১৯৭০ চনত যোগীঘোপাত বহুতো লোকৰ মাটি অধিগ্ৰহণ কৰিছিল। তাত হাতীপাৰা, ইচলাম পাৰা আদি গাওঁ আছিল। পট্টাৰ মাটি অধিগ্ৰহণ কৰাৰ পিচত চৰকাৰে আজিলৈকে কোনো ক্ষতি-পূৰণ দিয়া নাই আৰু কোৰ্টও কৰা নাই। গতিকে মন্ত্ৰী মহোদয়ে এই বিষয়ত

★ Speech not corrected

দৃষ্টি দিব বুলি মই আশা কৰিছো। আনহাতে নতুনকৈ ব্ৰডগজ ৰেল লাইন সম্প্ৰসাৰন হৈছে। গোৱালপাৰা জিলাত বসবাস কৰা জনগোষ্ঠী মানুহৰ মাটিৰ ওপৰেদি ৰেল লাইন যাবৰ কাৰণে মাটি অধিগ্ৰহণ কৰিছিল। ৰাভা জনজাতি মানুহখিনি অশিক্ষিত কাৰণে আগভাগ লব নোৱাৰে। সেই কাৰণে যুগ যুগ ধৰি পিচ পৰি আছে। নৰনাৰায়ণ সেতু কৰাৰ পিচতো ৰেল লাইন সম্প্ৰসাৰন কৰা হৈছে। যুগ যুগ ধৰি বসবাস কৰি থকা মানুহখিনিক ৰেল বিভাগে তেওঁলোকৰ মাটি বা ঘৰদুৱাৰৰ ক্ষতি পূৰণ পোৱাৰ সুবিধাকণৰ পৰা বঞ্চিত কৰি ৰাখিছে। ৰেল লাইনৰ কাম সম্পূৰ্ণ হোৱাৰ আগতে মানুহখিনিয়ে যাতে ক্ষতিপূৰণ পায় আৰু বসবাস কৰি থকা মানুহখিনিয়ে পট্টা পায় সেই ক্ষেত্ৰত মই মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টিগোচৰ কৰিলো। সামাজিক বনানীকৰণৰ কাৰণে মাটি অধিগ্ৰহণ কৰিছিলে। গছ-গছনি কোনোবা ফালে লগাইছে আৰু কোনোবা ফালে লগোৱা নাই। সামাজিক বনায়িকৰণ কৰিবৰ কাৰণে অধিগ্ৰহণ কৰা মাটিখিনিত বহুতো মানুহে বেদখল কৰি বসবাস কৰি আছে। গছ-গছনিৰ ক্ষেত্ৰত আমাৰ আগৰ সদস্য সকলে কোৱাৰ দৰে মইও বিভাগীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো। ৰেভিনিউ এচ, ডি, চি অফিচৰ কাৰণে ৰেভিনিউ বিভাগে মাটি দিছে। তথাপিতো এ, চি, এচ বিষয়া এচ, ডি, চি সকল থাকিবৰ কাৰণে ঘৰ নাই, চিটিবাচত উঠি অফিচলৈ অহা যোৱা কৰিব লাগে। ল'এণ্ড অৰ্ডাৰ ডিউটি চলি থকা সময়ত অফিচাৰ সকলে চিটি বাছত অহা যোৱা কৰি কাম কৰিবলৈ পালে তেওঁলোকৰ মনত কেনে ভাব উদয় হয় সেইটো আপোনালোকে নিশ্চয় উপলব্ধি কৰিব পাৰিব। কিন্তু কিছুমান অফিচত অফিচাৰ লেভেলত গাড়ী থাকেই, জুনিয়ৰ ইঞ্জিনিয়াৰেও গাড়ী বিচাৰে আনকি বৰবাবুৱেও গাড়ী বিচাৰে। এই বিলাক কথাও মন্ত্ৰী মহোদয়ে চিন্তা কৰে যেন। আমাৰ সাধাৰণ শ্ৰেণীৰ মানুহখিনিৰ সুবিধাৰ কাৰণে বি, ডি, অ' অফিচৰ দৰে এচ, ডি, চি অফিচত থাকিব লাগে। মোৰ নিজৰ সমষ্টি মানিক-

পুৰত এটা এচ, ডি, চি লাগে বুলি ৰাইজে দাবী কৰি আহিছে। এই বিষয়ত মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰি এইখিনিকে কৈ মোৰ বক্তব্য সামৰণী মাৰিলো।

★ শ্ৰীগহীন চন্দ্ৰ দাস : মাননীয় অধ্যক্ষ মহোদয়, নগাওঁত এটা চাব-ডিভি-জনৰ কাৰণে তৰা বিহীন প্ৰশ্ন কৰা হৈছিল। ৩৯ খন গাওঁ ৪০·৪৫ বছৰ হৈ গল এতিয়াও ৰেভিনিউ ডিচ্‌পুট হৈ আছে বুলি প্ৰশ্নৰ উত্তৰ দিছে। ভূমি সংস্কাৰক ভূমি সংস্কাৰ বুলি কৈ আছে। তাত ৩৯ টা ৰেভিনিউ লচ হৈ আছে। কাৰ্বি আংলংৰ মাটী নগাওঁ মানুহৰ আৰু নগাওঁৰ মাটী কাৰ্বি আংলংৰ বুলি কয়। এই বিষয়ত মই মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰি কৈছো যে ৫ বছৰৰ ভিতৰত এই ডিচ্‌পুটটো উঠাই দিয়ে যেন।

★ শ্ৰীপানী ৰাম ৰাভা : মাননীয় অধ্যক্ষ মহোদয়, মোৰ সমষ্টিটো ট্ৰাইবেল এৰিয়াৰ ভিতৰত পৰে। ট্ৰাইবেল এৰিয়াত বসবাস কৰা জনজাতি লোক সকলে আজিলৈকে মাটীৰ পট্টা পোৱা নাই। ভৌজি পট্টাহে পাইছে। একেবাৰে ভিতৰুৱা পাহাৰীয়া অঞ্চলৰ লোক সকলে ভৌজি পট্টাৰ সলনি ম্যাদী পট্টা পোৱাৰ কাৰণে বিভাগীয় মন্ত্ৰী মহোদয়ে চেষ্টা কৰে যেন। এই বিষয়ে জিলা উপায়ুক্তৰ পৰা ৰিপোৰ্ট আনি মহকুমাধিপতিক দিয়া হৈছে। এই বিষয়ত ব্যৱস্থা লব বুলি মই আশা ৰাখিলো।

Mr. Speaker : Please sit down.

★ শ্ৰীজয় নাথ শৰ্ম্মা : মাননীয় অধ্যক্ষ মহোদয়, যোৱা কালি যিখন পাৰ্টি মিটিং হৈছিল তাত আমাৰ নিজা নিজা দলৰ কথা আছিল, বাহিৰত জনোৱাৰ কথা নাছিল যদিও কথাবিলাক বাহিৰত ওলোৱাত কাৰোবাৰ কিবা আপত্তি আছে নেকি ?

★ শ্ৰীদেৱান জয়নাল আবেদিন : মাননীয় অধ্যক্ষ মহোদয়, কালি মিটিঙৰ কথাবিলাক প্ৰেছত আহিছে। কিন্তু বাহিৰত লোৱাৰ কথা নাছিল।

★ Speech not corrected

Mr. Speaker : The discussion on this Grant will be continued to-morrow also. Minister Revenue will reply to-morrow. Now I want to make an important announcement. Yesterday I met Leaders of all the Parties and Groups in the Chamber where the Leader of the House was also present. I would now like to inform all the Hon'ble Members the consensus arrived at in that discussion. Consensus arrived at that the Dignity of the House will be maintained at any cost by all Hon'ble Members.

Shri Zoii Nath Sarma : Point of order Sir, Yesterday it was decided that nothing should be recorded....

মাননীয় অধ্যক্ষ মহোদয়, আলোচনা বিলাক ৰেকৰ্ড কৰিবলৈ আমি মানা কৰিছিলো। তেনেস্থলত কথাবিলাক বাহিৰত ওলালে বেয়া হয়।

Mr. Speaker : Because the Members should know what is going on.

অহা দেওবাৰে ভৈৰৱকুণ্ডলৈ যাবৰ কাৰণে সকলো সদস্যকে কোৱা হৈছে। তাত ট্ৰাইবেল এৰিয়া আছে সকলো সদস্য গলে মানুহখিনিয়ে ভাল পাব। লগতে ধনশিৰী প্ৰজেক্টটো চাই আহিবৰ কাৰণে ইৰিগেশ্যন মন্ত্ৰীয়ে অনুৰোধ জনাইছে। প্ৰজেক্টৰ কাম কিমানখিনি সম্পূৰ্ণ হৈ উঠিছে চাব পাৰিব।

শ্ৰীনগেন শৰ্ম্মা : মাননীয় অধ্যক্ষ মহোদয়, প্ৰজেক্টৰ কাম আৰম্ভ কৰা বহুত বছৰ হৈ গল। কিন্তু আজিলৈকে কাম সম্পূৰ্ণ নহল।

Mr. Speaker : Is it the consensus of the House that decisions arrived at in the meeting of all Parties and Groups held yesterday ( 25.3.92 ) in the Chamber of

Hon'ble Speaker should not be disclosed ?
( Voices-yes, yes ) Alright then.

Another very interesting thing I am going to announce now. Our Hon'ble Minister for Irrigation has cordially invited all of us to visit Bhairabkunda where Dhansiri Irrigation Project is going on. He has invited those interested Members to visit that place on next Sunday. Interested Members are requested kindly to inform the Secretary, Assam Legislative Assembly

Now, the House stands adjourned till 8-30 A. M. on Friday, the 27th March, 1992.

Adjournment

The House then rose at 5 P.M. and stood adjourn till 8-30 A.M. to-morrow the 27th March, 1992.

Dispur
The 26th March, 1992

S. N. Deka
Secretary
Assam Legislative Assembly

## GOVERNMENT OF ASSAM

## LABOUR & EMPLOYMENT DEPTT. : LABOUR BRANCH.

## ORDERS BY THE GOVERNOR

## NOTIFICATION

Dated Dispur, the 20.2 90.

NO. GLR. (RC) 127/87/Pt/19 : In exercise of the powers conferred by clause (a) of sub-section (1) of Section 3 read with Sub-Section (2) of Section 5 of the Minimum Wages Act, 1948 (Act No.XI of 1948) as amended, the Governor of Assam having considered the advice of the Committee constituted under clause (a) of sub-section (1) of the said Act, vide Government Notifications No. GLR. (RC) 127/87/80 dt. 25th October, 1989 and No. GLR. 188/89/84 dt. 23rd December, 1989, is pleased to fix minimum wages of ordinary unskilled employees (daily rated) employed in tea plantations in the different districts of the State of Assam at the rates for different periods as specified under the Schedule below.

## SCHEDULE

Ordinary Unskilled Employees (daily rated)

| Areas. | Period. | Minimum Rates of Wages Adult. Rs. P. | Non-Adult. Rs. P. |
|---|---|---|---|
| Zone-A : | | | |
| Dibrugarh, Tinsukia, | From 1.11.89 to 30.10 90 | Rs 15.30p. | Rs.7.65p. |
| Jorhat, Sibsagar, and | From 1.11.90 to 30.10.91 | Rs,16.45p. | Rs.8.23p. |
| Golaghat Districts. | From 1.11.91 to 31.10.92 | Rs.17.60p. | Rs.8,81p. |

| | | | | | | |
|---|---|---|---|---|---|---|
| **Zone-B :** | | | | | | |
| Sonitpur, Lakhimpur, | From | 1.11.89 | to | 30.10.90 | Rs.15.23p. | Rs.7.61p. |
| and Dhemaji District. | From | 1.11.90 | to | 30.10 91 | Rs.16 38p. | Rs.8.19p. |
| | From | 1.11.91 | to | 30.10.92 | Rs.17,53p. | Rs.8.77p. |
| **Zone-C :** | | | | | | |
| Darrang District: | From | 1.11.89 | to | 30.10 90 | Rs.15.20p | Rs.7.60p. |
| | From | 1.11.90 | to | 30.10.91 | Rs.16.35p. | Rs,8.18p. |
| | From | 1.11.91 | to | 30.10 92 | Rs 17.50p, | Rs.8.76p. |
| **Zone-D :** | | | | | | |
| Nagaon, Morigaon, | From | 1.11 89 | to | 30.10.90 | Rs.15.13p. | Rs.7 60p. |
| Nalbari, Barpeta, | From | 1.11 90 | to | 30.10 91 | Rs.16.28p. | Rs.8.18p. |
| Kamrup, Bongaigaon, | From | 1.11.91 | to | 30 10.92 | Rs.17.43p. | Rs.8.76p. |
| Kokrajhar, Dhubri | | | | | | |
| & Goalpara District. | | | | | | |
| **Zone-D 1 :** | | | | | | |
| Karbianglong District. | From | 1.11.89 | to | 30.10.90 | Rs.15.13p. | Rs.7.57p. |
| excluding tea | From | 1.11.90 | to | 30.10.91 | Rs.16,28p. | Rs.8.15p. |
| plantations situa- | From | 1.11.91 | to | 30.10,92 | Rs.17.43p. | Rs.8.73p. |
| ted within the | | | | | | |
| radius of 16 Kms. | | | | | | |
| from Dimapur. | | | | | | |
| **Zone-E :** | | | | | | |
| Cachar, Karimganj, | From | 1.11.89 | to | 30.10.90 | Rs.13.04p. | Rs.6.58p. |
| Hailakandi, N.C. Hills | From | 1.11.90 | to | 30.10.91 | Rs.14.19p. | Rs,7.16p. |
| Dists. and tea plan- | From | 1.11.91 | to | 30,10.92 | Rs.15.44p. | Rs,7.74ps |
| tations situated | | | | | | |
| within a radius of | | | | | | |
| 16 Kms from Dimapur | | | | | | |
| in Karbianglong District. | | | | | | |

The arrear wages of the employees shall be paid by the employers on or before the 31st May, 1990.

These rates, which shall be payable in cash, are inclusive of dearness allowance but exclusive of supplies of foodstuff at concessional rates and other frings benefits being enjoyed by the employees and their dependents inclusive of further benefits, if any, as may be provided by any agreement, settlement, determination or award, shall continue as usual unaffected.

The existing issue price of and quantities of foodstuff supplied to the employees and their dependants at concessional rates and other fringe benefits being enjoyed by the employees and their dependents shall remain unchanged.

The existing tasks shall remain unchanged.

The hours of work, interval of rest and spread-over shall be as laid down in Sections 19, 21 and 22 of the Plantations Labour Act, 1951 ( Act No. 69 of 1951 ) as amended.

This notification shall come into force with effect from the 1st November, 1989.

Commissioner & Secretary
to the Government of Assam,
Labour & Employment Deptt.

Memo. No. GLR; (RC) 127/87/pt/19-A, Dated Dispur, the

20.2.90. Copy forwarded to: 1) The Dy. Director, Assam Government Press and the Publisher of the Assam Gazette, Guwahati-21 with the request to publish the above notification in the extra-ordinary issue of the Assam Gezette immediately and to send 100 spare copies thereof to this department.

2) The Labour Commissioner, Assam, Guwahati-16 for needful. He is requested to inform all concerned.

3) All Asstt. Labour Commissioners for needful and for bringing to the notice of the employees' / workers' Organisations as well as Employer's Organisation concerned.

4) Department / Directorate concerned.

5) The Director of Information & Public Relation Assam, Dispur with the request to give wide publicity of the notification as a new item immediately.

6) P. S. to Minister, Labour, Dispur.

7) The Dy. Director' Printing & Stationary Deptt. He is requested to instruct the publisher, Government Press, Bamunimaidan to publish the Notification in the Extra-Ordinary Gazette immediately.

By order etc.

Deputy Secy. the Government of Assam.
Labour & Employment Deptt.

GOVERNMENT OF ASSAM

LABOUR & EMPLOYMENT DEPTT : DISPUR

CORRIGENDUM

21.3-90

No. GLR (RC) 127/87/Pt/22

In this Deptt. Notification No. GLR (RC) 127/87/Pt/19 dt. 20-2-90 the following corrections may be noted :-

1. In place of 30.10.90, 30.10.91, and 30.10.92 appearing against all Zones please read as 31.10.90, 31.10.91, and 31.10.92 respectively.
2. In place of "Rs. 15.44" as appearing against "Zone-E" of the above Notification please read "Rs. 15.34".

Sd/- S. K. Purkayastha

Commissioner & Secretary to the Government of Assam, Labour & Employment Deptt.

Memo No. GLR ( RC ) 127/87/Pt/22-A Dated Dispur, the 20th March, '90.

1. The Deputy Director, Assam, Government Press and the publisher of the Assam Gazette, Ghy-21 with the request to publish the above corrigendum in the Extra-ordinary issue of the Assam Gazette and to send 100 spare copies thereof to this Deptt.
2. The Lanour Commissioner Assam, Guwahati-16 for needful. He is requested to inform all concerned.

3. All Asstt. Lanour Commissioner for needful.
4. Deptt. / Directorate conecrned.
5. The Director of information & Public Relation Assam, Dispur with the request to give wide publicity of the Corrigendum as news-item.
6. P. S. to Minister, Labour.
7. Deputy Secretary Printing and Stationary Deptt. He is requested to instruct the Publisher, Government Press, Bamunimaidan to publish the Corrigendum in the Extra-ordinary Gazette immediately'

By order etc.

Deputy Secretary to the Government of Assam,
Labour and Employment Deptt.

Annexure—II

GOVERNMENT OF ASSAM
REVENUE (REFORMS) DEPARTMENT : : DISPUR : :
GUWAHATI-6
ORDERS BY THE GOVERNOR
NOTIFICATION

Dated Dispur, the 5th Feb/92.

No. RRG. 17/92/3 : In supersession of all other previous Government Orders and Notification the Governor of Assam is pleased to constitute the Sub-Divisional Land Advisory Committee for South Salmara with the Members shown below with immediate effect until further orders.

| | | |
|---|---|---|
| 1. | S.D.O. ( Civil ) Hatsingimari | - Chairman |
| 2. | Sr. Extra Asstt. Commissioner, | - Secretary |
| 3. | Shri Zahirul Islam, Minister, Irrigation | - Member |
| 4. | Shri Dewan Joynal Abedin, M.L.A | - -do- |
| 5. | Shri Wazed Ali Choudhury, P.O. Fakirganj. | - -do- |
| 6. | Shri Naresh Ch. Saha, Mankachar | - -do- |
| 7. | Shri Abu Zahan, Mankachar | - -do- |
| 8. | Shri Zakir Hussain | - -do- |
| 9. | Shri Maznu Hussain, Thakuranbari. | - -do- |
| 10. | Shri Amzed Hussain Mazumdar, Nashkara | - -do- |
| 11. | Shri Moniruz Zaman Mollah, South Salmara | - -do- |
| 12. | Shri Asgar Ali, Salkata | - -do- |
| 13. | Shri Ainul Islam Mandal, Gotabari | - -do- |
| 14. | Shri Kabel Kazi, Sundarpara | - -do- |
| 15. | Shri Abdul Hakim, Jhowdanga | - -do- |
| 16. | Smti Sobeda Khatun, Fakamari | - -do- |
| 17. | Shri Dilip Kr. Hajong, Kalapani | - -do- |
| 18. | Shri Nirmal Kr. Sarkar, Kukurmara | - -do- |
| 19. | Shri Sachindra Kr. Seal, Purandiara | - -do- |
| 20. | Snri Shah Zamal Sk. Sukehar | - -do- |
| 21. | Shri Rahizul Haque, Bengerbhita | - -do- |
| 22. | Shri Sofiur Rahman, Kanaimara | - -do- |
| 23. | Shri Bonder Ali, Nepurer Alga. | - -do- |

The Committee may advise the Sub-Divisional Officer in matters of Settlement/allotment of available waste land and untenanted ceiling surplus land of the State Government.

Sd/- ( D. K. Das )
Deputy Secretary to the Government of Assam
Revenue ( Reforms ) Deptt.

Memo No. RRG. 17/92/3 (b) Dated Dispur, the 5th Feb/92

Copy to :-

1) The Supdt. Assam Government Press, Bamunimaidan, Guwahati-21. He is requested to publish this Notification in the next issue of Assam Gazette and supply 100 printed copies to this Deptt.
2) The Sub-Divisional Officer, South Salmara for information and necessary action. He is requested to inform all the Members concerned.
3) P. S. to Minister, Revenue for information.
4) Person concerned.

By Orders etc.
Sd/-
Deputy Secretary to the Government of Assam
Revenue ( Reforms ) Deptt.
Dispur.

১নং তালিকা

জিলা ভিত্তিক ঘেহুঁ বীজৰ বিতৰণৰ তালিকা ( ৰবি বতৰ ১৯৯১-৯২ )

| জিলাৰ নাম | | বিতৰণৰ পৰিমান ( কুইণ্টল ) |
|---|---|---|
| ১) ধুবুৰী | -- | ৪৭১৬·৮০ |
| ২) কোকৰাঝাৰ | -- | ১০৮০·০০ |
| ৩) বৰপেটা | -- | ২৯৩৬·০৫ |
| ৪) বঙাইগাওঁ | - | ১১০০·০০ |
| ৫) গোৱালপাৰা | -- | ১৮১৫·০০ |
| ৬) কামৰূপ | -- | ২৬৭৫·৩৬ |
| ৭) নগাওঁ | -- | ১৯৪৪·৮০ |
| ৮) নলবাৰী | -- | ১০৬০·০০ |
| ৯) মৰিগাওঁ | -- | ২২৩০·০০ |
| ১০) কার্বি আংলং | -- | ১৪২০·০০ |
| ১১) উত্তৰ কাছাৰ | -- | ৪৪·০০ |
| ১২) শিৱসাগৰ | -- | ৬০০·০০ |
| ১৩) যোৰহাট | -- | ১৬১০·০০ |
| ১৪) ডিব্ৰুগড় | -- | ৪৯০·০০ |
| ১৫) গোলাঘাট | -- | ৫৮৮·০০ |
| ১৬) তিনচুকীয়া | -- | ৩৪৭·৮০ |
| ১৭) দৰং | -- | ২৭৬৬·০০ |
| ১৮) শোনিতপুৰ | -- | ১৫৫০·০০ |
| ১৯) উত্তৰ লক্ষীমপুৰ | -- | ৭৫০·০০ |
| ২০) ধেমাজী | -- | ৮৯০·০০ |
| ২১) কাছাৰ | -- | ২৭৮·২০ |
| ২২) কৰিমগঞ্জ | -- | ১১২·০০ |
| | মুঠ — | ৩১,০৮৪·০১ |

২নং তালিকা

বৰপেটা জিলাৰ বিভিন্ন উন্নয়ন খণ্ডত বিভিন্ন আঁচনিত ঘেহুঁ বীজ বিতৰণৰ তালিকা ( ১৯৯১-৯২ )

| আঁচনিৰ নাম | উন্নয়ন খণ্ড অনুসৰি বিতৰণৰ পৰিমান ( কুইন্টল ) | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|
| | বৰপেটা | চেঙা | ৰূপশী | মন্দিয়া | জালাহ | গোবৰ্দ্ধনা | বজালী | ভৱানীপুৰ | মুঠ |
| ১) বান সাহায্য | — | — | — | ১০০.০০ | — | — | — | ৯০.০০ | ১৯০.০০ |
| ২) ৰেহাই মূল্যত বিক্ৰী | ৪৫১.৮০ | ৩৮৭.২০ | ৫৫৪.৪০ | ৫২১.০০ | ৯০.০০ | ১১২.০০ | ৬৬.০০ | ১০৩.০০ | ২২৮৫.৪০ |
| ৩) মিনিকিট প্ৰদৰ্শন মূলক খেতি | ০.৬৬ | ০.২৭ | ০.৪৫ | ০.৬৩ | — | — | — | — | ২.০১ |
| ৪) অনুসূচীত জাতি/ জনজাতি আঁচনিৰ প্ৰদৰ্শনমূলক খেতি | ১৩৪.০৮ | ১৭.৯২ | ১২.৪৮ | ৩৭.৪৪ | ৯৬.০০ | ৩৮.৪০ | ৮৪.৫৬ | ৩৭.৭৬ | ৪৫৮.৬৪ |
| মুঠ | ৫৮৬.৫৪ | ৪০৫.৩৯ | ৫৬৭.৩৩ | ৬৫৯.০৭ | ১৮৬.০০ | ১৫০.৪০ | ১৫০.৫৬ | ২৩০.৭৬ | ২৯৩৬.০৫ |

বিঃ দ্ৰঃ=ৰেহাই মূল্যত বিক্ৰিৰ বাবে প্ৰতি কুইন্টল ঘেহুঁ বীজৰ কাৰণে ২৫০.০০ টকা দিয়া হৈছে যাৰ ফলত খেতিয়ক সকলে ( ৭৫০.০০-২৫০.০০ ) ৫০০.০০ টকাকৈ ৰেহাই মূল্যত কিনিছে ।

১৯৮৮/৮৯, ৮৯/৯০ আৰু ৯০/৯১ চনত ক্ৰয় কৰা বীজ (সদনৰ মেজত ৰখাৰ কাৰণে)
বীজৰ পৰিমাণ আৰু প্ৰতিকেজি বীজৰ মূল্য তালিকা

| ক্ৰমিকা নং | বীজ | ১৯৮৮/৮৯ ক্ৰয় কৰ বীজৰ পৰিমাণ(কুইণ্টল) | প্ৰাত কেজী বীজৰ মূল্য(টকা) | ১৯৮৯/৯০ ক্ৰয় কৰা বীজৰ পৰিমাণ কুইণ্টল) | প্ৰাত কেজী বীজৰ মূল্য(টকা) | ১৯৯০/৯১ ক্ৰয় কৰা বীজৰ পৰিমাণ কুইণ্টল) | প্ৰতি কেজী বীজৰ মূল্য(টকা) |
|---|---|---|---|---|---|---|---|
| ১) | ধান | ৬৯২৪৪.৪৩ | ৩.৪৪ | ৪২৭৬৮.১৮ | ৩.৯৫ | ৫৪০৬৬.৭০ | ৪.০৩ |
| ২) | মৰাপাট | ৬৫৭.৬৪ | ১৪.১৫ | ৪৫৩.৮৪ | ১৭.২২ | ২২৪০.২৮ | ৬.৯২ |
| ৩) | গোমধান | ৩০৬.৯৩ | ৫.৯১ | — | — | ১৯৭.৫৪ | ৬.৭৫ |
| ৪) | মগুমাহ | ২৪৫.০১ | ৯.৬৭ | ১৩.২৮ | ১২.৬০ | ৫৮২.২৪ | ১২.৬০ |
| ৫) | অটৃ | ২০.০০ | ৬.৫০ | ২৮.০০ | ৬.৫০ | ২৪৮.২৫ | ৬.৫০ |
| ৬) | ঘেঁহু | ৯৫২২৩.৩৫ | ৩.৫২ | ৬৩৯৬১.০২ | ৪.৪৫ | ৪১৩৫০.০০ | ৪.৭৮ |
| ৭) | মটৰ | ৮৫১২.৫৩ | ১০.৮২ | ৬৯২৭.৫০ | ১০.৩৯ | ৪৫৭৭.৫৫ | ১১ ৫৬ |
| ৮) | সৰিয়হ | ১০২৩৪.০০ | ১০.৩৬ | ৫৪০০.৩৮ | ৯.৩৪ | ৩০৫১.১৫ | ১০.৭৮ |
| ৯) | মচুৰ | ২৩৬৫.২০ | ১০.৭০ | ৩৬৮.২০ | ১১.১৮ | — | — |
| ১০) | আলু | ৫৭৫.০০ | ৪.০০ | ২০০.০০ | ৪.১০ | ১০০০.০০ | ৪.৫০ |
| ১১) | গুজিতিল | — | — | ৫৮৫.০০ | ১০.৫০ | — | — |
| ১২) | তিল | — | — | ৩১.৭৫ | ১৬.২০ | — | — |
| ১৩) | ৰাজমাহ | — | — | — | — | ৭০২.১৪ | ১৭.০০ |

## বিবাদ মান গাওঁৰ নামৰ তালিকা

কলিয়াবৰ ৰাজহ চক্ৰ :

১) কোঠাৰি ন-বস্তি ।
২) ৰামসিং নং ২ ।
৩) চৰবৰা ইংতি ।
৪) ক্ৰ'গাওঁ ।
৫) অঞ্জকপানী চাহবাগান ।
৬) লংখং নং - ১ ।
৭) কালিবস্তি এন, চি ।
৮) ডিজুভেলি কলনি ।
৯) ডিজুভেলি গাওঁ ।
১০) অঞ্জক পানী নং - ২ ।
১১) লংকা ।
১২) ৰবজুৰি মিকিৰ গাওঁ ।
১৩) কমলগুৰি মিকিৰ গাওঁ ।

চামগুৰি ৰাজহ চক্ৰ :

১৪) বালিজুৰি জংঘল ব্লক গাওঁ ।

কামপুৰ ৰাজহ চক্ৰ :

১৫) লেংগেৰী ।
১৬) মাইচাম ।
১৭) পশ্চিম বৰপথাৰ ।
১৮) জুথিং ।

১৯) পূব বৰপথাৰ ।

২০) মাজৰ বৰপথাৰ ।

২১) খাৰু পিন্ধা ।

২২) শিলডুৰি ।

২৩) আনডুবি ।

লংকা ৰাজহ চক্ৰ :

২৪) দক্ষিন বৰপথাৰ ।

২৫) বৰপথাৰ ।

২৬) শিমলুগুৰি ।

২৭) খাৰিখানা বিলগাওঁ ।

২৮) ন-খুটি ।

২৯) সেন্দুৰা গাওঁ ।

ৰহা ৰাজহ চক্ৰ ঃ

৩০) ডালিমবাৰী ।

৩১) ডালিমবাৰী গ্ৰাণ্ট ।

৩২) নৰটেং গাওঁ ।

৩৩) সৰু আম্‌ৰি ।

৩৪) মৰটেং পথাৰ ।

৩৫) লাওপানী ।

৩৬) হাতী গড় ।

৩৭) কমাৰ গাওঁ ।

৩৮) কন্দ্ৰৰা বিল ।

৩৯) ডাবলুং আটি ।

GOVERNMENT OF ASSAM

REVENUE (REFORMS) DEPARTMENT : : DISPUR : :

GUWAHATI-6

ORDERS BY THE GOVERNOR

NOTIFICATION

Dated Dispur, the 15th Feb/92.

No. RRG. 21/92/3 : In supersession of all other previous Government Orders and Notification the Governor of Assam is pleased to constitute the Sub-Divisional Land Advisory Committee for Dhakuakhana with the Members shown below with immediate effect until further orders.

1. Sub-Divisional Officer, Dhakuakhana - Chairman
2. Sr. Extra Asstt. Commissioner, Revenue - Secretary
3. Shri Bharat Chandra Narah, M. L. A. - Member
4. Shri Parmananda Doley, Dhakuakhana - -do-
5. Shri Taranath Doley, Pub Dhakuakhana - -do-
6. Shri Nobin Doley, K. K. D. D. - -do-
7. Shri Surjya Patar, Billmukh - -do-
8. Shri Tilen Chamush, Dhakuakhana - -do-
9. Shri Dhiren Dutta, Dhakuakhana - -do-
10. Shri Bhupen Borah, Dakhin Gohain - -do-

11. Shri Gopal Singh Narah, Sobansiri - -do-
12. Shri Kanak Pegu, Arkep, - -do-
13. Shri Krishna Kamal Borah, Dhakuakhana - -do-
14. Mrs. Hiranya Mayee Pegu, Janji - -do-
15. Mrs. Dibyalata Dewori, Pachim Machkhowa - -do-
16. Shri Balvir Biswa Karma, Khagua Nepali - -do-
17. Shri Loknath Das, Dhakuakhana - -do-

The Committee may advise the Sub-Divisional Officer in matters of Settlement/allotment of available waste land and untenanted ceiling surplus land of the State Government.

Sd/- ( D. K. Das )

Deputy Secretary to the Government of Assam,
Revenue ( Reforms ) Deptt.

Memo No. RRG. 21/92/3 Dated Dispur, the 15th Feb,/92

Copy to :-

1) The Supdt. Assam Government Press, Bamunimaidan, Guwahati-21. He is requested to publish this Notification in the next issue of Assam Gazette and supply 100 printed copies to this Deptt.

2) The Sub-Divisional Officer, Dhakuakhana, for information and necessary action. He is requested to inform all the Members concerned.

3) P. S. to Minister, Revenue for information.

4) Person concerned.

By Orders etc.

Sd/- ( D. K. Das )

Deputy Secretary to the Government of Assam,

Revenue ( Reforms ) Deptt.

Dispur.